
চিন্তা-চৰ্চাৰ অসমীয়া আলোচনী



# বৰ্তমান

আলফা বনাম অসমীয়া নিধন যজ্ঞ




সাৱধান,
নিৰ্বাচন
আহি
আছে

OKDISCD

# শান্তিৰ সন্ধানত...

শান্তি, সাম্প্ৰতিক অসমত বহুলভাৱে প্ৰসাৰিত এটা শব্দ। ৰাজ্যখনৰ ৰজা-প্ৰজা সকলোৰে মুখত উচ্চাৰিত শব্দ শান্তি। কিন্তু ভাৱ হয়, ৰজাই শান্তিৰ সংজ্ঞা যি দৰে দিয়ে, প্ৰজাৰ বাবে যেন শান্তিৰ সংজ্ঞা বেলেগ। ৰজাঘৰে বিছাৰিছে অসমত অশান্তি সৃষ্টি কৰি থকা বিদ্ৰোহীসকলক, প্ৰতিবাদী যুৱক-যুৱতীক প্ৰাণেমাৰি নিঃশেষ কৰি দিলেই অসমলৈ শান্তি আহিব। আনহাতে প্ৰজাঘৰৰ সৰ্বহাৰা শ্ৰেণীটোৱে দুবেলা-দুমুঠি পেটভৰাই খাবলৈ পালেই শান্তি বুলি ভাৱে, মাহৰ পিছত মাহ ধৰি দৰমহা নাপাই শংকিত হৈ পৰা ৰাজ্যখনৰ কৰ্মচাৰীসকলে নিজৰ প্ৰাপ্য দৰমহা কেইটা পালেই যেন শান্তি আহিব বুলি ভাৱে, দিনৰ দিনটো মুৰৰ ঘাম মাটিত পেলাই খেতি কৰা কৃষক কেইজনে উৎপাদিত শস্য সমূহ বজাৰত উচিত মূল্য পালেই শান্তি আহিব বুলি ভাৱে। সঁচাকৈয়ে, অসমত আজি চাৰিওফালে কেৱল অশান্তি। ৰাজ্যখন সুচাৰু ৰূপে পৰিচালনা কৰিবলৈ ৰাইজে বাছি দিয়া প্ৰতিনিধিসকলে বিভিন্ন ধৰণৰ দুৰ্নীতিৰে ৰাজভঁড়াল উদং কৰিছে, যাৰ ফলত ৰাজ্যখনৰ উন্নতি স্থবিৰ হৈ পৰিছে, কৰ্মচাৰীক বেতন দিব পৰা নাই, শিক্ষিত নিবনুৱাক সংস্থাপন দিব পৰা নাই, উদ্যোগবোৰ বন্ধ হৈ যাব লগা হৈছে। এনেদৰেই আজি অসমত অশান্তিৰ সৃষ্টি হৈছে। বৃটিছৰ হাতৰ পৰা ক্ষমতা কাঢ়ি অনা দিনৰ পৰা আজি পৰ্য্যন্ত অসমত হোৱা বিভিন্ন অশান্তিৰ কাৰণসমূহৰ সুক্ষ্ম বিশ্লেষণ যদি কৰা হয় তেন্তে দেখা যাব যে অসমৰ ৰাইজ বিভিন্ন ধৰণৰ প্ৰাপ্য অধিকাৰৰ পৰা বঞ্চিত। বিভিন্ন সময়ত বিভিন্ন সমস্যা সমাধানৰ দাবীত আন্দোলন, সংগ্ৰাম আজি হৈ আহিছে যদিও অসমৰ ৰাইজে কোনো বিশেষ সকাহ পোৱা নাই। বহু সময়ত ৰজাঘৰেও স্বীকাৰ কৰিছে যে প্ৰচলিত এই ৰাষ্ট্ৰ ব্যৱস্থাত ক্ষমতা নাই। গতিকে ৰাজ্যখনৰ গৰিষ্ঠ সংখ্যক জনসাধাৰণৰ সমস্যা সমাধান অবিহনে ৰাজ্যখনলৈ শান্তি অহাটো অসম্ভৱ। ৰজাঘৰে ৰাজ্যখনৰ বিদ্ৰোহী মাৰি নিঃশেষ কৰি শান্তি আনিব বিছৰা ব্যৱস্থা পৰিহাৰ কৰা ভাল। ৰাজ্যখনৰ প্ৰজাঘৰে বিছৰা প্ৰকৃত শান্তি তেতিয়াহে আহিব যেতিয়া অসমৰ জনগণে আত্মনিয়ন্ত্ৰণৰ অধিকাৰ পাব, নিজেই নিজক নিয়ন্ত্ৰণ কৰাৰ অধিকাৰ পাব। নিজৰ সমস্যাসমূহ নিজে সমাধান কৰি ল'ব পৰা অধিকাৰ পাব। নিজৰ সম্পদ সমূহৰ সৎ ব্যৱহাৰ কৰাৰ অধিকাৰ পাব। সেয়ে আহক, আত্মনিয়ন্ত্ৰণৰ অধিকাৰ সাব্যস্ত কৰিবৰ বাবে এক ঐক্যবদ্ধ গণতান্ত্ৰিক সংগ্ৰাম গঢ়ি তোলো ।

— পল্লৱ বৰবৰা

# মতামত

প্ৰিয় সম্পাদক,

অভিনন্দন ও শুভেচ্ছা গ্ৰহণ কৰিব । 'বৰ্তমান'ৰ প্ৰথম সংখ্যা পঢ়িবলৈ নাপালো যদিও ২য় সংখ্যাৰ 'বৰ্তমান' পলমকৈ সংগ্ৰহ কৰি পঢ়িছো । কিয়নো আমাৰ দৰে আৰ্থিকভাৱে পিছপৰা যুৱকবোৰে মাহত নিৰ্দিষ্ট এখন বা দুখন আলোচনীৰ বাহিৰে তৃয় অন্য এখনৰ কথা চিন্তা কৰিব নোৱাৰো । বাৰু যিকি নহওক আলোচনীখনৰ সকলোবোৰ লেখনি সময়োপযোগী হৈছে । গোলাঘাট জিলাৰ দৰে প্ৰচাৰ মাধ্যমত পিচ পৰা অঞ্চলটোত বহুতো প্ৰতিভাবান লেখক-লেখিকা আছে । মোৰ মতে 'বৰ্তমানে' তাৰেই পৰিচয় দিছে ।

**খগেন চন্দ্ৰ বড়ো**, জয়াপথাৰ
চুকিয়াপথাৰ

সম্পাদক ডাঙৰীয়া,

অভিনন্দন গ্ৰহণ কৰিব । আপোনাৰ এই আলোচনীখন মোৰ অতি প্ৰিয় হৈ পৰিছে । মই ভাবো মোৰ দৰে বহুতো পাঠকক 'বৰ্তমানে' আকৰ্ষণ কৰিছে।

আগন্তুক অসমীয়া নৱবৰ্ষৰ শুভেচ্ছা জ্ঞাপন কৰিছো 'বৰ্তমান'ৰ সমূহ কৰ্মীবৃন্দ, সমূহ পাঠক-পাঠিকা, লেখক-লেখিকা, তথা আন সকলো শুভাকাংক্ষীলৈ ।

নতুন বছৰত ভৰি দিয়াৰ লগে লগে 'বৰ্তমান'ৰ জীৱন কালৰো এটা বছৰ আগবাঢ়িল । 'বৰ্তমান'ৰ এই দ্বিতীয় বছৰটো আৰু অধিক জনপ্ৰিয় হোৱাৰ শুভ কামনাৰে ।

**তুলতুল বৰা**
বেঙেনাখোৱা

সম্পাদক মহোদয়,

আপোনালোকৰ দ্বাৰা প্ৰকাশিত 'বৰ্তমান' আলোচনীখনৰ মই এগৰাকী নিয়মীয়া পঢ়ুৱৈ । 'বৰ্তমান' আলোচনীখনৰ প্ৰতিটো লেখনিয়েই অতি মনোমোহা হৈ উঠিছে । বিশেষকৈ এই আলোচনীখনৰ দ্বাৰা আপোনালোকে নবীন লেখাকক অগ্ৰাধিকাৰ দিয়াৰ যি পন্থা হাতত লৈছে সেই লৈ মই অতিশয় সুখী হৈছো । আশা ৰাখিছো নতুন নতুন লেখাকক অগ্ৰাধিকাৰ দি আলোচনীখনৰ মানদণ্ড ভৱিষ্যতলৈও অটুত ৰাখিব ।

**মৰমী বৰা**
দেৰগাঁও

প্ৰিয় সম্পাদক,

আপোনাৰ লগতে মোৰ প্ৰিয় 'বৰ্তমান' আৰু বৰ্তমানৰ সমূহ পাঠক-পাঠিকালৈ অনাগত নতুন বছৰৰ শুভাশীষ নিবেদিলো । 'বৰ্তমান'ৰ দৰে এখন বহু উপযোগী আলোচনীৰ অভাৱ বাৰুকৈয়ে অনুভৱ কৰি আহিছিলো । যিহেতু বৰ্তমানত গ্ৰাম্যজীৱনৰ দুখ-দুৰ্দশাৰ বিশদ বাতৰি, কৃষিজীৱি তথা মাটিৰ মানুহজনৰ কৰ্মক্ষেত্ৰত সন্মুখীন হোৱা অসুবিধাখিনি ইয়াত স্পষ্টকৈ প্ৰকাশ পাইছে । নিৰ্ভীক, নিৰপেক্ষ তথা এচাম মুখাপিন্ধা ভদ্ৰলোকৰ বিৰুদ্ধে দৃঢ়মত প্ৰকাশ কৰিব পৰা মুক্তিকামী, স্পষ্টবাদী আলোচনী 'বৰ্তমানে' সঁচাকৈ এক বলিষ্ঠ পদক্ষেপ ল'ব পাৰিব বুলি মোৰ দৃঢ়বিশ্বাস । ধ্বংসমুখী যুৱ মানসিকতাক সঠিক পথলৈ আনি সমাজত এক নতুন সাম্য, মৈত্ৰী তথা সংহতিৰ ভেটি গঢ়ি তুলিব পাৰিব বুলিও আশা কৰিলো ।

'বৰ্তমানে' ভৱিষ্যতৰ সকলো সপোন দিঠকত ৰূপায়িত কৰক ইয়াৰেই কামনাৰে –

**পুষ্পা দত্ত**
কলেজ তিনিআলি, গোলাঘাট

সম্পাদক মহোদয়,

সশ্ৰদ্ধ নমস্কাৰ আৰু আন্তৰিক অভিনন্দন গ্ৰহণ কৰিব । আপোনাৰ দ্বাৰা সম্পাদিত 'বৰ্তমান' আলোচনীখন পঢ়িবলৈ পাই সুখী হৈছো। আলোচনীখনৰ বলিষ্ঠ সম্পাদকীয় তথা প্ৰতিটো শক্তিশালী শিতানে সকলোৰে মন চুই যাব পাৰিছে তাত সন্দেহ নাই । বৰ্তমান সময়ত বহু ধৰণৰ বহু আলোচনী জন্ম লভি হঠাতে নোহোৱা হৈ যায়। বিশেষকৈ এনেধৰণৰ প্ৰগতিশীল আৰু নিৰ্ভীক আলোচনী বেছি দিন জীয়াই ৰখা বা থকা সম্ভৱ নহয় । তথাপি মোৰ আশা আৰু কামনা 'বৰ্তমান' আলোচনী যেন কেতিয়াও কোনো পৰিস্থিতিতে হেৰাই নাযাওক । স্থানীয় আলোচনী

হিচাপেও এয়া মোৰ অনুৰোধ ।

শেষত আলোচনীখনৰ প্ৰতিজন কৰ্মকৰ্তা আৰু দায়িত্বশীল কেইগৰাকীলৈ কৃতজ্ঞতা যাঁচিলো । 'বৰ্তমান' যাতে অতীতত লীন নগৈ বৰ্তমানৰ দৰেই উজ্বল আৰু জ্যোতিষ্মান হয় । জাগ্ৰত কৰি তোলক সমাজ, দেশ তথা মানুহক ।

অনামিকা দাস
চকৰধৰা, বৰুৱাগাঁও

প্ৰিয় সম্পাদক,

নতুন শতিকাত 'বৰ্তমান'ৰ দৰে আলোচনীৰ জন্ম দিয়াৰ বাবে আপোনাক অভিনন্দন জনালো । একমাত্ৰ নিৰ্ভীক আলোচনী হিচাপে আপোনাৰ প্ৰচেষ্টাই একচেটিয়া মনোযোগ আকৰ্ষণ কৰিছে । আশাকৰো, নতুন লেখক-লেখিকাৰ প্ৰগতিশীল চিন্তাৰ বিকাশ সাধনত আপোনাৰ আলোচনীয়ে সহায় কৰিব । 'বৰ্তমান'ৰ উত্তৰোত্তৰ কামনাৰে –

জ্যোতিস্মিতা বৰা
চুঙাজান ৪ নং ব্লক, চুঙাজান

প্ৰিয় সম্পাদক,

নৱবৰ্ষৰ শুভেচ্ছা গ্ৰহণ কৰিব । মই 'বৰ্তমান'ৰ নিয়মীয়া পঢ়ুৱৈ । আপোনালোকৰ সমন্বয় গোষ্ঠীৰ দ্বাৰা প্ৰকাশিত 'বৰ্তমান'খন পঢ়ি মই বৰ আনন্দিত হৈছো আৰু উপকৃতো হৈছো । আলোচনীখনৰ ৩য় সংখ্যাৰ মনোজ কুমাৰ নাথৰ লেখনিটো পঢ়ি মোৰ ভাল লাগিল আৰু তাৰ পৰা বহুতো নজনা কথা জানিব পাৰিলো। মোৰ দৰে তেখেতৰ লেখনিটো পঢ়ি অনেক পাঠক-পাঠিকা লাভবান হৈছে বুলি মোৰ বিশ্বাস ।

শেষত নতুন শতিকাত নতুন আলোচনী 'বৰ্তমান' খনে ৰাইজৰ মাজত স্থান পাই আহিব বুলি আশা ৰাখিলো আৰু 'বৰ্তমান'ৰ উজ্জ্বল ভৱিষ্যত কামনা কৰি পৰবৰ্তি 'বৰ্তমান' লৈ বাট চাই ৰ'লো ।

দিপাঞ্জলী হাজৰীকা
গাড়ী গাঁও

মাননীয় সম্পাদক মহোদয়,

নমস্কাৰ গ্ৰহণ কৰিব । আপোনাৰ দ্বাৰা প্ৰকাশিত হোৱা অসমীয়া নতুন আলোচনী 'বৰ্তমান'ৰ যোৱা কেইটা সংখ্যা পঢ়ি ভাল লাগিল । 'বৰ্তমান'ৰ দৰে এখন আলোচনীক লৈ মই গৌৰৱ কৰোঁ । 'বৰ্তমানে' সঁচাকৈ বৰ্তমানৰ সমস্যাবোৰ পোনপটীয়াকৈ ডাঙি ধৰাত মই অতিশয় আনন্দিত হৈছো । 'বৰ্তমান'ৰ যোৱা সংখ্যাত প্ৰকাশিত দ্ৰোণকান্ত বড়ীদেৱৰ সৈতে হোৱা সাক্ষাৎকাৰটি পঢ়িবলৈ পাই নথৈ আনন্দিত হৈছো ।

শেষত 'বৰ্তমান'ৰ সকলো কৰ্মকৰ্তালৈ কৃতজ্ঞতা যাঁচি, এই তিনিমহীয়া আলোচনীখনৰ দীৰ্ঘায়ু কামনা কৰিলোঁ ।

উৎপল ঠেঙাল
চাউদাং পথাৰ

সম্পাদক মহোদয়,

মোৰ অভিনন্দন গ্ৰহণ কৰিব । সমন্বয় গোষ্ঠীৰ দ্বাৰা প্ৰকাশিত 'বৰ্তমান'ৰ তৃতীয় সংখ্যাটি পঢ়ি আমোদ পালো । সেয়েহে একলম লিখাৰ লোভ সামৰিব নোৱাৰিলো । বিশেষকৈ, জিতেন্দ্ৰলাল শৰ্মাৰ আৰু মামু হাতীবৰুৱাৰ লিখনি পঢ়ি ভাল লগাৰ লগতে আলোচনীখনিৰ আটাইকেইটি লেখনি পঢ়ি আনন্দিত আৰু লগতে হতাশাগ্ৰস্ত হৈছো । অনুভৱ হৈছে সঁচাকৈয়ে আমাৰ থলুৱা যুৱক-যুৱতীসকল প্ৰতি ক্ষেত্ৰতে নিৰাশ হ'ব লগীয়া হৈছে । এনে হৈ থাকিলে হয়তো যুৱক-যুৱতীসকল এসময়ত অতি নিষ্ঠুৰ হৈ পৰিব ।

শেষত 'বৰ্তমান'ৰ উজ্বল ভৱিষ্যত কামনা কৰি শ্ৰদ্ধাৰে সামৰিছো ।

ঠগিৰাম বৰা
১ নং পুষ্পবন

সম্পাদক ডাঙৰীয়া,

নমস্কাৰ গ্ৰহণ কৰিব । আপোনাৰ সম্পাদনাত সমন্বয় গোষ্ঠীৰ দ্বাৰা প্ৰকাশিত 'বৰ্তমান' আলোচনীৰ তিনিওটা সংখ্যা পঢ়িলো । আলোচনীখনে যে বহুত নতুনত্ব কঢ়িয়াই আনিছে সেই কথা নিশ্চয় কোৱাৰ প্ৰয়োজন নাই । প্ৰতিভাসম্পন্ন অপ্ৰতিষ্ঠিত লেখক চামৰ লেখনিত নিপীড়িত জনগণৰ ক্ষোভবোৰ প্ৰকাশত সহায়ক হোৱাৰ লগতে দিল্লী দিছপুৰৰ শোষণ-লুণ্ঠনৰ বিৰুদ্ধে জাতীয় মুক্তি সংগ্ৰামখনক আপোচবিহীনভাৱে আগুৱাই নিয়াত 'বৰ্তমান' আলোচনীখনে উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰিব বুলি ধাৰণা হৈছে ।

আশা কৰিছো নিৰ্ভীক আলোচনী 'বৰ্তমান'ক কোনো কাৰণতে ৰাষ্ট্ৰযন্ত্ৰই স্তব্ধ কৰিব নোৱাৰিব ।

আলোচনীখনৰ ২য় আৰু ৩য় সংখ্যাৰ বেটুপাত তাৎপৰ্যপূৰ্ণ হৈছে ।

শেষত 'বৰ্তমান'ৰ দীৰ্ঘায়ু কামনাৰে –

ৰক্তিম ৰাজকোঁৱৰ
হাবিছোৱা, বৰপথাৰ

# সাৱধান, নিৰ্বাচন আহি আছে

— ডম্বৰু সোনোৱাল

"ভোট দিবৰ সময়ত এনেদৰে চিন্তা কৰি দিবা যাতে গোটেই নিৰ্বাচনটো তোমাৰ সেই এটা মাত্ৰ ভোটৰ ওপৰতে নিৰ্ভৰ কৰিছে, আৰু গোটেই পাৰ্লিয়ামেন্টৰ লগতে জাতিটোৰো ভাগ্য নিৰ্ভৰ কৰিছে তুমি সমৰ্থন কৰিবলৈ লোৱা সেই একেজন মানুহৰ ওপৰত।" ১৭৪৮ চনত জন ওৱেলেচলীয়ে ইংলেণ্ডৰ নাগৰিক সকলক এনেদৰে উপদেশ দিছিল। অসম বিধান সভাৰ নিৰ্বাচনলৈও আৰু বেছি দিন নাই। অসমতো হ'ব ইংলেণ্ডৰ দৰে গণতান্ত্ৰিক নিৰ্বাচন। কিন্তু অসমৰ আগন্তুক নিৰ্বাচন সম্পৰ্কে কোনে উপদেশ দিব ! ক্ষমতালাভৰ যুঁজত অৱতীৰ্ণ অসম বিধান সভাৰ প্ৰাৰ্থীসকল এতিয়া নিতৌ একোটা কৌশল আৱিষ্কাৰৰ কাৰণে ব্যস্ত। বিৰোধী দলক পৰাজিত কৰি গাদী পোৱাৰ আশাত ৰাইজৰ আগত পৰিকল্পিত ভুৱা প্ৰতিশ্ৰুতি দি সংখ্যাগৰিষ্ঠ জনমত গঢ়াতেই মনপুতি কাম কৰিব লাগিছে প্ৰাৰ্থীসকলে। গাঁৱে-ভূঞে, চহৰে-নগৰে এতিয়া মাত্ৰ নিৰ্বাচনৰ কুচ্‌কাৱাজ। কোনোৱে দলীয় আদৰ্শৰ অভাৱত দল ত্যাগ কৰি অন্য দলত যোগ দিয়াৰ সিদ্ধান্ত কৰিছে, কোনোৱে ক্ষমতাৰ আশাত দল বাগৰিছে, কোনোৱে আকৌ বিসম্বাদী যুঁজেৰে তৃণমূল পৰ্য্যায়ৰ দল গঠন কৰিছে।

এতিয়া কথা হ'ল, আগন্তুক অসম বিধান সভাৰ নিৰ্বাচনত আপুনি কাক ভোট দিব ? ধৰি ল'লো, নিজৰ ৰাজনৈতিক আদৰ্শ আৰু বিচাৰ-বুদ্ধি অনুযায়ী আপুনি দলটো ঠিক কৰি ল'লে, কিন্তু আপোনাৰ পছন্দৰ ৰাজনৈতিক দলটোৰ প্ৰাৰ্থীজন যদি অতি স্বাৰ্থপৰ, সুবিধাবাদী আৰু অসৎ হয়, যদি তেওঁৰ প্ৰতিদ্বন্দ্বীজন আপোনাৰ বিচাৰত আদৰ্শ চৰিত্ৰৰ মানুহ হয়,তেতিয়া কি কৰিব ? দলীয় আদৰ্শক বেছি গুৰুত্ব দিবনে প্ৰাৰ্থীজনক বেছি গুৰুত্ব দিব ? দলৰ আদৰ্শৰ প্ৰতি আকৰ্ষিত হৈ আপুনি দলটোৰ হাতত ক্ষমতা তুলি দিবনে সৎ চৰিত্ৰ আৰু নৈতিক মূল্যবোধৰ ওপৰত ভিত্তি কৰি প্ৰাৰ্থীজনৰ হাতত ক্ষমতা তুলি দিব ?

এনেকুৱা কিছুমান প্ৰশ্নৰ হঠাৎ পোনপটীয়া সমাধান পোৱা নাযায় যদিও আমি নিজৰ বিবেচনাৰ দ্বাৰা কথাবোৰ বিশ্লেষণ কৰি চাব লাগিব। নিৰ্বাচনৰ সময়ত ভোটদাতাসকলে নিজৰ স্বাধীন বিচাৰ-বুদ্ধি প্ৰয়োগ কৰি ভোট দিব লাগে। ইয়াৰো উপৰি ৰাজনীতিৰ ইতিহাসত ৰাজনৈতিক দলসমূহৰ আৰু প্ৰাৰ্থীসকলৰ দক্ষতা বিচাৰ কৰি চাব লাগিব। স্বাধীনোত্তৰ সময়ত গণতন্ত্ৰই মানুহৰ মনত যি বিপুল আশা আৰু আৱেগ জগাই তুলিছিল, স্বাধীনতাৰ তেপন্নটা বছৰৰ বাস্তৱ অভিজ্ঞতাৰ পিছত সেই আশা আৰু আৱেগ নোহোৱা কৰি পেলাইছে। স্বাধীনতাৰ পিছৰ ত্ৰিশটা বছৰ কেন্দ্ৰত একেৰাহে কংগ্ৰেছ দলে চৰকাৰ গঠন কৰি একনায়কত্ববাদ প্ৰতিষ্ঠা কৰাৰ চেষ্টা চলাওঁতেই দেশৰ দৰিদ্ৰ আৰু নিৰক্ষৰ জনতাই সেই চেষ্টা ব্যৰ্থ কৰি দি গণতন্ত্ৰক ৰক্ষা কৰিলে। কংগ্ৰেছে সংখ্যাগৰিষ্ঠতা বিছাৰিছিল দৰিদ্ৰতা দূৰ কৰা আৰু দেশত সমাজবাদ প্ৰতিষ্ঠা কৰিবৰ কাৰণে, সেয়ে দেশৰ জনসাধাৰণে প্ৰৱল জনমতেৰে কংগ্ৰেছ দলৰ হাতত ক্ষমতা তুলি দিছিল, কিন্তু তাক প্ৰযোগ কৰা হ'ল একনায়কত্ববাদ স্থাপন কৰাৰ উদ্দেশ্যত। ইয়াৰ কাৰণ আছিল এয়ে যে, কংগ্ৰেছৰ ইস্তাহাৰত ৰাইজে যিমান গুৰুত্ব দিছিল, কংগ্ৰেছ প্ৰাৰ্থীসকলৰ ব্যক্তিগত গুণাগুণৰ ওপৰত সিমান গুৰুত্ব দিয়া নাছিল। অসমৰ প্ৰয়াত মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়াৰ নেতৃত্বত ক্ষমতালৈ অহা অসম কংগ্ৰেছ চৰকাৰৰ প্ৰাৰ্থীসকলো ব্যক্তিগত স্বাৰ্থজড়িত কামৰ বাহিৰে অন্য কোনো কাৰ্যসূচীত যোগ

দিয়া নাছিল। লুট-পাতেৰে আৰু জাতিৰ অস্তিত্বক হত্যা কৰি ক্ষমতা চলাই যোৱাৰ বাহিৰে অন্য কোনো ন্যায়িক জন সমৰ্থনমূলক কাম কৰা নাছিল। অৱশ্যে ৰাইজৰ ওচৰত ১৯৯৬ চনৰ বিধান সভাৰ নিৰ্বাচনত পাপৰ প্ৰায়শ্চিত্ত হ'ব লগা হ'ল। অহা নিৰ্বাচনৰ বাবে ৰাইজে অতীতক অনুশীলন কৰক। অতীতৰ ভুলৰ পৰা আমি সকলোৱেই শিক্ষা আহৰণ কৰা উচিত।

প্ৰবল জনসমৰ্থনত অসমৰ ৰাজনীতিৰ ক্ষমতালৈ অহা 'অসম গণ পৰিষদ' চৰকাৰেও অৱশেষত ৰাইজক প্ৰতাৰণা কৰিলে । ইয়াতো দলীয় আদৰ্শৰ প্ৰতি যিমান গুৰুত্ব দিয়া হৈছিল, প্ৰাৰ্থীসকলৰ সৎ নৈতিক মূল্যবোধৰ ওপৰত সিমান গুৰুত্ব দিয়া নাছিল। ৰাজনৈতিক চৰিত্ৰতে ঘৃণা ওপজা অসম গণ পৰিষদ দলৰ প্ৰাৰ্থীসকলৰ নীচ আদৰ্শই চূড়ান্ত পৰ্য্যায় পালেগৈ । অসম গণ পৰিষদ চৰকাৰৰ ক্ষমতাস্থিত মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্তই 'ক্ষমতা'ৰ বাহিৰে একো বুজি নোপোৱা হ'ল, তেওঁৰ চিন্তা-চৰ্চাত বা কাৰ্য্যসূচীত এতিয়া দ্বিতীয় কোনো শব্দই অগ্ৰাধিকাৰ নাপায় । ক্ষমতাৰ লালসাই উন্মাদ কৰি তোলা মানুহজন এতিয়া সমগ্ৰ জাতিটোৰ বাবেই ভয়ংকৰ হৈ উঠিছে, অথচ মহন্তক ক্ষমতাচ্যুত কৰিবৰ বাবে আজিও সু-সংগঠিত ৰূপত গঢ়ি উঠা নাই কোনো ধৰণৰ গণ আন্দোলন । অৱশ্যে আগন্তুক নিৰ্বাচনতেই ৰাইজে গণতান্ত্ৰিকভাৱে শিক্ষা দিবলৈ অপেক্ষা কৰি আছে । সৌ সিদিনা বিদেশী বহিস্কাৰৰ দাবীত টেটুফালি চিঞৰা মহন্তই আজি বিদেশীৰ দৰে ব্যৱহাৰ কৰিছে অসমীয়াক, অথচ নগাঁৱৰ বাংলাদেশী মানুহখিনিয়ে আজিও হাঁহি মনেৰেই বাস কৰি আছে (অন্য ঠাইৰ কথাটো বাদেই) । মাত্ৰ ভোট বেংক হিচাপে ব্যৱহাৰ কৰি পোহপাল দিয়া হৈছে সেই মানুহখিনিক । এইটো নক'লেও হ'ব যে, অবৈধ বিদেশীৰ প্ৰব্ৰজন হৈ থকাটো কোনোৱে সহ্য কৰিব নোৱাৰে । হিতেশ্বৰ শইকীয়াৰ জাতিধ্বংসী অভিযানৰ থলুৱা নেতৃত্বক সূচাৰু ৰূপে বহন কৰিলে প্ৰফুল্ল মহন্তই। মহন্তৰ অনুগত ভাৰতীয় সেনাই নিতৌ হত্যা কৰিছে নিৰপৰাধী যুৱকক, ধৰ্ষিতা হৈছে অসমীয়া জীয়ৰী-বোৱাৰী । ৰাইজৰ দৃষ্টিত এতিয়া প্ৰফুল্ল মহন্ত হত্যাকাৰী অন্যহাতে মানুহৰ চকুত ধুলি দি এমুঠি হালধীয়া সাংবাদিক-বুদ্ধিজীৱিয়ে বৰ কৌশলেৰে ফেচিষ্ট মহন্তৰ ত্ৰাণকৰ্তাৰ ভূমিকাত অৱতীৰ্ণ হৈ ধৰা নপৰাকৈ মানুহৰ পৰা গামোছা, ফুলৰ মালা আদায় কৰি নিৰপেক্ষ হৈ থাকে । এই সকলকো চিনি উলিয়াই উচিত শাস্তি দিয়াৰ সুযোগ আনি দিছে আসন্ন নিৰ্বাচনে । নিজৰ দলটোক আৰু লগতে ৰাজ্যিক প্ৰশাসনক ব্যক্তিগত সম্পত্তিৰ দৰে ব্যৱহাৰ কৰা মহন্তক আৰু মহন্তৰ দৰে ফেচিষ্ট নেতাক আজি আৰু কোনেও ৰক্ষা কৰিব নোৱাৰে । ধ্বংসৰ পথেদি অগ্ৰসৰ হোৱাৰ বাহিৰে তেওঁৰ আন একো গত্যন্তৰ নাই ! ৰাইজে মাথো প্ৰতিবাদৰ ভাষা আয়ত্ত কৰক, হতাশাৰ কোনো প্ৰয়োজন নাই । মহন্তৰ দৰে মানুহক প্ৰাৰ্থীত্ব প্ৰদান কৰা অসম গণ পৰিষদ দলৰ সেই পাপৰ প্ৰায়শ্চিত্ত নকৰালৈকে অহা নিৰ্বাচনত ক্ষমা নাই ।

এতিয়া আমি এইটোকে ক'ব পাৰো যে এটা নতুন বিকল্প চৰকাৰ গঠন কৰাটো যিমান প্ৰয়োজনীয় কথা, নতুন মূল্যবোধ সৃষ্টি কৰা আৰু পুৰণি সৎ-মূল্যবোধবোৰৰ পুনৰোদ্ধাৰ কৰাটোও ঠিক সিমানেই প্ৰয়োজনীয় কথা । ভোট দিবৰ সময়ত কেৱল ৰাজনৈতিক দল বা আদৰ্শই একমাত্ৰ বিচাৰ্য্য বিষয় হোৱা উচিত নহয় । ৰাজনৈতিক আদৰ্শৰ লগতে প্ৰাৰ্থীজনৰ ব্যক্তিগত নৈতিক চৰিত্ৰ আৰু ৰাজনৈতিক চৰিত্ৰও বিচাৰ কৰি চাব লাগিব । মানুহৰ সমষ্টিৰ দ্বাৰাহে দল গঠন হয়। যদি দলৰ প্ৰায়বোৰ প্ৰাৰ্থী দুৰ্নীতিপৰায়ণ, অসাধু ব্যক্তি হয়, তেন্তে তেনেকুৱা দলৰ আদৰ্শ যিয়ে নহওক, সেইদলৰ হাতত ক্ষমতা তুলি দি ৰাইজে কেতিয়াও শান্তিবোধ কৰিব নোৱাৰিব । কোনো এজন প্ৰাৰ্থীৰ দলৰ প্ৰতি আনুগত্যৰ ভিত্তি হোৱা উচিত তেওঁৰ গভীৰ আৰু দৃঢ় ৰাজনৈতিক বিশ্বাস, ৰাজনৈতিক দৰ্শন আৰু তাৰ বাবে তেওঁ সৰ্বস্ব পণ কৰিব পৰাটোৱেই তেওঁৰ ৰাজনৈতিক চৰিত্ৰৰ গুণ ।

এইখিনিতে কৈ থোৱা ভাল হ'ব যে এসময়ত অসমৰ ৰাইজৰ সপোন বাস্তৱায়িত কৰিব বিচৰা জনতা

OKDISCD

দলৰ এতিয়া সৎ আদৰ্শৰ নেতাৰ অভাৱত ক্ষমতালৈ অহাৰ শক্তি হেৰুৱাই পেলাইছে । দলৰ ক্ষমতা হেৰাই যোৱাৰ সম্ভাৱনাই দেখা দিয়াৰ সময়ত ডুবিব খোজা নাৱঁৰ নিগনিয়ে টৰা-নৰা ছিঙি পলোৱাৰ দৰে দলত্যাগ কৰি অন্য দলৰ টিকট লৈ প্ৰাৰ্থীত্ব গ্ৰহণ কৰা জনতা দলৰ নেতাসকলকো এইবাৰ এশিকনি দিব লাগিব । অন্যহাতে জয়ন্ত ৰংপি (কাৰ্বি আংলং) হঁতৰ দৰে ক্ষমতালৈ আহি বহু লাখ টকীয়া ঘৰ-সম্পত্তিৰ অধিকাৰী হোৱা 'কমিউনিষ্ট' দলৰ নেতাকো আমাক নেলাগে । ভাৰতীয় জনতা পাৰ্টিৰ কেন্দ্ৰীভূত বাণিজ্যিক নিয়ন্ত্ৰণৰ কথাতো অসমৰ ৰাইজৰ বাবে কিমান সংকটজনক সেই কথা কেন্দ্ৰত ক্ষমতাধিষ্ঠিত চৰকাৰৰ কাৰ্য্যকালৰ পৰা ৰাইজে নিশ্চয় বুজিব পাৰিছে । মুঠৰ ওপৰত ৰাজনীতিক নিৰ্মল আৰু পবিত্ৰ কৰি তুলিবৰ কাৰণে অহা নিৰ্বাচনক এটা ডাঙৰ সুযোগ বুলি ৰাইজে গ্ৰহণ কৰিব লাগিব । সেই উদ্দেশ্যে কংগ্ৰেছ, জনতা, অগপ, বিজেপি, কমিউনিষ্ট যি দলৰেই প্ৰাৰ্থী নহওক কিয়, সকলো সুবিধাবাদী আৰু দুৰ্নীতিপৰায়ণ মানুহক নিৰ্বাচনত পৰাস্ত কৰিব লাগিব । যিবোৰ ৰাজনৈতিক দলে জানি-শুনিও তেনে অসৎ মানুহক প্ৰাৰ্থী হিচাপে থিয় কৰায়, সেইবোৰ দলকো এটা উচিত শিক্ষা দিব লাগিব ।

ওপৰোক্ত আলোচনাৰ পৰা এইটো স্পষ্ট যে বিকল্প চৰকাৰ এখন গঠন কৰাৰ ওপৰত যিমান গুৰুত্ব দিয়া হয়, আৰ্থ-সামাজিক উন্নতিৰ বাবে এটা বিকল্প চিন্তা কৰাৰ ওপৰত বেছি গুৰুত্ব দিয়া উচিত । অলপ উভতি চালেই দেখা পাম যে ১৯৮৩ চনৰ গণ আন্দোলনৰ ফলশ্ৰুতিত অসমৰ জনসাধাৰণে ৰাজনৈতিকভাৱে বিকল্প চিন্তা কৰি '৮৫ চনত প্ৰৱল জনমতেৰে জাতীয় আঞ্চলিক চৰকাৰ হিচাপে অসমৰ ৰাজনীতিৰ মঞ্চত নিক্ষেপ কৰিলে অগপ দলক । তাৰ পাছত এই চৰকাৰৰ বিশেষ অগ্ৰগতি নেদেখি পিছৰ নিৰ্বাচনত ৰাইজে আকৌ বিকল্প চিন্তা কৰিলে । শাসনলৈ আহিল কংগ্ৰেছ দল, কংগ্ৰেছ চৰকাৰৰ কাৰ্য্যপন্থাই ৰাইজক খুউব সোনকালেই অসন্তুষ্ট কৰি তোলাত পুনৰ জাতীয় আঞ্চলিকতাবাদী দল অগপৰ হাতত ক্ষমতা তুলি দিলে । এইদৰেই সংসদীয় গণতন্ত্ৰৰ বিকল্প চিন্তা কৰি অহা হৈছে । কিন্তু এই সংসদীয় ৰাজনীতিৰ বিকল্প চিন্তাৰ পৰা আমাৰ কি লাভ হৈছে ? কোনোখন চৰকাৰেই এতিয়ালৈকে ৰাইজৰ আগত দিয়া প্ৰতিশ্ৰুতি ৰক্ষা কৰিব পৰা নাই । কোনো চৰকাৰেই ৰাইজৰ সৎ দায়িত্ববোধ পালন কৰাত ব্যৰ্থ হৈছে । ৰাজনৈতিক সৎ আদৰ্শৰ অভাৱতেই হওক বা সৎ নৈতিক চৰিত্ৰৰ অভাৱতেই হওক, কোনো দলেই অসমৰ ৰাইজৰ আশা পূৰণ কৰিব নোৱাৰে । মাত্ৰ হত্যা, হিংসা, শোষণ, লুণ্ঠন আদিৰ দৰে জঘণ্য কাণ্ডবোৰ ৰাইজে নত শিৰে মূৰ পাতি ল'ব লগা হৈছে । এতিয়ালৈকে গঠন হোৱা চৰকাৰ সমূহৰ 'ক্ষমতা' বস্তুটোৰ বাহিৰে একো উজ্জ্বল ৰূপত দেখা পোৱা নাই। সেয়ে এইবাৰ ৰাইজে অন্য এক বিকল্পৰ কথা চিন্তা কৰা উচিত । আমি ক'বলৈ বিচৰা বিকল্পৰ অৰ্থ এইটো নহয় যে এখন চৰকাৰৰ বিপৰীতে একে নীতিৰে পৰিচালিত অন্য এখন চৰকাৰৰ পোষকতা কৰিব বিচাৰিছো । বিকল্প মানে এটাৰ বিপৰীতে আনটো। যিদৰে আণ্ঠা আৰু গাখীৰ বৰণৰ লগতে ইয়াৰ গুণগত ধৰ্মও বিপৰীত, তেনে এক বিপৰীতধৰ্মী বিকল্পৰ কথাহে ক'ব বিচাৰিছো। যিটো বিকল্প চিন্তা কৰিলে সম্প্ৰতি অসমৰ কংক্ৰীট পুঁজিবাদী সমাজ ব্যৱস্থাৰ পৰিবৰ্তন হ'ব। আমি আমাৰ সমাজ ব্যৱস্থাৰ উন্নতি কামনা কৰো, তাৰমানে পৰিবৰ্তন বিচাৰো । আৰ্থ-সামাজিক অথবা আৰ্থ-ৰাজনৈতিক ব্যৱস্থাৰ পৰিবৰ্তন বিচাৰিলে নিশ্চয় প্ৰচলিত ধ্যান-ধাৰণাৰ বিপৰীতে অন্য এক বস্তুবাদী ধ্যান ধাৰণাৰ পোষকতা কৰিব লাগিব । ইতিহাসেও আমাক দেখুৱাই গৈছে পুৰণি সমাজ ব্যৱস্থাৰ পৰিবৰ্তন হ'বলৈ হ'লে পুৰণি নীতি-আদৰ্শ ত্যাগ কৰি নতুন বাস্তৱবাদী চিন্তাৰে সংগ্ৰাম, বিপ্লৱ আদি কৰিব লাগিব । সংসদীয় ৰাজনীতিৰ দ্বাৰা সমাজৰ পৰিবৰ্তন হোৱা অসম্ভৱ । ইয়াৰ সম্পূৰ্ণ বিপৰীতধৰ্মী যুক্তি আৰু দৰ্শনৰ দ্বাৰা পৰিপুষ্ট বিপ্লৱী ৰাজনীতিৰেহে সমাজৰ পৰিবৰ্তন হোৱা সম্ভৱ ।

সেয়েহে আসন্ন নিৰ্বাচনত তেনে এক 'বিকল্প' ৰাইজৰ এটা লক্ষ্য হোৱা উচিত । ●●

# হায় স্বাধীনতা !

— প্ৰশান্ত কুমাৰ বৰা

হে অসমবাসী, সশ্ৰদ্ধ প্ৰণাম ! আপোনালোকক হয়তো আৰু অসমৰ পৰিস্থিতি সম্পৰ্কে নতুনকৈ পৰিচয় কৰি দিয়াৰ কোনো প্ৰয়োজন নাই। অসম আজি এক জ্বলন্ত অগ্নিপিণ্ড। বিশ্বৰ বৃহৎ সাৰ্বভৌম গণতান্ত্ৰিক (?) ৰাষ্ট্ৰ ভাৰতবৰ্ষৰ এখন অবিচ্ছেদ্য অংগৰাজ্য হিছাপে অসমৰ জনসাধাৰণে কোনোদিন স্বাধীনভাৱে মাতমতাৰ, বসবাস কৰাৰ অধিকাৰ পাইছেনে ? নিশ্চয় নাইপোৱা। তেন্তে আমি নিজকে স্বাধীন বুলি কওঁ কিয় ? কিয় কওঁ "১৯৪৭ চনৰ ১৫ আগষ্টত আমাৰদেশ স্বাধীন হৈছিল" বুলি ? হয়, স্বাধীন হৈছিল। কিন্তু দেশ স্বাধীন হোৱা নাছিল। স্বাধীন হৈছিল ভাৰত ৰাষ্ট্ৰক প্ৰতিনিধিত্ব কৰা এক শ্ৰেণীৰ দালাল, যি সকলে আজি ৰাইজৰ তেজ শুহি মহা ধুমধামেৰে স্বাধীনতা দিৱস, গণৰাজ্য দিৱস উদ্‌যাপন কৰে। তৃতীয় বিশ্বৰ এখন দুখীয়া দেশ ভাৰতে নিজৰ স্বাধীনতা দিৱস উদ্‌যাপনত যিমান টকা খৰচ কৰে, প্ৰথম বিশ্বৰ এখন ধনী দেশ আমেৰিকা যুক্তৰাষ্ট্ৰইও নিজৰ স্বাধীনতা দিৱস উদ্‌যাপনত সিমান টকা খৰচ নকৰে। এয়াই আমাৰ দেশৰ মিতব্যয়তাৰ নমুনা ? আহকচোন ঘুৰি চাওঁ যোৱা স্বাধীনতা দিৱসলৈ।

কিয় কওঁ "১৯৪৭ চনৰ ১৫ আগষ্টত আমাৰদেশ স্বাধীন হৈছিল" বুলি ? হয়, স্বাধীন হৈছিল। কিন্তু দেশ স্বাধীন হোৱা নাছিল। স্বাধীন হৈছিল ভাৰত ৰাষ্ট্ৰক প্ৰতিনিধিত্ব কৰা এক শ্ৰেণীৰ দালাল, যি সকলে আজি ৰাইজৰ তেজ শুহি মহা ধুমধামেৰে স্বাধীনতা দিৱস, গণৰাজ্য দিৱস উদ্‌যাপন কৰে। তৃতীয় বিশ্বৰ এখন দুখীয়া দেশ ভাৰতে নিজৰ স্বাধীনতা দিৱস উদ্‌যাপনত যিমান টকা খৰচ কৰে, প্ৰথম বিশ্বৰ এখন ধনী দেশ আমেৰিকা যুক্তৰাষ্ট্ৰইও নিজৰ স্বাধীনতা দিৱস উদ্‌যাপনত সিমান টকা খৰচ নকৰে। এয়াই আমাৰ দেশৰ মিতব্যয়তাৰ নমুনা?

১৫ আগষ্ট, ২০০০। আমাৰ দেশৰ (?) স্বাধীনতাৰ তেৰন্নতম বাৰ্ষিকী। চৌদিশে যুদ্ধসদৃশ তৎপৰতা। গাড়ীয়ে পুলিচ, সেনাবাহিনীৰ জোৱান চি. আৰ. পি. এফৰ ফ্লেগমাৰ্চ, নিছিদ্ৰ তালাচী। কাশ্মীৰ সীমান্তত উগ্ৰপন্থীৰ ভাবুকি, উত্তৰ-পূৰত স্বাধীনতা দিৱস বৰ্জনৰ আহবান, মধ্য ভাৰতত নক্সালপন্থীৰ আতঙ্ক, দাক্ষিণাত্যৰ বীৰাপ্পানৰ দৌৰাত্ম্য, এল. টি. টি. ই., আই. এচ. আই. আদি বিদ্ৰোহী গোটৰ অবাঞ্চিত কাৰ্য্যাৱলীৰ আশঙ্কা লৈ সমগ্ৰ দেশতে স্বাধীনতা দিৱসৰ আয়োজন! হাজাৰ হাজাৰ স্থল সেনা, বায়ু সেনাৰ নিছিদ্ৰ পহৰাৰ মাজত লাখ লাখ টকা ব্যয় কৰি ঐতিহাসিক লালকিল্লাৰ প্ৰচীৰ মঞ্চৰ পৰা ত্ৰিৰংগ পতাকা উত্তোলন কৰি প্ৰধানমন্ত্ৰীৰ ভাষণ, জনসাধাৰণক আভুৱা ভৰাৰ ব্যৰ্থ প্ৰয়াস। যি সময়ত দেশৰ একাংশ জনগণে খাদ্যৰ অভাৱত দুবেলা দুমুঠি ভাতৰ কাৰণে কান্দি দবলগীয়া হৈছে, চৰকাৰী কৰ্মচাৰীয়ে মাহৰ পিছত মাহ দৰমহা নাপাই দিন হাজিৰা কৰিবলগীয়া হৈছে, পেটত টঙালি বান্ধিব লগীয়া হৈছে, সেই সময়ত লাখ লাখ টকা ব্যয় কৰি ৰাজধানীয়ে ৰাজধানীয়ে, জিলাৰ সদৰে-সদৰে,

মহকুমাৰ সদৰে সদৰে, স্বাধীনতা দিৱস পাতি ৰাজহুৱা ধনৰ চৰম অপব্যয় কৰাৰ অধিকাৰ এইচাম মহান দেশপ্ৰেমিকে (?) ক'ত পালে ? জনসাধাৰণৰ ন্যূনতম মৌলিক প্ৰয়োজনখিনিও পূৰাবলৈ অসমৰ্থ চৰকাৰৰ শাসনাধীন এখন দেশত স্বাধীনতা দিৱস পাতি চৰকাৰৰ ঢাক-ঢোল বজোৱাৰ বাদে আৰু একো কাম নাই। কোনে কয়, আজি ভাৰতত গণতন্ত্ৰ চলিছে বুলি? কোনে কয়, আজি ভাৰতত ৰাইজেই ৰজাবুলি?? মিছা কথা, আজি ভাৰতত গণতন্ত্ৰ চলা নাই, আজি ভাৰতত ৰাইজেই ৰজা নহয়। আজি ভাৰতত চলিছে দালালৰ ৰাজত্ব, দালালতন্ত্ৰ। চৰম দালালতন্ত্ৰ ! গণতন্ত্ৰৰ ভেটিত কুঠাৰাঘাত !! আজিৰ ভাৰতীয়ই গণতন্ত্ৰৰ পূণৰ মুল্যায়ন কৰাৰ সময় সমাগত ।

এইবাৰ আহোঁ অসমৰ প্ৰসংগলৈ, উত্তৰ-পূৰ্বৰ প্ৰসংগলৈ। আজি উত্তৰ-পূৰ্বৰ ৰাইজে পালন কৰিছে প্ৰতাৰণাৰ তেৰন্নতম বাৰ্ষিকী, 'প্ৰতাৰণা দিৱস'। সচাঁকৈয়ে এই কথা চৰম সত্য যে যোৱা তেৰন্ন বছৰ ধৰি কেন্দ্ৰই উত্তৰ-পূবক অকল প্ৰতাৰণাই কৰি আহিছে। ১৫ আগষ্ট, ১৯৪৭ ত অসম স্বাধীন নহ'ল, মাত্ৰ ক্ষমতাহে হস্তান্তৰ হ'ল। শোষণ, উৎপীড়ন, হিংসা, দ্বেষ আগৰ দৰেই চলি থাকিল, বৰং আগতকৈ এখোপ চৰিলহে । নতুন শাসক গোষ্ঠীটোৱে নিজৰ শোষণ কাৰ্য্য বাধাহীন কৰি তুলিবৰ বাবে যুগ-যুগ ধৰি একতাৰ দোলেৰে বান্ধ খাই থকা সুবিস্তীৰ্ণ বৰ অসমক খণ্ড খণ্ডকৈ কাটি পেলালে। হলা গছত বাগী কুঠাৰ মৰাৰ দৰে প্ৰতিখন দুৰ্বল ৰাজ্যৰ পৰা আৰম্ভ কৰিলে শোষণ, নতুন নিৰিখত। জনসাধাৰণ বিভিন্ন সংস্থা আদিৰ তৰফৰ পৰা বাৰম্বাৰ কেন্দ্ৰীয় চৰকাৰৰ এনে উপনিৱেশবাদী নীতি প্ৰত্যাহাৰৰ দাবী জনাই অহা হ'ল, কিন্তু সকলো অৰণ্যৰোদন। এনেদৰেই প্ৰতাৰিত হ'ল উত্তৰ-পূৰ্বৰ জনগণ। আমি আগতে আছিলো বৃটিছ উপনিবেশবাদৰ অধীনত, এতিয়া আছো ভাৰতীয় উপনিবেশবাদৰ অধীনত। তেতিয়া আমি পৰধীন আছিলো, এতিয়াও পৰাধীন। যি অঞ্চলৰ জনসাধাৰণৰ মানুহ হিছাপে জীয়াই থকাৰ অধিকাৰ নাই, শত্ৰুৰ বিপক্ষে যুঁজাৰ দৰে স্বয়ং ভাৰতীয় পুলিচ বাহিনী, সেনাবাহিনীয়ে নিৰীহ অত্যাচাৰ চলাই, সেই অঞ্চল জানো স্বাধীন ? সেই অঞ্চলৰ বাসিন্দাসকল জানো স্বাধীন নাগৰিক ?? আমাৰ উত্তৰ-পূৰ্বৰ বিদ্ৰোহী গোটসমূহে প্ৰতিবছৰৰ দৰে এইবছৰো আহবান জনালে স্বাধীনতা দিৱস বৰ্জ্জনৰ, সৰ্বাত্মক বন্ধৰ। তেওঁলোকৰ এই আহবানৰ প্ৰতিজন সাধাৰণৰ সঁহাৰিয়ে কি সূচায় ? ভাৰত ৰাষ্ট্ৰই পাহৰি নাযাওক, উত্তৰ-পূৰ্বৰ জনসাধাৰণৰ মাজত আজি জাতীয় চেতনা জাগ্ৰত হৈছে। যেতিয়া এদিন তাৰ বহিঃ প্ৰকাশ ঘটিব, তেতিয়া অচিৰেই উত্তৰ-পূৰ্বৰ জনগণ ৰাজপথলৈ ওলাই আহিব, অহিংসাৰ মন্ত্ৰেৰে দ্বিতীয় স্বাধীনতা সংগ্ৰাম কৰিবলৈ । ইমান দিনে ৰাষ্ট্ৰযন্ত্ৰই প্ৰত্যক্ষ্যভাৱে বা পৰোক্ষভাৱে, হিংস্ৰতাক দোহাই দি আমাৰ সহোদৰসকলৰ ওপৰত আক্ৰমণ চলাইছিল, কিন্তু এতিয়া কাৰ ওপৰত আক্ৰমণ চলাব ? কিমান পৰাগ, স্বাধীনতাক হত্যা কৰিব । ●●

**যি অঞ্চলৰ জনসাধাৰণৰ মানুহ হিছাপে জীয়াই থকাৰ অধিকাৰ নাই, শত্ৰুৰ বিপক্ষে যুঁজাৰ দৰে স্বয়ং ভাৰতীয় পুলিচ বাহিনী, সেনাবাহিনীয়ে নিৰীহ অত্যাচাৰ চলাই, সেই অঞ্চল জানো স্বাধীন ? সেই অঞ্চলৰ বাসিন্দাসকল জানো স্বাধীন নাগৰিক ?? আমাৰ উত্তৰ-পূৰ্বৰ বিদ্ৰোহী গোটসমূহে প্ৰতিবছৰৰ দৰে এইবছৰো আহবান জনালে স্বাধীনতা দিৱস বৰ্জ্জনৰ, সৰ্বাত্মক বন্ধৰ। তেওঁলোকৰ এই আহবানৰ প্ৰতিজন সাধাৰণৰ সঁহাৰিয়ে কি সূচায় ? ভাৰত ৰাষ্ট্ৰই পাহৰি নাযাওক, উত্তৰ-পূৰ্বৰ জনসাধাৰণৰ মাজত আজি জাতীয় চেতনা জাগ্ৰত হৈছে।**

# চাকৰিমুখী শিক্ষাৰ পৰিবৰ্তে বৃত্তিমুখী শিক্ষা ব্যৱস্থাত গুৰুত্ব দিয়ক

— প্ৰাঞ্জল বৰা

বৰ্তমান আমাৰ দেশৰ নিবনুৱা সমস্যাই যি ভয়াবহ ৰূপত দেখা দিছে, কেইবছৰমানৰ ভিতৰত এই সমস্যাই এক অকল্পনীয় ৰূপ ধাৰণ কৰিবগৈ। যিমানে নিবনুৱা সমস্যা বৃদ্ধি হৈ থাকিব সিমানেই ক্ৰমান্বয়ে বৃদ্ধি হৈ থাকিব অসামাজিক কাৰ্য-কলাপবোৰৰ। ইয়াৰ লগে লগে দেশ আগুৱাই যাব দৰিদ্ৰতাৰ কৰাল গ্ৰাসলৈ। স্বাৱলম্বী হ'ব পৰাকৈ সম্ভাব্য সুবিধা থকা স্বত্বেও আমাৰ দেশ দিনক দিনে দৰিদ্ৰতাৰ পিনে আগুৱাই গৈ আছে। ইয়াৰ কাৰণসমূহৰ ভিতৰত শ্ৰমৰ মৰ্য্যদা নিদিয়াটো এটা পৰোক্ষ অথচ উল্লেখযোগ্য কাৰণ। ইয়াৰ বাবেই সুস্থ-সবল মানুহৰো আত্মনিৰ্ভৰশীল হ'বৰ বাবে কৰিব পৰা শ্ৰমৰ প্ৰতি এটা স্বাভাৱিক অনিহা জন্মে।

সৰ্বভাৰতীয় তুলনাত আমাৰ অসমত এই প্ৰৱণতা অতি বেছি। অসমৰ এনে কিছুমান শিতান আছে যিবোৰত বহুতো অনা-অসমীয়া আৰু বিদেশী মানুহ নিয়োজিত হৈ আছে। এই শিতানবোৰৰ পৰাই বছৰি বহুকোটি টকা অসমৰ বাহিৰলৈ ওলাই যায়, যিথিনি টকা অসমতে বিনিয়োগ হোৱাহেঁতেন অৰ্থনৈতিক বিকাশত কিছু পৰিমাণে হ'লেও সুবিধা হ'লহেঁতেন। বৰ্তমান অসমৰ প্ৰায় আঢ়ৈ কোটি মানুহৰ এক কোটি পুৰুষে মাহেকত এবাৰকৈ চুলি কটালে সাত টকাকৈ এমাহত সাতকোটি টকা হয়। কিন্তু এই সাত কোটি টকা ক'লৈ যায় ? এইটো এটা সামান্য আৰু অনুমানিক উদাহৰণহে। সেইদৰে কাপোৰ ধোৱা, ইষ্ট্ৰি কৰাকে ধৰি বহুকেইটা শিতান আছে যিবোৰত অনা-অসমীয়া মানুহ নিয়োজিত হৈ সুন্দৰকৈ এটা পৰিয়াল চলি আছে। আনহাতে এইবোৰ শিতানত মূলধন বিশেষ প্ৰয়োজন নহয়। এই শিতানবোৰত অসমীয়া শিক্ষিত আৰু অশিক্ষিত নিবনুৱা নিয়োজিত হ'ব নোৱাৰেনে? শ্ৰমৰ মৰ্য্যদা নিদিয়াটোৱেই হৈছে ইয়াৰ এটা প্ৰধান হেঙাৰ। অসমৰ এই কৰ্ম-সংস্কৃতিৰ পথাৰখনলৈ অসমৰ ওচৰ চুবুৰীয়া ৰাজ্য আৰু বাংলাদেশৰ পৰা অসমলৈ প্ৰব্ৰজন ঘটে।

পৃথিৱীৰ উন্নত দেশ আৰু সভ্য জাতিসমূহে শ্ৰমক অধিক মৰ্য্যদা প্ৰদান কৰে। শাৰিৰীক শ্ৰম কৰা লোকক তেওঁলোকে কেতিয়াও ঘৃনাৰ চকুৰে নাচায়। কিন্তু আমাৰ ধৰ্মীয় সভ্যতাই অতীতৰেপৰা শাৰিৰীক শ্ৰমক ঘৃণা আৰু অবজ্ঞাৰ দৃষ্টিৰে চাবলৈ শিকাই আহিছে। সৰ্বভাৰতীয় পৰ্য্যায়টো বিশ্লেষণ কৰিলেও এই প্ৰৱণতাৰ কথা উমান পোৱা যায়। হিন্দুসকলৰ মাজত শাৰিৰীক পৰিশ্ৰম কৰা মানুবোৰেই আটাইতকৈ নিম্নজাত আৰু শাৰিৰীক শ্ৰম নকৰা মানুহখিনিয়েই উচ্চজাত বুলি বিবেচনা কৰে। আৰ্য্যসকলে কৰ্মৰ ভিত্তিত একেটা পৰিয়ালৰ পৰা শ্ৰেণী বিভাজন কৰা ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য আৰু শুদ্ৰ এই চাৰি শ্ৰেণীৰ মানুহৰ মাজৰে পৰা কালক্ৰমত ইটোৱে সিটো শ্ৰেণীক ঘৃণা কৰিবলৈ আৰম্ভ কৰিলে। আনহাতে পৃথিৱীৰ অন্যান্য ধৰ্মৰ ধৰ্ম শাস্ত্ৰবিলাকে শাৰিৰীক শ্ৰমক গুৰুত্ব আৰোপ কৰিছে। ইহুদী ধৰ্মৰ ধৰ্মশাস্ত্ৰই শাৰিৰীক পৰিশ্ৰমক ধৰ্ম ৰক্ষাৰ এটা প্ৰধান কৰ্তব্যত পৰিনত কৰিছে। যিমানেই ডাঙৰ পণ্ডিত বা দাৰ্শনিক নহওঁক কিয়, প্ৰত্যেক ইহুদীয়েই নিজৰ জীৱিকা নিৰ্বাহৰ বাবে কিবা এটা শাৰিৰীক শ্ৰম কৰাটো বাধ্যতামূলক। কিছুমান খ্ৰীষ্টান সম্প্ৰ দায়েও শাৰিৰীক শ্ৰমক ঈশ্বৰ প্ৰদত্ত কৰ্ম বুলি বিশ্বাস কৰে। আমাৰ ধৰ্মীয় ৰীতি-নীতি কিছুমানে যিকোনো শাৰিৰীক শ্ৰম কৰাৰ ক্ষেত্ৰত বাধাৰহে সৃষ্টি কৰে। এটা কথা ঠিক যে নিজৰ জীৱন নিৰ্বাহৰ বাবে শুদ্ধ পথেৰে এজন মানুহে যিকোনো পৰিশ্ৰমেই কৰিব পাৰে। এই ক্ষেত্ৰত ধৰ্মীয় বাধা-বিঘিনীবোৰ একেবাৰে অমূলক।

বৰ্তমান অসমৰ কিছুমান পিছপৰা অঞ্চলত বৈজ্ঞানিক পদ্ধতিৰে কৃষি কাৰ্য্য কৰা, কুকুৰা-গাহৰি পোহা, চুলি কটা, কাপোৰ ধোৱা, ইষ্ট্ৰি কৰা আদি শিতানত শিক্ষিত যুৱকে নিজকে আত্মনিয়োগ কৰি

স্বাৱলম্বী হোৱাৰ চেষ্টা কৰিছে। এইয়া আমাৰ বাবে শুভ লক্ষণ। আমাৰ মানুহে যদি এই কাৰ্য্যবোৰৰ মৰ্য্যদা দিওঁ তেনেহ'লে অধিক ফলপ্ৰসু হ'ব। অকল বাক চাতুৰীয়েই নহয়, কামে কাজেও আমি শ্ৰমৰ মৰ্যদা দিব লাগিব। চৰকাৰী আৰু বেচৰকাৰী অনুষ্ঠান সমূহেও এই ক্ষেত্ৰত বিশেষ সহযোগিতা আগবঢ়াব লাগিব। এই ক্ষেত্ৰত আমাৰ বৰ্তমান শিক্ষাব্যৱস্থাও একেবাৰে দোষমুক্ত নহয়।

বিশ্ববিখ্যাত মণিষী ৰাছেলে কৈছিল- ''জীৱনত সুখী হ'বলৈ জীৱন দৰ্শন সলনি কৰাতকৈ নিতৌ ছমাইল খোজ কঢ়াই ভাল।'' এই কথাষাৰৰ যোগেদি ৰাছেলে দৈহিক পৰিশ্ৰম কৰা মানুহখিনিক নিজৰ দৈহিক পৰিশ্ৰমৰ উপৰিও নিতৌ ছমাইল খোজ কাঢ়িবলৈ কোৱা নাই। এই কথাষাৰৰ আঁৰত দৈহিক পৰিশ্ৰম নকৰা মানুহখিনিক দৈহিক পৰিশ্ৰমৰ কথাকেই কোৱা নাইনে? ●●

# প্ৰতিবাদ

*(৪৭ পৃষ্ঠাৰ পৰা)*

পাৰিব, পাৰিব জানো স্বাধীন অসমৰ প্ৰস্তাৱক হত্যা কৰিব ?

বিপদৰ গোন্ধ পাইয়ো যুৱকজনে অৰ্থাৎ বিকাশে ধৈৰ্য্যৰে কোৱা কথাবোৰে মোৰ অশ্ৰু-ধাৰা বোৱাই আনিলে ।

ঃ বোপা তুমি আত্মসমৰ্পণ কৰা, আত্মৰক্ষাৰ বাবে । পিছৰ কথা পিছত চিন্তা কৰিবা । শান্ত সহজ-সৰল বিকাশে মোৰ কথাষাৰ শুনি শক্ৰুভাৱে শোণ চকু নিক্ষেপ কৰিলে ।

ঃ কথাষাৰ কোৱাত মোৰ ভুল হ'ব পাৰে বোপা, বেয়া নাপাবা ।

ভয়ত মই কেঁচুৱাৰ দৰে কান্দি পেলালো । পৰিবাৰ আহি আগন্তুক ভয়ত মোৰ কান্দোনৰ লগতে সুৰ মিলালেহি । বাহিৰত পুলিচ বাহিনীৰ চিঞৰ, দৰজাত ধক্ ধক্ শব্দ ।

ঃ 'দৰজা খোলা, নহ'লে গুলি চলাবলৈ বাধ্য হ'ম ।' আমি দুয়ো ভয়ত কম্পমান । কি হ'ব ঠিক নাই পিছৰ পৰিস্থিতি ।

ঃ 'খুড়া আৰু খুড়ী, আপোনালোক অলপ সময় অপেক্ষা কৰক, পিছৰ পৰিস্থিতি মই নিয়ন্ত্ৰণ কৰিম ।'

এই বুলি কৈ বিকাশে দৰজা খুলি বাহিৰলৈ ওলাই গ'ল । বাহিৰত ধপ্-ধাপ্ শব্দ । ইয়াৰ পিছৰ পৰ্য্যায় কি হ'ল মনত নাই । পিছদিনা পুৱা সাৰপাই আচৰিত, থানাত মই শুই আছো ।

চাইকেলখন পুখুৰী পাৰৰ গছ এজোপাৰ ছাঁতে থৈ মানুহৰ জুমটোলৈ ধাপলি মেলিলো ।

ঃ আৰে এইটো বিকাশৰ মৃতদেহ, ৰাইজ, ইয়াক জীৱিত অৱস্থাত পুলিছে ধৰিছিল । মোৰ ঘৰত, ময়ো পুলিচৰ জিম্মাত ইয়াৰ লগত আছিলো । মই বৰ দুখ আৰু ক্ষোভেৰে কথাবোৰ বহলাই ৰাইজক ক'লো ।

ঃ তেন্তে এই কাম পুলিচ বাহিনীৰে হ'ব । সিহঁতে এই তেজাল ল'ৰাটো মাৰি গুপ্তঘাতকে হত্যা কৰা বুলি ভাবিবলৈ এই কাম কৰিছে । ৰাইজ আমি হাত সাবটি বহি থাকিলে নহ'ব । এই দৰে কিমান, মানুহ মাৰিবলৈ এৰি দিব । পেপাৰ মেলিলেই কেৱল হত্যা, হত্যা, হত্যা । ৰাইজ, মোৰ শৰীৰত তেতিয়াৰ ইংৰাজ খেদা তেজ এতিয়াও আছে। মোৰ বুঢ়া দেহাটো জাগ্ৰত হৈ উঠিছে, তেজবোৰ তপ্ত হৈ পৰিছে শিৰাই উপশিৰাই । আপোনালোক সাজু হওঁক, মই সাজু আছো । দেশৰ বাবে জীৱিত কালত সকলো কৰিবলৈ মোৰ সাহস আৰু ধৈৰ্য্য আছে । কিমান অসমীয়া মাৰিব সিহঁতে, প্ৰথমে আমাক মাৰক, এই বুঢ়া চামক, পিছতহে মাৰিব পাৰিব যুৱকবোৰক । অনুমান মোতকৈ বয়সত ২০ বছৰ ডাঙৰ, বুঢ়া ৭০ কি ৭৫ বছৰত ভৰি দিয়া মুক্তি-যুজাঁৰু শান্তিৰাম বৰুৱাৰ কথাবোৰ শুনি আকৌ কিবা লাগি গ'ল মোৰ । বিকাশৰ মুখখন মানস পটত ভাঁহি আহিল । একেখন মজিয়াত লগতে ভাত খোৱা ল'ৰাটোক বাৰু কোনোবাই মাৰি পেলাব লাগে নে ? মুক্তি সংগ্ৰামীৰ বাবে মৃত্যুই আছে নেকি, অন্যথা বেলেগ আইন চৰকাৰৰ নাই নেকি ?শোকত মীয়মান হৈ পৰিলো । সৎ, স্পষ্ট যুক্তি, আদৰ্শবাদী বিকাশক হত্যা কৰিলে প্ৰশাসনে । বিভিন্ন চিন্তাই মোৰ মনটো আচন্ন কৰি পেলালে । বৰুৱাদাৰ কথাবোৰ গুৰুত্ব দি ময়ো চিঞৰি ক'লো –

ঃ প্ৰথমে মোক হত্যা কৰক, পিছতহে বিপ্লৱীবোৰক হত্যা কৰিব । কাৰণ সিহঁতৰ এই কাইটিয়া পথৰ যাত্ৰাৰ বাবে আমিবোৰেই দায়ী । আমাৰ বাণী হ'ব –

''অসমী আই জিন্দাবাদ''

''অসমভূমিত শান্তি লাগে আলোচনাৰে, আমাক হত্যাৰ দ্বাৰা শান্তি নালাগে ।'' আৰম্ভ হওঁক এক নতুন প্ৰতিবাদ, এক নৱ প্ৰভাতৰ আশাত । ●●

OKDISCD

# মাধ্যমিক স্তৰৰ শিক্ষাত বৌদ্ধিক বিকাশ, প্ৰতিযোগিতামূলক মনোভাৱ শৈক্ষিক পৰিবেশ ইত্যাদি...

— নেত্ৰ গগৈ

খোৰাতে ঃ সমগ্ৰ ভাৰততে বৰ্তমান প্ৰচলিত শিক্ষানীতিৰ আসোঁৱাহ আৰু এক নতুন শিক্ষানীতি প্ৰৱৰ্তনৰ সন্দৰ্ভত প্ৰচুৰ আলোচনা-বিলোচনা চলিছে। শিক্ষাবিদ শিক্ষাধিকাৰী সমূহৰ মাজত এই সন্দৰ্ভত বিতৰ্কৰো সৃষ্টি হৈছে। গ্ৰেডিং আৰু চিমেষ্টাৰ পদ্ধতিৰ প্ৰৱৰ্তনৰ সপক্ষে যথেষ্ট জন সমৰ্থনৰ বিপৰীতে ইয়াৰ সম্ভাব্য বিৰূপ প্ৰভাৱসমূহৰ বিষয়ত শিক্ষাবিদসকলে বিচাৰ-বিবেচনা কৰিছে। এনে পৰিস্থিতিত এই লেখাৰ গুৰুত্ব আপেক্ষিকভাৱে কম হ'লেও শিক্ষাৰ লক্ষ্য-উদ্দেশ্যৰ দৃষ্টিৰে চিৰ অৰ্বাচীন বিবেচনা কৰিয়েই যুগুতাই উলিওৱা হ'ল। বিচাৰৰ ভাৰ বিদ্বৎ সমাজৰ হাততে এৰিলো

—লেখক।

বৌদ্ধিক আৰু মানসিক কহুৰতৰ দিশত ভাৰতবৰ্ষই অতীজৰে পৰা এক গৌৰৱোজ্জল ইতিহাস বহন কৰি আহিছে। বেদ-উপনিষদ-পুৰাণৰ প্ৰতিষ্ঠান ভাৰতবৰ্ষ। ৰামায়ণ-মহাভাৰতৰ প্ৰাচীন ঐতিহ্যৰে বিধৌত ইয়াৰ সভ্যতা-সংস্কৃতি। বিশ্বৰ সমগ্ৰ জনগণ যেতিয়া সভ্যতাৰ পোহৰৰ পৰা সাতচাপ আঁতৰত আছিল, সেই সময়তে ভাৰতবৰ্ষ ইয়াৰ শ্বি-সভ্যতা-সংস্কৃতিৰে দিপ্তীমান আছিল। আধুনিক বৈজ্ঞানিক সমাজৰ বহু উচ্চ ধাৰণাই সহস্ৰবৰ্ষৰ পূৰ্বেই ভাৰতবৰ্ষত স্থান পাইছিল। ৰামায়ণ-মহাভাৰত বা অন্যান্য ধৰ্ম-পুথিসমূহৰ পাতে পাতে তাৰ বহু উদাহৰণ লিপিবদ্ধ হৈ আছে। 'কৰ্মসংস্কৃতিৰ' ধাৰণা বেদ ব্যাস প্ৰণীত 'গীতাশাস্ত্ৰত' কেতিয়াবাই শ্ৰীকৃষ্ণৰ মুখৰ পৰা ভাষণ ৰূপত নিৰ্গত হৈছে। বেদ-বেদান্তই আমাৰ সুসভ্য অতীতৰ জয়গান গায়, নাতিদূৰৰ ইতিহাস আৰু ভূগোলেও আৰ্য্য-সিন্ধু সভ্যতাৰ লগতে এক ভাৰতীয়ত্বৰ মহৎ প্ৰতিচ্ছবি দাঙি ধৰে। নালন্দা-তক্ষশীলা-বিক্ৰমশীলাৰ দৰে বিশ্ববন্দিত শিক্ষানুষ্ঠানৰ দেশ এই ভাৰতবৰ্ষ, কোৱা বাহুল্য, পৃথিৱীৰ প্ৰাচীনতম সভ্য জাতিটোৰ আমিয়েই নাতি-পুতি উত্তৰাধিকাৰী। কিন্তু সেইয়া কেৱল অতীত প্ৰশস্তি আত্মসন্তুষ্টিৰ বাবে কেইষাৰমান সান্তনা বাণী। অন্যথা পৃথিৱীৰ সমস্ত জনগণ অজ্ঞান আন্ধাৰৰ মাজত ডুব গৈ থকা অৱস্থাত সভ্যতাৰ জোৰলৈ বাট দেখুওৱা দেশখনৰ শিক্ষাৰ অৱস্থা আজি বাট হেৰুওৱা পথিকৰ দৰে পুতৌ লগা কিয় ? পশ্চিমীয়া দেশসমূহে পিছত সভ্যতা পায়ো বৰ্তমান সকলো ক্ষেত্ৰতে আগবঢ়া কিয় ? মানৱ সম্পদ গঢ়াৰ মহান ব্ৰত লোৱা দেশৰ শিক্ষা ব্যৱস্থাই প্ৰকৃতাৰ্থত ব্যৰ্থ হৈয়ে আজিৰ পৰিস্থিতিৰ লগত মোকাবিলা কৰিবলৈ এক ন-পথ, নতুন বিকল্পৰ সন্ধান কৰিছে। শিৰোনামাৰ বিষয়টোৰ প্ৰস্তাৱনা হিচাপেই এই কথাখিনি উল্লেখ কৰা হ'ল, যিহেতু বৰ্তমানক পৰ্য্যালোচনাৰ বাবে অনেক সময়ত অতীতক সোঁৱৰণৰ প্ৰয়োজনীয়তাই দেখা দিয়ে।

মাধ্যমিক শব্দৰ ইংৰাজী প্ৰতিশব্দ Secondary -ৰ অৰ্থবিন্যাস কৰিলে দেখা যায়, শিক্ষাদানৰ আনুষ্ঠানিক গাঁঠনিৰ জখলাদালৰ দ্বিতীয় স্তৰত যি শিক্ষা দিয়া হয় সেয়ে মাধ্যমিক শিক্ষা। যদিহে প্ৰাথমিক শিক্ষাক প্ৰথম স্তৰ আৰু বিশ্ববিদ্যালয় শিক্ষাক শেষস্তৰ বুলি গণ্য কৰা যায়, তেন্তে তাৰ মাজৰ যি শিক্ষা সেয়ে মাধ্যমিক (Sec-

ondary / middle) শিক্ষা । অন্য এক প্ৰকাৰেই ইয়াৰ সংজ্ঞা নিৰূপণ কৰিব পৰা যায় । প্ৰাথমিক শিক্ষাৰ পিছতে দ্বিতীয় স্তৰত যি শিক্ষাৰ ব্যৱস্থা ৰখা হৈছে সেয়ে মাধ্যমিক শিক্ষা (Secondary) । সি যি নহওঁক, বৰ্তমান আমাৰ ভাৰতীয় শিক্ষা ব্যৱস্থাৰ প্ৰচলিত নিয়মমতে প্ৰাথমিক আৰু উচ্চতৰ মাধ্যমিকৰ মাজৰ শিক্ষাই মাধ্যমিক শিক্ষা । এতেকে বিদ্যালয় শিক্ষা বিয়োগ (–) প্ৰাথমিক শিক্ষা = মাধ্যমিক শিক্ষা ।

১৯৬৪-৬৬ চনত বিশিষ্ট শিক্ষাবিদ ড° ডি. এছ. কোঠাৰীৰ নেতৃত্বত গঠিত ভাৰতীয় শিক্ষা আয়োগ (Indian Education Commission) এ প্ৰস্তুত কৰা শিক্ষানীতি অনুসৰি ১১-১৭ বছৰৰ ভিতৰৰ শিক্ষাৰ্থীসকলক মাধ্যমিক পৰ্য্যায়ৰ বুলি ধৰা হয় । কোঠাৰী আয়োগে মাধ্যমিক শিক্ষাক দুটা পৰ্য্যায়ত ভাগ কৰিছে –

(i) মধ্য বা নিম্ন মাধ্যমিক - ৩ বছৰ ।

(ii) উচ্চতৰ মাধ্যমিক - ৪ বছৰ ।

পৰৱৰ্তী কালত, ১৯৮৬ চনত গঠিত ৰাষ্ট্ৰীয় শিক্ষানীতিয়ে ১৯৫২ চনত ডঃ এ. এল. মডালিয়াৰৰ নেতৃত্বত গঠিত মাধ্যমিক শিক্ষা আয়োগ (SEC) আৰু ১৯৬৪-৬৬ চনত ড° ডি. এছ. কোঠাৰীৰ ভাৰতীয় শিক্ষা আয়োগ (IEC) ৰ দোষ-ত্ৰুটি সমূহ লক্ষ্য কৰি ১০ + ২ + ৩ পদ্ধতিৰ শিক্ষানীতি প্ৰস্তুত কৰে । ৰাষ্ট্ৰীয় শিক্ষানীতি অনুসৰি –

(i) প্ৰাথমিক শিক্ষা - ৫ বছৰ ।

(ii) উচ্চ প্ৰাথমিক - ৩ বছৰ ।

(iii) হাইস্কুল - ২ বছৰ ।

(iv) উচ্চতৰ মাধ্যমিক - ২ বছৰ ।

(v) মহাবিদ্যালয় - ৩ বছৰ ।

ৰাষ্ট্ৰীয়ভাৱে আমাৰ দেশত যদিও এখন শিক্ষানীতি গ্ৰহণ কৰা হয়, যুক্তৰাষ্ট্ৰীয় পদ্ধতিৰ দেশ হোৱাৰ বাবে ইয়াৰ ৰাজ্য চৰকাৰসমূহক শিক্ষাৰ বিষয়ত নিজাববীয়াকৈ সিদ্ধান্ত গ্ৰহণ কৰিবলৈ স্বাধীনতা প্ৰদান কৰা হয় । সেয়েহে ৰাজ্যভেদে শিক্ষানীতিৰ সামান্য তাৰতম্য লক্ষ্য কৰা যায় । উদাহৰণস্বৰূপে, অসমৰ প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰত চাৰিটা শ্ৰেণীহে অৰ্থাৎ ৪ৰ্থ শ্ৰেণীলৈকে শিক্ষা দিয়া হয় ।

প্ৰতিখন দেশৰ শিক্ষানীতিৰ কিছুমান নিজস্ব লক্ষ্য আৰু উদ্দেশ্য থাকে । দেশৰ সমাজ ব্যৱস্থা অনুসৰি শিক্ষাৰ বিশেষ লক্ষ্যবোৰৰ মাজত পাৰ্থক্য লক্ষ্য কৰা যায়। কিন্তু সকলো দেশৰ শিক্ষা ব্যৱস্থাৰ এটা সাৰ্বজনীনভাৱে গৃহিত লক্ষ্য আৰু উদ্দেশ্য হ'ল ল'ৰা-ছোৱালীক দেশৰ ভৱিষ্যতৰ সু-নাগৰিক হিচাপে গঢ়ি তোলা । সেয়েহে বৰ্তমান কালত শিক্ষা ব্যৱস্থাৰ দায়িত্ব যথেষ্ট গধূৰ । পূৰ্বতে আনুষ্ঠানিক শিক্ষাৰ দায়িত্ব "3Rs" আৰু "3Hs" সীমাবদ্ধ বুলি ভৱা হৈছিল যদিও বৰ্তমান ই ক্ৰমে 7Rs আৰু 5Hs লৈ সম্প্ৰসাৰিত হৈছে । [(3Rs - Reading (পঠন), Writing (লিখন, কটো উচ্চাৰণ নহয়) আৰু Arithmetic (সংখ্যাজ্ঞান), ন-সংযোজিত 'Rs' সমূহ হ'ল - Relationship (সম্বন্ধ) । ঠিক তেনেদৰে 3Hs আছিল - Head (মস্তিষ্ক), Heart (হৃদয়) আৰু Hand (কৰ্মদক্ষতা), ন-সংযোজিত 'Hs' সমূহ হ'ল - Health (স্বাস্থ্য) আৰু Habit (অভ্যাস)] ।

ইতিপূৰ্বে উল্লেখ কৰি অহা হৈছে যে, বৌদ্ধিক কছৰতৰ ক্ষেত্ৰত ভাৰতবৰ্ষৰ এক গৌৰৱোজ্জ্বল অতীত আছে । আনুষ্ঠানিক শিক্ষাই সামৰি লোৱা প্ৰতিটো লক্ষ্যকে প্ৰাচীন ভাৰতৰ গুৰুগৃহ বা আশ্ৰম শিক্ষাই সামৰি লৈছিল । পৰৱৰ্তী কালত ইছলামিক আৰু বৌদ্ধিক শিক্ষা ব্যৱস্থাতো তদনুৰূপ লক্ষ্যকে নিৰ্দ্ধাৰণ কৰি লোৱা হৈছিল। আনুষ্ঠানিক শিক্ষাৰ মাধ্যমিক স্তৰটো যথেষ্ট গুৰুত্বপূৰ্ণ । কিছুমান বিশেষ উদ্দেশ্য আগত ৰাখি এই স্তৰত অন্তৰ্ভুক্ত প্ৰতিটো বিষয়ৰ বিষয়-বাচনি কৰা হয় । বহুসংখ্যক ছাত্ৰ-ছাত্ৰীৰ এই মাধ্যমিক স্তৰতে শিক্ষা সমাপ্ত হয় । যিসকল ছাত্ৰ-ছাত্ৰীয়ে বিভিন্ন ক্ষেত্ৰত উচ্চ শিক্ষা লাভৰ সুবিধা পায়, তেওঁলোকৰ বাবে এই মাধ্যমিক স্তৰৰ শিক্ষাই আধাৰ হিচাপে পৰিগণিত হয় ।

OKDISCD

অন্যহাতে, দেশৰ সুনাগৰিক হিচাপে গঢ়ি তুলিবলৈ প্ৰয়োজনীয় জ্ঞান, সামৰ্থ্য ইত্যাদি এই স্তৰৰ শিক্ষাতে দিয়াৰ চেষ্টা কৰা হয় । ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক উৎকৰ্ষ সাধন কৰিব লগা আচৰণসমূহৰ ওপৰত ভিত্তি কৰি শিক্ষাৰ উদ্দেশ্যসমূহক প্ৰজ্ঞানাত্মক (Cognitive), আনুভূতিক (Affective) আৰু মনো-পেশীয় (Psycho-motor) এই তিনিটা ক্ষেত্ৰ (domain)ত ভাগ কৰিব পাৰি। শিক্ষা-মনোবিজ্ঞানৰ অধ্যয়ন নথকা বা নিম্ন শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ বাবে এই ত্ৰি-ক্ষেত্ৰৰ ধাৰণাটো বাস্তৱিকতে নতুন । সৰলীকৰণ কৰাৰ লক্ষ্যৰে প্ৰজ্ঞানাত্মক (Cognitivel Perceptive), শিকন প্ৰক্ৰিয়াটো চলি থকা অৱস্থাত এটা বস্তু বা বিষয়ৰ সম্বন্ধে কোনো ব্যক্তি বা শিকাৰুৰ মনত যিকেইটা স্তৰে তাৎক্ষণিকভাৱে ক্ৰিয়া কৰিব তাক ক্ৰমে জ্ঞান (১) (knowledge), (২) ভাল-বেয়া সম্বন্ধে কি জনা আছে বা বোধ (understanding), (৩) কি কি ক্ষেত্ৰত ইয়াৰ ব্যৱহাৰ বা প্ৰয়োগ কৰিব পৰা যায় (Application), (৪) সুবিধা-অসুবিধা ইত্যাদি কিবা আছে নেকি বা বিশ্লেষণ (Analysis), (৫) ভাল-বেয়া, সুবিধা-অসুবিধা সমূহক একত্ৰিত কৰিব পৰা যায় নেকি বা সংশ্লেষণ (Synthesis) আৰু (৬) এই সম্বন্ধে সৰ্বশেষ যি সিদ্ধান্ত তৎক্ষণিকভাৱে পোৱা যায় বা মূল্যাংকন (Evaluation) – এই কেইটা স্তৰৰ বিন্যাস কৰিব পৰা যায় । আনুভূতিক ক্ষেত্ৰটোক ইংৰাজী প্ৰতিশব্দ ‘Affective’ ৰ দ্বাৰা বুজাবৰ যত্ন কৰা হৈছে । ইয়াৰ অৰ্থ Pretend to feel অৰ্থাৎ অনুভৱ কৰিবলৈ প্ৰৰোচনা কৰা । এটা বিষয় বা বস্তু যেতিয়া উদ্দীপকৰ ৰূপত (Stimulas - অৰ্থ যি পকেন্দ্ৰিয়ক বিভিন্ন প্ৰকাৰে অনুৰণিত কৰে) শিকাৰুৰ ওচৰত উপস্থাপন কৰা হয়, কেইটমান নিৰ্দিষ্ট স্তৰ শিকাৰুৰ অজ্ঞাতসাৰে আগবাঢ়ি যায় । চমুকৈ সেই স্তৰসমূহ হ’ল - (১) বিষয়টো বা বস্তুটো গ্ৰহণ কৰিবলৈ মানসিক প্ৰস্তুতি বা অভিগ্ৰাহিতা (Receiving/ Attending/Appreciation), (২) সঁহাৰি, প্ৰতিক্ৰিয়া ৰাপ (Responding/Reacting/Growing Interest), (৩) বিষয় বা বস্তুটোৰ প্ৰতি মূল্য বা মনোভাৱ (Attitude/Valuing), (৪) মনৰ ভিতৰতে সংগোপনে গঢ়ি লোৱা ধাৰণা বিশেষ (Conceptualisation), (৫) সু-সংগতভাৱে চিন্তাবোৰক সংগঠিত কৰা (Organisation) আৰু অন্তিম ৰূপত বিষয়বস্তুৰ চৰিত্ৰাংকণ কৰা (Characterisation) মনোপেশীয় ক্ষেত্ৰৰ বিকাশো শিক্ষাৰ এক অন্যতম লক্ষ্য । পকেন্দ্ৰিয়ৰ জৰিয়তে উদ্দীপকৰ পৰা পোৱা উদ্দীপনাক মস্তিস্কই সঁহাৰি দি স্নায়ুতন্ত্ৰৰ যোগেদি দেহৰ বিভিন্ন অংগ-প্ৰত্যংগলৈ প্ৰয়োজনীয় নিৰ্দেশনাৰে কাৰ্য্যলৈ ৰূপান্তৰ কৰে । এই মনোপেশীয় ক্ষেত্ৰটোৰেও কেইটামান নিৰ্দিষ্ট স্তৰ পৰ্য্যায়ক্ৰমে অতিক্ৰম কৰে । (১) বিষয় বা বস্তু এটাৰ প্ৰতি প্ৰৱণতা (Impulsion), (২) কাৰ্য্যলৈ ৰূপান্তৰণৰ ক্ষেত্ৰত সজ্ঞানে বা অজ্ঞানে আনক বা ‘নিজক’ অনুকৰণ (Imitation), (৩) অনুকৰণ কৰিবলৈ যোৱা অৱস্থাত কিমান নিপুণতাৰে আয়ত্ব কৰা হ’ল (Manipulation), (৪) বিভিন্ন কৌশল, পৰ্য্যায়ৰ মাজত সমন্বয় স্থাপন (Co-ordination), (৫) নিজক নিয়ন্ত্ৰণ (Control) আৰু (৬) বিষয় বা বস্তুটোৰ এটা স্বাভাৱিকৰণ (Naturalisation/Habit formation) কৰা ।

পূৰ্বতেই উল্লেখ কৰি অহা হৈছে, এই ত্ৰিক্ষেত্ৰত ধাৰণাটো শিক্ষা মনোবিজ্ঞানৰ অধ্যয়ন নথকা বা নিম্ন শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ বাবে এটি অপৰিচিত বিষয় । কিন্তু শিক্ষণ-শিকন প্ৰক্ৰিয়াটোৰ সম্পাদন কাৰ্য্যত এই ত্ৰিক্ষেত্ৰই আমাৰ জ্ঞাতে-অজ্ঞাতে অতি গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে । মাধ্যমিক স্তৰত এই তিনিওটা ক্ষেত্ৰৰে শীৰ্ষতম স্তৰ কেইটালৈ উন্নীত কৰা সম্ভৱ নহয়। প্ৰজ্ঞানাত্মক ক্ষেত্ৰৰ প্ৰয়োগ (Application) স্তৰলৈ আৰু আনুভূতিক আৰু মনোপেশীয় ক্ষেত্ৰৰ উপলব্ধি (Appriciation/Realisation), ৰাপ (Interest), মনোভাৱ (attitude), মূল্যবোধ (Value), কৌশল (Skill), আয়তীকৰণ (Manipulation) ইত্যাদিৰ ওপৰত গুৰুত্ব প্ৰদান কৰা হয় ।

(ক্ৰমশঃ)

# স্বাধীনতা দিৱসৰ চিন্তা ঃ আমি বাৰু পৰাধীনতাৰ পৰা মুক্তনে ?

— অৰুপ শইকীয়া

*(যোৱা সংখ্যাৰ পিছৰ পৰা)*

স্বাধীনতাৰ তেপন্ন বছৰে কেন্দ্ৰীয় চৰকাৰে অসমৰ কোনো এটা সমস্যাকে সমাধান কৰা আমি প্ৰত্যক্ষ কৰিব নোৱাৰিলো। ৰাজ্যখনত প্ৰতিবছৰে হোৱা বানপানীৰ সমস্যাটোৰ আজিকোপতি এটা স্থায়ী বান-নিয়ন্ত্ৰণৰ ব্যৱস্থা নহ'ল। যাৰফলত অসমত প্ৰতিবছৰে হাজাৰ হাজাৰ লোক বানত আক্ৰান্ত হৈ ক্ৰমে দৰিদ্ৰ সীমাৰেখাৰ তললৈ গৈ আছে। যি সময়ত অসমৰ প্ৰধান নদী ব্ৰহ্মপুত্ৰ অসমৰ বাবে আশীৰ্বাদ স্বৰূপ হৈ উঠাৰ আশা আছিল তেনে সময়তো কিন্তু অসমৰ বাবে ব্ৰহ্মপুত্ৰ আজি অভিশাপ স্বৰূপ হৈ বছৰি বছৰি হাজাৰ হাজাৰ মানুহৰ ঘৰ-দুৱাৰ ভাঙি বহু সা-সম্পত্তি ধ্বংশ কৰি আহিছে ব্ৰহ্মপুত্ৰৰ বানৰ সংহাৰ মূৰ্ত্তিয়ে। তথাপিও আজিলৈকে ব্ৰহ্মপুত্ৰ নদী নিয়ন্ত্ৰণৰ এটা স্থায়ী ব্যৱস্থা নকৰিলে কেন্দ্ৰীয় চৰকাৰে। ধনৰ অভাৱতেই ব্ৰহ্মপুত্ৰ নদীক নিয়ন্ত্ৰণৰ ব্যৱস্থা কৰিব নোৱাৰাৰ কথা দোহাৰী দায় সাৰে কেন্দ্ৰীয় চৰকাৰে। কিন্তু আচৰিত কথা যিখন ৰাজ্যৰ খাৰুৱা তেললৰে ভাৰতে আজি প্ৰচুৰ বৈদেশিক মুদ্ৰা অৰ্জন কৰিছে, তেনে এখন ৰাজ্যৰ বাবে ধনৰ নাটনি হোৱাতো বাৰু কেনেকৈ মানি ল'ব পাৰি ? অসম আজি প্ৰাকৃতিক সম্পদত চহকী যদিও কেন্দ্ৰীয় চৰকাৰৰ মাহী আই সদৃশ দৃষ্টিৰ বাবে অসমৰ উন্নয়নৰ ক্ষেত্ৰত এখন পিচপৰা ৰাজ্য হিচাপে পৰিগণিত হৈ আহিছে, সেয়া দিনৰ পোহৰৰ দৰে সত্য। ভাৰতৰ বাবে অসম এখন চুৰাপাতনি (Dumping Zone), এখন ধুনীয়া বজাৰ লাভৰ বাদে য'ত অন্যকথা নাই। সস্তাত কেঁচামাল ইয়াৰপৰা লৈ যোৱা আৰু সামগ্ৰীখিনি আনি অধিক দামত বিক্ৰী কৰা, এয়াই হ'ল তেওঁলোকৰ নীতি। আমাৰ সম্পদ আছে কিন্তু সম্পদৰ ওপৰত আমাৰ নাই কোনো অধিকাৰ। এয়াই ভাৰতীয় সংবিধানৰ নীতি। অথচ সংবিধানৰ মতে আমি ভাৰতৰ অবিচ্ছেদ্য অঙ্গ। সেয়ে আমি ভাৰতীয় সংবিধান মানি চলিব লাগে আখৰে আখৰে, তাৰ ব্যতিক্ৰম হ'লে আমি হৈ পৰিম দেশদ্ৰোহী, একনম্বৰ সন্ত্ৰাসবাদী। ভাৰতীয় সংবিধান মতেও আমি বহু অধিকাৰ ভোগ কৰিব লাগে। সন্মান সহকাৰে জীয়াই থকাৰ অধিকাৰ,স্বাধীন ভাৱে মত প্ৰকাশৰ অধিকাৰ, সম্পত্তিৰ অধিকাৰ, নিৰাপত্তাৰ অধিকাৰ আদি অধিকাৰসমূহ সংবিধানে আমাক দিছে। কিন্তু পাইছোনে আমি আজি এইসকলো অধিকাৰ ভোগ কৰিবলৈ বাধাহীনভাৱে? পাইছোনে আমি স্বাধীনভাৱে মুকলিকৈ আমাৰ মত প্ৰকাশ কৰাৰ অধিকাৰ ? যদি আমাক এই অধিকাৰ দিয়াই হৈছে, তেন্তে কেৱল চৰকাৰৰ বিৰুদ্ধে লিখাৰ বাবেই কিয় দুখনকৈ জনপ্ৰিয় কাকতৰ সম্পাদক অজিত কুমাৰ ভূঞাক বাৰে বাৰে নিক্ষেপ কৰা হৈছে স্বাধীন চৰকাৰৰ অন্ধকাৰ পোতাশাললৈ? কেৱল লিখাৰ বাবেই সাংবাদিক প্ৰকাশ মহন্তক কিয় নিজ পত্নীৰ সমুখতে কলম চলোৱা হাত খনকেই হাতুৰী মাৰি ভাঙি দিয়া হৈছে? কিয় অন্যায় ভাৱে গ্ৰেপ্তাৰ কৰা হৈছে সাংবাদিক সোনেশ্বৰ পাটোৱাৰী, জিতুমণি বৰা, কনকসেন ডেকাহঁতক? আজি মাত্ৰ কেইটামান দিনৰ আগতে শিৱসাগৰৰ উপায়ুক্ত জনেই চোন কেৱল দুৰ্নীতিৰ বিৰুদ্ধে লিখাৰ বাবে সাংবাদিক পৰাগ শইকীয়াক গোৰ মাৰি প্ৰাণে মৰাৰ ভাবুকি দিলে। তেন্তে ক'ত আছে মুক্তভাৱে মত প্ৰকাশৰ অধিকাৰ? যি সকলে দিনে-নিশাই আমাক মহান গণতন্ত্ৰৰ বাণী সোঁৱৰাই দি আমাক পৱিত্ৰ সংবিধান মানি চলিবলৈ উপদেশ দিয়ে,

সেই সকলেই গণতন্ত্ৰক টেটুঁ চেপি সংবিধান দলিয়াই পেলোৱা নাইনে? তেন্তে আমাৰ বাবে অন্যায়ৰ প্ৰতিবাদ কৰাৰ বাৰু অন্য কি পক্ষ খোলা আছে? এনেকুৱা কিছুমান কাৰণতে চিৰদিন কৰি অহা অন্যায়, অত্যাচাৰ, শোষণ নিপীড়নৰ পৰা অসমবাসীক অসমৰ এচাম যুৱকে মুক্ত কৰিবলৈ অসংবিধানিক পথ বাচি লৈ এনে অন্যায়ৰ প্ৰতিবাদ কৰিবৰ বাবে হাতত অস্ত্ৰ তুলি লোৱাতো সত্য। গণতান্ত্ৰিকভাৱে কৰা কোনো কামক যেতিয়া অগণতন্ত্ৰিক ভাৱে মষিমূৰ কৰা যায়, তেন্তে বাৰু আমাৰ হাতত অন্য কি পথ খোলা থাকিল ? অৱশ্য আমি কোৱা নাই যে অন্যায়ৰ বাবে হাতত অস্ত্ৰ তুলি লোৱা এই সকল যুৱকৰ সকলো কামেই শুদ্ধ। আমিও কওঁ তেওঁলোকৰ এই পথ শুদ্ধ নহয়। কেৱল বন্দুকৰ জৰিয়তে সমস্যাৰ সমাধান কেতিয়াও নহয়। কেন্দ্ৰৰ শোষণ-লুন্ঠনৰ সবিশেষ জনগণৰ আগত দাঙি ধৰি ইয়াৰ বিৰুদ্ধে জনগণক সচেতন কৰি, সকলো জাতি-জনগোষ্ঠীয়ে একেমুখে কৰা গণ বিপ্লৱৰ দ্বাৰাহে জাতীয় মুক্তি সম্ভৱ। কিন্তু এই কথাও সচাঁ যে অসমৰ এই চাম যুৱকক হাতত বন্দুক তুলি ল'বলৈ বাধ্য কৰোৱা হ'ল। কাৰণ স্ফুতিত কোনেও হাতত বন্দুক তুলি নলয়। অন্য হাতে গণতান্ত্ৰিকভাৱে গঢ়ি তোলা তিৰাশীৰ ঐতিহাসিক অসম আন্দোলনৰ ব্যৰ্থ পৰিণতিয়ে অসমৰ এই চাম যুৱকক ব- দুকৰ শক্তিৰ প্ৰতি আকৰ্ষিত কৰাতোও অসত্য নহয়। ইয়াৰ দ্বাৰা প্ৰমাণিত হ'ল যে বৰ্ত্তমানৰ সংসদীয় ব্যৱস্থাত আমাৰ জাতীয় আশা-আকাংক্ষা পূৰণ নহয়। কাৰণ প্ৰফুল্ল কুমাৰ মহন্ত নেতৃত্বাধীন গণ পৰিষদ চৰকাৰ খনেই ইয়াৰ জ্বলন্ত প্ৰমাণ। বিদেশী বহিষ্কাৰ কৰিম বুলি শাসনৰ বাঘজৰী হাতত তুলি লৈ প্ৰফুল্ল মহন্ত নেতৃত্বাধীন চৰকাৰখনে আজিলৈকে কিমান বিদেশী বহিষ্কাৰ কৰিলে? বিদেশী বহিষ্কাৰ দূৰৰ কথা, ৰাজ্যখনত চলি থকা বিদেশী অনুপ্ৰৱেশো বন্ধ কৰিব নোৱাৰিলে এই চৰকাৰে। উন্নয়নৰ নামত কি কৰিছে ৰাইজে নিজেই প্ৰত্যক্ষ কৰিছে। মাহেকৰ মূৰত চাকৰীয়ালৰ দৰমহা কেইটা দিব নোৱাৰা অৱস্থা এটাৰ সৃষ্টি হ'ল এই চৰকাৰৰ দিনত। তেন্তে কিয়েই বা আশা কৰিব পাৰি এখন নিৰ্বাচিত জনপ্ৰতিনিধিত্ব চৰকাৰৰ পৰা? আলফা দমনৰ নামত এতিয়া অসমত চলিছে এক প্ৰকাৰ পুলিচ-ৰাজ। অসম শাসিত হৈছে এতিয়া Army act of India 1950 -ৰ দ্বাৰা। যিখন আইনৰ অধীনত সেনা বাহিনীৰ এজন হাবিলদাৰে সন্দেহ কৰিলেই জাকে-তাকে কুকুৰ মেকুৰীৰ দৰে হত্যা কৰিব পাৰে। যাৰ পৰিণতিত আজি অসম এখন বধ্যভূমিলৈ ৰূপান্তৰ হ'ব লাগিছে। ভুৱা সংঘৰ্ষৰ নামত এতিয়া প্ৰতিদিনে হত্যা কৰা হৈছে একোজন তেজাল যুৱকক। আলফা বিচৰাৰ নামত এতিয়া গাঁৱে-ভূঞে এক সন্ত্ৰাসময় পৰিস্থিতিৰ সৃষ্টি কৰা হৈছে যাতে আলফাৰ স্বাধীন অসমৰ দাবী কোনেও গণতান্ত্ৰিকভাবেও সমৰ্থন কৰিব নোৱাৰে। শেহতীয়াকৈ উগ্ৰপন্থী দমনৰ নামত এনে এখন আইন (চুপাৰ টাডা) প্ৰস্তুত কৰাইছে যিখন আইন বলবৎ হ'লে জাতীয়তাবাদী শিৱিৰত থকা ডাক্তৰ, ইঞ্জিনীয়াৰ, উকীল, সাংবাদিক- বুদ্ধিজীৱী কোনো সাৰি যাব নোৱাৰিব। কোনোবাই বিচ্ছিন্নতা সম্পৰ্কে সামান্য সমৰ্থন জনালে বা মত প্ৰকাশ কৰিলে তেওঁলোকক স্থান দিয়া হ'ব স্বাধীন চৰকাৰৰ অন্ধকাৰ পোতাশালত। অন্যহাতে গুপ্তহত্যাৰ জৰিয়তে অসমৰ প্ৰতিবাদী যুৱক সকলক এফালৰ পৰা হত্যা কৰা হৈছে যাতে কোনেও কেন্দ্ৰৰ শোষণ-বঞ্চনাৰ বিৰুদ্ধে প্ৰতিবাদ কৰিবলৈ সাহস কৰিব নোৱাৰিব। মুঠতে পৰিস্থিতি এতিয়া এনেকুৱা পৰ্য্যায়লৈ লৈ যোৱা হৈছে যাতে গণতান্ত্ৰিকভাৱেও আলফাক সমৰ্থন জনাব নোৱাৰে। কোনেও যাতে অন্যায়-অত্যাচাৰৰ প্ৰতিবাদ কৰিব নোৱাৰে। কোনোবাই প্ৰতিবাদ কৰিলেও তেওঁক আলফাৰ লগত সম্পৰ্ক থকা বুলি গ্ৰেপ্তাৰ কৰা হ'ব। অথচ ভাৰতীয় সংবিধান অনুসাৰে আমি এখন স্বাধীন দেশৰ নাগৰিক। সেয়ে আখৰে আখৰে মানি চলিব লাগে। ইয়াৰ সামান্য প্ৰতিবাদ কৰিলে বা সংবিধানৰ ভুল আঙুলিয়াই দিলে আমি হ'ম দেশদ্ৰোহী ? সেয়ে প্ৰশ্ন হয় আমি বাৰু পৰাধীনতাৰ পৰা মুক্ত হ'লোনে ? ●●

গল্প

# স্খলন

— নগেন বৰুৱা



‘‘খালে, খালে, খালে ঔ খালে, ইহঁতৰ মূৰ খায় শেষ, কৰিলে’’ বুলি হুলস্থুল লগাই দিলে। ঘৰখনৰ মানুহবোৰ চুকে-কোণে যি যি কামত ব্যস্ত হৈ আছিল য’ৰে কাম ত’তে এৰি বুঢ়াৰ চিঞৰ শুনি দৌৰি চোঁতালত উপস্থিত হৈ বুঢ়ালৈ সকলোৰে কৌতুহলী দৃষ্টিৰে চাই ৰ’ল।

ধনীৰাম বুঢ়াই হাতৰ কাম এৰি নাতিয়েকৰ পৰা শ্ৰুতলিপি বহীখন হাততলৈ নাতিয়েকৰ মুখলৈ ভেবা লাগি চাই ৰ’ল। নাতিয়েকহঁতো ককাকৰ ওচৰত এক অপৰাধীৰদৰে ঠিয় হৈ ৰ’ল। বুঢ়াৰ চিঞৰত বোৱাৰীয়েকে ভিতৰৰ পৰা ওলাই আহি সুধিলে- ‘‘কি হ’লনো দেউতা ? সুমনে স্কুলত কিবা ভুল কৰিলে

নেকি?'' বুঢ়াই নাতিয়েকহঁতক পঢ়ালে কেতিয়াবা সিহঁতে ভুল কৰিলে প্ৰায়ে তেনে দৰে সোধে । বুঢ়াই চোতালৰ আগৰ শেৱালী জোপাৰ তলতে থকা চালিখনত বহি কাঠি-কামি কৰি থাকে । স্কুলৰ পৰা নাতিয়েকহঁত আহিলে বাহিৰে বাহিৰে স্কুললৈ কোন মাষ্টৰ নাহিল, কোন মাষ্টৰে কি পঢ়ালে আৰু অঙ্ক কিমান কৰালে তাৰ উত্তৰ কি কি ওলাল-তাৰ সকলো খতিয়ান লৈহে এৰে৷ এনে কামক বোৱাৰীয়েকৰ ভাল নেলাগে । তাইৰ শহুৰেকলৈ বৰ খঙ।

''ল'ৰা-ছোৱালীকেইটা দুখে-ভাগৰে স্কুলৰ পৰা আহিছে এথোন । সেইবোৰ পাছে পৰে সুধিলেনো কি হয় ।'' এই বুলি ভোৰ ভোৰাই থাকে। তালৈ বুঢ়াই কেৰেপ নকৰে । নাতিয়েকহঁতৰ পৰা সেই দিনাৰ পাঠ পঢ়াৰ খতিয়ান লৈহে সিহঁতক সেই বেলালৈ সিমানতে এৰে ।

এদিন বুঢ়াই চিঞৰ-বাখৰ কৰি গোটেই চুবুৰীটোকে খলক লগাই নেৰিলে, লাখুটি বাই বুধেশ্বৰ মাষ্টৰ ঘৰৰ পালেগৈ । মাষ্টৰৰ ঘৰতো গৈ সেই একে হুলস্থূল ।

এই প্ৰমাণ পত্ৰ তোমাৰ স্কুলৰ হয়নে ? এয়া তোমাৰ স্বাক্ষৰ হয়নে বুলি আঙুলি টোৱাই বুধেশ্বৰ মাষ্টৰক খেদা মাৰি যোৱাৰ দৰে গৈ তেওঁৰ সমুখ পালেগৈ। মাষ্টৰে বুঢ়াৰ পৰা নাতিয়েকৰ প্ৰামণ পত্ৰখন হাতত লৈ সুধিলে ।

''কিনো হ'ল ককা ? আপুনি যে ইমান চিঞৰ-বাখৰ লগাইছে ।''

''কি হ'ল বুলি চেলাব আহিছা । সেইখন, সেইখন, কি হ'ল তাত চোৱা ।'' মাষ্টৰে হাততলৈ থকা প্ৰমাণ পত্ৰখনলৈ আঙুলি টোৱাই দেখুৱালে । মাষ্টৰে প্ৰমাণ পত্ৰখন ঘূৰাই ঘূৰাই চাই একো দেখা নেপায় বুঢ়াক ক'লে - ''এইখনতটো একো গণ্ডগোল নাই, ঠিকেই আছে । মিছাই হুলস্থূল লগাইছে ।'' মাষ্টৰৰ কথা শুনি বুঢ়া বোমাৰ দৰে ফাটি পৰিল ।

''একো হোৱা নাই নহয়নে ! সেইখন কাৰ প্ৰমাণ পত্ৰ ।''

''আপোনাৰ নাতিয়েক নিয়ঞ্জনৰ ।''

''নিয়ঞ্জন ! মোৰ নাতিৰ নাম নিয়ঞ্জন নহয় নহয়। নিৰঞ্জন, নিৰঞ্জন ।'' 'য়'নহয়, 'ৰ'হে বুলিকৈ নাতিয়েকৰ নামটো শুদ্ধৰাই আনিছিল । বুধেশ্বৰ মাষ্টৰে 'য়' আৰু 'ৰ'ৰ মাজত পাৰ্থক্য বিচাৰি নেপালে। আহোতে বুঢ়াই বুধেশ্বৰ নাম ল'লেই নহ'ব, কামতো তাৰ প্ৰমাণ দেখুৱাব লাগিব আৰু স্কুলত ল'ৰা-ছোৱালীহঁতে গোৱা প্ৰাৰ্থনাটো বেসুৰা হৈছে বুলি ক'বলৈও নেপাহৰিলে ।

আজি আৰু' ঘটনা তাতোকৈ ডাঙৰ । সৰু নাতিয়েক সুমনৰ শ্ৰুতলিপি বহিখন চাই বুঢ়াই বৈ থাকিব নোৱাৰিলে, চিঞৰি হুলস্থূল লগাই দিলে । শিক্ষকে দিয়া শ্ৰুতলিপিৰ মুঠ নম্বৰ আছে পোন্ধৰ । সুমনে শুদ্ধকৈ পাঁচটা শব্দ লেখিলে, এতেকে সুমনে পাব লগা নম্বৰ পোন্ধৰ ভাগৰ পাঁচ । এতিয়া সুমনে পাইছে পাঁচ ভাগৰ পোন্ধৰ । এতিয়া হিলৈটো ফুটিল এইখিনিতে। লগে লগে বুঢ়াই বোৱাৰীয়েকক মাতি নাতিয়েককহঁতক চমজাই দি ক'লে ''এয়া পুতেৰহঁতে পাঠশালা পঢ়ি অটাও অটাও । ভালদৰে চকু-কাণ দিবি। লোকৰ হাতত ল'ৰা গতালে দেশৰ সুনাগৰিক কৰি গঢ়া দূৰ কথা, নিজৰ পুতেক হিচাপেও নেপাবি।''

কথাটো বোৱাৰীয়েকে ঘৰৰ সকলোকে জনালে। চুবুৰীটোৰ সকলোৱে কথাটো গুৰুত্ব সহকাৰে ল'লে । ঘটনাটো কেৱল সুমনৰ বহীখনেই স্বাক্ষৰ বহন কৰি ৰখা নাই । প্ৰত্যেকজন ল'ৰা-ছোৱালীৰ বহী পাততে বুধেশ্বৰৰ এনে কৃতিত্ব বহন কৰি ৰাখিছে। চুবুৰীটোৰ সকলো অভিভাৱকে লাগি বুধেশ্বৰ হাজৰিকাক বদলি কৰিবৰ বাবে বিষয়াক টানি ধৰিলেগৈ। স্থানীয় যুৱক সকলো এই ক্ষেত্ৰত বহি নেথাকিল । বুধেশ্বৰ হাজৰিকাক বদলি কৰিবলৈ উঠি-পৰি লাগিল । মন্ত্ৰী-এম. এল. এ.ৰ কাষ চাপিও বুদ্ধিজনা বুধেশ্বৰক লৰাব নোৱাৰিলে । ৰাইজ, স্থানীয় যুৱক সকল ডালে ডালে বগালে মাষ্টৰে অকলেই বগালে পাতে পাতে । হাত দীঘল মানুহ । কোনেও একো কৰিব নোৱাৰে । 'স'টোক 'শ'কৈ বুজোৱাতো দূৰৰ কথা । ''ৰ'' টোক ''য়'' কৈ বুজালেও

বুধেশ্বৰৰ চাকৰি কোনেও খাব নোৱাৰে । তেনে কোৱা হাজাৰ ধনীৰাম বুঢ়া আহক, তালৈ যি পৰোৱাই নকৰে ।

বুধেশ্বৰ হাজৰিকাই প্ৰথম জইন্ কৰা দিনা কমখন হুলস্থূল ! চুবুৰিটোত প্ৰথম, দ্বিতীয় বিভাগত উত্তীৰ্ণ হোৱা ল'ৰা-ছোৱালীৰ কিবা অভাৱ আছিলনে! বুধেশ্বৰে কেৱল অঙ্ক বিষয়টোতে তিনিবাৰ পৰীক্ষা দি সৰকি গৈ সেই গালক লাট মাৰি সোমালেহি নহয় স্কুলখনত । এতিয়া পণ্ডিতৰ শিক্ষাত ল'ৰা-ছোৱালী সোপাই পণ্ডিত হওঁ হওঁ। আজিকালি চাকৰিৰ মহঙা দিনত প্ৰথম, দ্বিতীয় বিভাগত উত্তীৰ্ণ হৈ বহি থাকিলেই নহ'ব । বুধেশ্বৰৰ দৰে বুদ্ধি জানিব লাগিব। তেহে আজিকালি চাকৰিৰ চালনীত সৰকিব পৰা যাব।

ধনীৰাম বুঢ়াই পাঠশালাত শিক্ষকতা কৰি কটোৱা বিশ বছৰ হ'ল । এতিয়া জীৱনৰ বিয়লী বেলা কাঠি-কামি কৰি সময় কটায় । শিক্ষকতাৰ স্পৃহা থকা বুঢ়াই অৱসৰক সহজে মানি ল'ব নিবিচাৰিছিল যদিও নিয়মৰ বাধ্য বাধকতাক অস্বীকাৰ কৰিব নোৱাৰিলে । তেওঁ ইয়াক কেৱল নিষ্ঠুৰ দান বুলি গ্ৰহণ কৰিছিল । অৱসৰ গ্ৰহণৰ পাছৰ প্ৰথম দিনটো ধনীৰামৰ বাবে জীৱনৰ স্মৰণীয় দিন । স্কুলৰ সময় হোৱাৰ লগে লগে পৰিবাৰক ভাত বিচাৰি থৰকাচুতি হেৰুৱাছিল । পৰিবাৰে আগদিনা বিদায় সম্বৰ্দ্ধনা সভাত উপহাৰ দিয়া সঁফুৰা লগোৱা শৰাইখন আহি দেখুৱাই দিয়াতহে তেওঁৰ ফুলি থকা মনটো বায়ু ওলাই পৰা বেলুনটোৰ দৰে হৈ পৰিল । পৰিবেশটো ঘৈণীয়েকৰ ভাল নেলাগিল । তথাপিও তেওঁৰ মনটো পাতলাবৰ বাবে ক'লে - ''সদায়নো ক'ত চাকৰি কৰিবলৈ সময় পাব। বয়সেই যেতিয়া বৈ নেথাকে, আপোনাক জানো ৰ'বলৈ সময় দিব । এতিয়া ঘৰতে বহি কাঠি-কামি কৰি সময় কটাওক।'' - ঘৈণীয়েকৰ কথা শুনি ধনীৰামৰ মনটো কেনেবা কেনেবা লাগিল । স্কুলৰ বেল পৰালৈকে জপনা মুখৰ পৰা কেবাবাৰো পায়চাৰি কৰিলে আৰু মনতে তেওঁ ভাবিলে —

''মোৰ জানো অৱসৰ ল'বৰ সময় হ'ল । পাহাৰ বগাব পৰা হৈ আছো ।'' তেওঁ স্কুলৰ পৰা আঁতৰি থাকিল যদিও স্কুলৰ কাষৰ পৰা আঁতৰি নেথাকিল । সেই দিনাই আবেলি মিস্ত্ৰীৰ হতুৱাই এখন দোলনা চকিকে সজাই ল'লে আৰু স্কুলৰ সন্মুখত থকা আঁহতৰ তলত 'ক' মান শ্ৰেণী ছুটী হোৱাৰ পৰলৈকে চকী পাৰি বহে আৰু পাছত কামত হাত দিয়েহি । স্কুলৰ জপনাৰ সন্মুখত বহি একান্ত মনে ল'ৰাহঁতে গোৱা প্ৰাৰ্থনা শুনি ভাৱতে বিভোৰ হয় । স্কুলৰ বাহিৰত চিঞৰি চিঞৰি নেওঁতা পঢ়ুৱাওতে ভুল শুনিলে তেওঁৰ অন্তৰখন হাহাকাৰ কৰি উঠে ।''

''চেহ, তেওঁ নেওঁতা পঢ়াওতে আঠ আঠ গুণ চাপন্ন বুলিকৈছে, শিক্ষকৰ বাৰু কাণত পৰা নাইনে? '' এনে ধৰণৰ উগুল-থুগুল ভাৱে হেন্দোলনি তোলে ।

স্কুলখনলৈ বিশ বছৰত বহু শিক্ষক আহিল আৰু গ'ল, ল'ৰা-ছোৱালীৰ কোনো লেখত ল'ব লগা পৰিবৰ্তন নাহিল । সেয়েহে বুঢ়াই আজিৰ যুগেই তেনে বুলি ভাবি এৰি দিছে যদিও তেওঁৰ নাতিয়েকহঁতৰ ওপৰত কঢ়া দৃষ্টি ৰাখি ঘৰৰ মাক-দেউতাকক পৰোক্ষভাৱে সঁকিয়াই থাকে । এই সঁকিয়নিক অৱশ্যে বোৱাৰীয়েকে গ্ৰহণ নকৰাকৈ থকা নাই । ল'ৰা-ছোৱালীৰ দেউতাক দূৰৈত কৰ্মৰত অৱস্থাত থকাত বুঢ়াকে ল'ৰা-ছোৱালী কেইটা গতাই মাক একেবাৰে নিশ্চিন্ত হৈ থাকে ।

বুঢ়াই গতাই দিয়া পুতেকহঁতক মাকে দুহাতে সাৱটি ধৰাৰ পাছত তাইৰ বুকু দুঁৰু দুঁৰু কঁপি উঠিল । ''দেউতাই কোৱাৰ দৰে ল'ৰা-ছোৱালীকেইটাক স্কুলত পঢ়ুৱাই দেশৰ সু-নাগৰিক কৰি গঢ়া দূৰৰ কথা নিজা ল'ৰা হিচাপেও যদি নেপাওঁ কি হ'ব বাৰু ?'' বুলি এটা হতাশ মনলৈ কেউতাকে ভিতৰলৈ সুমুৱাই নিলে । ●●

OKDISCD

# মুখামুখি

**এই সংখ্যাৰ প্ৰশ্ন ঃ**

**নিৰ্বাচনত ভোট দিয়াটো যিদৰে সাংবিধানিক অধিকাৰ, ঠিক তেনেদৰে ভোট দানৰ পৰা বিৰত থকাটোও আপোনাৰ এক সাংবিধানিক অধিকাৰ । এতিয়া আমাৰ প্ৰশ্ন হ'ল – আগন্তুক নিৰ্বাচনত আপুনি কোনটো অধিকাৰ সাব্যস্ত কৰিব বিচাৰে আৰু কিয় ?**

- উৎপল সোনোৱাল
জামুগুৰি, গোলাঘাট



ভাৰতবৰ্ষ বুলি ক'লেই মনলৈ আহে এখন ছবি, য'ত হিংসা, হত্যা, ধৰ্ষণ, লুণ্ঠন আদিৰ অবাধ বিচৰণ। বিশেষকৈ অসম ভূমিত। ইয়াৰ উপৰিও অসমৰ ক্ষেত্ৰত ভূতৰ ওপৰত দানৱ পৰাদি পৰেহি কেন্দ্ৰ চৰকাৰৰ শোষণ, বিদেশী, উগ্ৰপন্থী আদি। এই ঘটনাবিলাকে বিদ্ৰোহী কৰি তোলে তেজৰ প্ৰতিটো কনিকাক, কিন্তু বাধা দিয়ে বিবেক আৰু আশাই । জীয়াই থকাৰ আশাই। প্ৰতিবাদ মানেই যে মৃত্যু ! গতিকে এনেকুৱা এখন দেশৰ দুৰ্ভগীয়া নাগৰিক হৈ মই ভাবো যে ভোট দানৰ পৰা বিৰত থকাটোৱেই সুস্থ মানসিকতাৰ পৰিচয়। কিয়নো যিখন দেশত এটা শ্ৰেণীয়ে দিনটোত চাৰিসাজ খাই দুৰ্ভগীয়া, নিশকতীয়াসকলৰ ওপৰত শোষণ চলায়, আনহাতে অন্য এক শ্ৰেণীয়ে চাৰিদিনত এসাজ খাই নিৰ্বিবাদে মানি লয় শোষণকাৰীৰ শাসন। ইয়াৰ উপৰিও স্বাৰ্থান্বেষী, ক্ষমতালোভী, যাৰ মগজুত মানবীয়তাবোধৰ ক্ষুদ্ৰ কোষ এটাই নাই তেনে লোকৰ হাতত আমাৰ ভৱিষ্যতটো তুলি দিয়াৰ মানসিকতা মোৰ নাই। অৰ্থাৎ আমাৰ সমূহ নাগৰিকৰ মূল্যৱান ভোট তুলি দিব পৰাকৈ এটা মূল্যৱান ৰাজনৈতিক দলৰ অভাৱ বুলিও মোৰ বিশ্বাস। সদৌ শেষত এটা কথা কওঁ যে দেশখনক যেতিয়া ধ্বংসৰ পথলৈ নিব তেতিয়া ভোট নিদিলে অন্ততঃ আত্মাই শান্তনা লভিব পৰা যাব যে আমি তেওঁলোকক ক্ষমতাত অধিষ্ঠিত কৰা নাই।

- ৰঞ্জুমনি ঠেঙাল
এইচ, পি. বি. ছোৱালী মহাবিদ্যালয়, গোলাঘাট



গণতান্ত্ৰিক ৰাষ্ট্ৰত নাগৰিকেই যিহেতু মূলবস্তু, সেইবাবে তেওঁলোকৰ কিছুমান সাংবিধানিক অধিকাৰ আছে। তাৰ ভিতৰত ভোটাধিকাৰো এটা। নাগৰিকে ইচ্ছা কৰিলে ভোট দি আৰু ইচ্ছা নকৰিলে ভোট নিদিয়াকৈয়ে থাকিব পাৰে। অৱশ্যে মই আগন্তুক নিৰ্বাচনত ভোট নিদিয়া অধিকাৰটোহে সাব্যস্ত কৰিব বিচাৰো। ইয়াৰ কাৰণ প্ৰত্যেক নাগৰিককে সমতাৰ অধিকাৰ, স্বাধীনতাৰ অধিকাৰ, মত প্ৰকাশৰ অধিকাৰ, শোষণৰ বিৰুদ্ধে অধিকাৰ আদি মৌলিক অধিকাৰসমূহক চৰকাৰে আওকাণ কৰি নিজ স্বাৰ্থ পূৰণ কৰিবলৈ ধৰিছে। নাগৰিকসকল এতিয়াও শোষণৰ বলি হৈ থাকিব লগা হৈছে। দিনে দিনে বাঢ়ি যোৱা মূল্য বৃদ্ধি, হত্যা, লুণ্ঠন, ধৰ্ষণ আদিৰ লগতে নিবনুৱা সমস্যাই বাৰুকৈয়ে গা কৰি উঠা দেখা গৈছে । ফলত নাগৰিকৰ জীৱন দুৰ্বিসহ হৈ পৰিব ধৰিছে । সেয়ে মই ভাবো যে প্ৰতিবাৰেই যদি নিৰ্বাচনত নাগৰিকে একে মনোবৃত্তিৰ দল বা ব্যক্তিকে নিৰ্বাচন কৰি থাকে, তেন্তে আমাৰ দেশখন ৰসাতলে যাবলৈ নিশ্চয় আৰু বেছি দিনৰ প্ৰয়োজন নহ'ব । আমাৰ দেশৰ প্ৰত্যেক নাগৰিকেই যিহেতু একমত নহয়, সেই বাবে যিবিলাক ব্যক্তিয়ে চৰকাৰৰ পৰা নানা ধৰণৰ সুবিধা পাইছে, তেওঁলোকে হয়তো সেই ভোটদানক সমৰ্থন কৰিব । কিন্তু আগন্তুক নিৰ্বাচনতো যদি তেনে সুবিধাবাদী দল বা ব্যক্তি নিৰ্বাচিত হয়, তেন্তে আমাৰ জীৱন অন্য পথে গতি কৰিব। সেই বাবেই মোৰ ভয় লাগে আৰু মই এইবাবেই আগন্তুক নিৰ্বাচনত ভোট নিদিয়া অধিকাৰটো সাব্যস্ত কৰিব বিচাৰো।

- অজয় বৰুৱা
চুঙাজান, যোৰহাট



আগন্তুক নিৰ্বাচনত মই ভোটদানৰ পৰা বিৰত থকাটো বিচাৰো।

ইয়াৰ সপক্ষে কওঁ যে, সংবিধানত আমাক স্বাধীনতাৰ অধিকাৰ দিছে । সেই অধিকাৰৰ ভিতৰতে বাক্-স্বাধীনতা আৰু মত প্ৰকাশৰ স্বাধীনতা সন্নিবিষ্ট কৰা হৈছে। যিদৰে


আমাক সংবিধানে স্বাধীনতাৰ অধিকাৰ দিছে, ঠিক সেইদৰে ভোটদানৰ পৰা বিৰত থকাটোও সংবিধানেই প্ৰদান কৰিছে।

আমি ভোট দি কি পাইছো ॥ অসম প্ৰাকৃতিক সম্পদত যথেষ্ট চহকী ॥ অসমৰ বুকুত প্ৰচুৰ পৰিমাণে উদ্যোগজাত কেঁচামাল আছে ॥ কিন্তু সম্পদত চহকী হ'লেতো নহ'ব ॥ সেই সম্পদৰ ওপৰত আমাৰ অসম চৰকাৰৰ হাত নাই ॥ দিল্লী চৰকাৰৰ নিৰ্দেশত বিদেশী বহুজাতিক কোম্পানীয়ে বিনাবাধাই অসমৰ পৰা কোটি কোটি টকাৰ সম্পদ সামান্য কৰৰ বিনিময়ত অহৰ্নিশে উলিয়াই নিছে ॥ তাৰ বিৰুদ্ধে কোনো এখন চৰকাৰে মাত মাতিব পৰা নাই ॥ যি চৰকাৰে নিজৰ সম্পদৰ ওপৰত অধিকাৰ সাব্যস্ত কৰিব নোৱাৰে তেনে এখন চৰকাৰক আমি ভোট দি ক্ষমতাৰ গাদীত বহুৱাৰ প্ৰয়োজন নাই ॥ ১৯৯৬ চনত ক্ষমতাত অধিষ্ঠিত গণ পৰিষদ চৰকাৰে অসমৰ জনসাধাৰণৰ আত্মনিয়ন্ত্ৰণৰ অধিকাৰ প্ৰতিষ্ঠাৰ প্ৰতিশ্ৰুতি দিছিল ॥ কিন্তু তাৰ ফলশ্ৰুতিত অসমৰ জনসাধাৰণে উপহাৰ পালে সেনা-আৰক্ষীৰ নিৰ্যাতন আৰু গুপ্তঘাতক ॥ যাৰ পৰিণতিত অসমৰ শ শ পৰিবৰ্তনকামী যুৱক নিঃশেষ হৈয়ে আছে ॥

আজি জনসাধাৰণ সচেতন হ'বৰ হ'ল ॥ প্ৰতি পাঁচ বছৰৰ মূৰে মূৰে উৎসৱ অহাৰ দৰে নিৰ্বাচন আহে ॥ নিৰ্বাচনৰ আগত নেতাসকলৰ প্ৰতিশ্ৰুতি ভৰা অন্তহীন বক্তৃতা, কিন্তু গাদী পোৱাৰ পিছত প্ৰতাৰণা, প্ৰৱঞ্চনাৰে দুৰ্নীতিত নিমজ্জিত হয় ॥ যি চৰকাৰৰ অসমৰ সমস্যাসমূহৰ সমাধান কৰাৰ চেষ্টা নাই, তেনে চৰকাৰক ভোট দিও লাভ নাই ॥ আজিৰ দিনত নিৰ্বাচনত ভোট দিবলৈ দলেবলে যোৱাতকৈ পৰিবৰ্তনকামী মানসিকতাৰে জনজাগৰণৰ সৃষ্টি কৰাটোৱেই সময়ৰ আহ্বান।

– উপেন বৰা

৩নং তৰাণি মাজগাঁও, দৈয়াং



মই একে আষাৰে কওঁ – "এইবাৰ নিৰ্বাচনত ভোট নিদিওঁ।"

কাৰণ, আমি অসমীয়া মানুহবোৰে বুজি উঠিছো যে – আমি কাৰো বহতীয়া গোলাম নহয়, আমি এখন গণতান্ত্ৰিক দেশৰ সম্পূৰ্ণ অধিকাৰ পাব লা[illegible] ॥ অসমৰ জনসাধাৰণে দেশ স্বাধীন হোৱা দিনৰে পৰা ভো[illegible] দি আহিছে। কিন্তু যোৱা সময়বোৰত দেখা পোৱা গৈছে [illegible] ৰাজনৈতিক দলবোৰে আমাৰ অজলা অসমীয়া মানুহ[illegible]ক হাতিয়াৰ হিচাপে ব্যৱহাৰ কৰি আহিছে ॥ ৰাজ[illegible] [illegible]খন গণতান্ত্ৰিক চৰকাৰ থাকিলেও প্ৰত্যেক সমস্যাৰ বাবে তেজৰ আন্দোলন কৰিব লগা হৈছে ॥ অসমত মাতৃভাষা প্ৰয়োগৰ বাবে, অসমৰ খনিজ সম্পদ, শোধনাগাৰ আদি প্ৰতিষ্ঠাৰ বাবে, অসমৰ পৰা বিদেশী বহিষ্কাৰৰ বাবে বৃহৎ আন্দোলন কৰি বহু যুৱক-যুৱতী শ্বহীদ হ'ব লগা হ'ল ॥ অন্যহাতে যোৱা দশকত উগ্ৰপন্থী, গুপ্তঘাতক আদি সমস্যা বৃদ্ধিহে পাইছে ॥ চৰকাৰৰ সদইচ্ছা থাকিলে সমাধান কৰিব পাৰে যদিও তাকে নকৰি সমস্যাবোৰ জটিলৰ পৰা জটিলতৰ কৰি চৰকাৰী বাহিনীৰ দ্বাৰা হোজা অসমীয়াসকলক অত্যাচাৰ চলাই গণতান্ত্ৰিক অধিকাৰ খৰ্ব কৰিছে ॥ আমি নিৰ্বাচন কৰা ৰাজনৈতিক দলবোৰে ৰাজপাট ৰক্ষাৰ বাবে যি কঠোৰ দৃষ্টি জনগণৰ ওপৰত লৈছে, তাৰ বাবে সঁচাই স্বাধীন দেশৰ অসমীয়া মানুহবোৰ লজ্জিত হৈছো আৰু পৰাধীন দেশৰ নাগৰিক যেন ভাৱ আমাৰ মনত অংকুৰিত হৈছে ॥ সেয়ে আগন্তুক নিৰ্বাচনত আমি ভোটদান নকৰি এক নতুন শাসন পদ্ধতি প্ৰৱৰ্তনৰ বাবে আদৰ্শবাদী বিশিষ্ট ব্যক্তিৰ আহ্বানত বৃহৎ 'জাতীয় গণশক্তি' প্ৰদৰ্শন কৰিব বিচাৰো ॥

– অমৰেন্দ্ৰ শৰ্মা

চুঙাজান, গোলাঘাট



এইটো এটা জটিল প্ৰশ্ন ॥ ইয়াৰ একেবাৰে শুদ্ধ উত্তৰ দিয়াটো সম্ভৱ নহয়, তথাপি আগন্তুক নিৰ্বাচনত মই ভোটদানৰ পৰা বিৰত থকাটোকে বিচাৰিছো ॥

কাৰণ, আজিৰ পৰা ভাৰতবৰ্ষ স্বাধীন হোৱা তেপন্ন বছৰ হ'ল, কিন্তু আজি পৰ্যন্ত ভাৰতৰ সংবিধানে প্ৰদান কৰা অধিকাৰ সমূহৰ পৰা বঞ্চিত হৈ আহিব লগা হৈছে ভাৰতীয় নাগৰিক ॥ ভোটাধিকাৰৰ বাহিৰে অন্য কোনো অধিকাৰ এতিয়া বাইজে সাব্যস্ত কৰিব পৰা নাই ॥ বাক্-স্বাধীনতাকে ধৰি নাগৰিকৰ মৌলিক অধিকাৰসমূহ ৰাষ্ট্ৰ বা ৰাজ্য চৰকাৰে ক্ষমতাৰ প্ৰতি লালায়িত হৈ খৰ্ব কৰি পেলাইছে ॥ সেয়ে আজি মোৰ দৰে অসমৰ সচেতন নাগৰিকৰ ভাৰতীয় সংবিধানৰ প্ৰতি আস্থা নোহোৱা হৈছে ॥ লগতে উভয় চৰকাৰৰ প্ৰশাসনীয় হিংস্ৰতাৰ প্ৰতি ঘৃণাৰ ভাৱ জন্মিছে ॥ প্ৰতি পাঁচ বছৰৰ মূৰে মূৰে নতুন-নতুন প্ৰতিশ্ৰুতিৰে চৰকাৰ গঠন কৰা দলবোৰে নতুন-নতুন পদ্ধতিৰে হত্যা, লুণ্ঠণ, ধৰ্ষণ আদি জঘন্য কাৰ্যসমূহ চলায়ে আহিছে ॥ জনসাধাৰণৰ কোনো সমস্যা সমাধান কৰিবলৈ সমৰ্থ নোহোৱা, বাইজক

হেতালিৰ গুটি হিচাপে ব্যৱহাৰ কৰা দলবোৰক (লগতে প্ৰাৰ্থী সকলকো) আগন্তুক নিৰ্বাচনত প্ৰায়শ্চিত্ত কৰিব লাগিব। অসমৰ ৰাইজ এই মুহূৰ্ততে সজাগ হ'বৰ হ'ল । নহ'লে পাঁচ বছৰলৈ এই সুবিধা আকৌ হেৰাই যাব । গতিকে এই সুযোগতে মই ঠিৰাং কৰি লৈছো যে আগন্তুক নিৰ্বাচনত মই ভোট দানৰ পৰা বিৰত থাকিম ।

**- পুতুল গগৈ**

পুষ্পবন, জামুগুৰি, গোলাঘাট



নিৰ্বাচনত ভোটদান কৰা বা নকৰা — এই দুয়োটা অধিকাৰৰ সপক্ষে-বিপক্ষে শক্তিশালী যুক্তি আছে। মোৰ মতে আগন্তুক নিৰ্বাচনত আমি ভোট দানৰ পৰা বিৰত থকা অনুচিত । কাৰণ (১) ভোট দানৰ পৰা বিৰত থাকিলে শোষণ-নিষ্পেষণ, উচ্চ-নীচ, ধনী-দুখীয়া আদিৰ দৰে অশুভ প্ৰৱণতাবোৰ ৰাতিৰ ভিতৰতে অদৃশ্য হৈ নাযায় । (২) ভাৰতবৰ্ষৰ দৰে এখন বৃহৎ গণতান্ত্ৰিক (?) দেশত পাগল, দেউলীয়া আৰু বিদেশীলোকৰ বাহিৰে ওঁঠৰুদ্ধ সকলো ভাৰতীয় নাগৰিকে নিজৰ মতামত ভোটদানৰ জৰিয়তে সাব্যস্ত কৰিব পাৰে । ভোটাধিকাৰৰ দৰে গুৰুত্বপূৰ্ণ অধিকাৰটো প্ৰত্যাখ্যান কৰি হোজা, মেহনতী জনতাৰ তিলমানো উপকাৰ নহয় । বৰং অশুভ শক্তিয়ে ক্ষমতা হস্তগত কৰি সৰ্বহাৰা-বঞ্চিত-পদদলিত সকলৰ স্বাৰ্থৰ প্ৰতিকূলে কাম কৰাৰ আশংকা অধিক। (৩) সকলো ৰাজনীতিক ক্ষমতান্ধ বা নিষ্ঠুৰ-দুৰাচাৰী অত্যাচাৰী নহয় । অৱশ্যে, গৰিষ্ঠাংশ ৰাজনীতিক ঠগ-প্ৰৱঞ্চক, সি কিন্তু স্বীকাৰ্য। ভোটাৰ সকলে সকলো ৰাজনীতিকক ধুৰন্ধৰ-দগাবাজ বুলি নাভাৱি সৎ সাহসী-চৰিত্ৰবান লোকক নিৰ্বাচিত কৰিলে দেশ তথা জাতিৰ স্বাৰ্থ সুৰক্ষিত হ'ব। (৪) ভোটদান নকৰিলে অসমীয়া জাতিক নিঃশেষ কৰিবলৈ অহা ৰঘুমালা স্বৰূপ অপশক্তিটোৰ হাত শক্তিশালী হ'ব। অপশক্তিৰ ভোটত নিৰ্বাচিত শাসন আৰু অধিক জিঘাংসু-দুৰ্দান্ত হ'ব। গতিকে ভোটদানৰ পৰা বিৰত থকা মানে আমি আমাৰ ভৰিত কুঠাৰ মাৰি লোৱা হ'ব।

শেষত কওঁ — ভোটদানৰ পৰা বিৰত থাকি শাসক-শোষকৰ নোম এড়ালো আমি লৰাব নোৱাৰো । যদিহে আমি প্ৰতিজন নাগৰিক সৎ শিক্ষাৰে শিক্ষিত হ'ব নোৱাৰো, আত্মনিৰ্ভৰশীল, স্বতন্ত্ৰ, সমাজকেন্দ্ৰীক হ'ব নোৱাৰো । আৱেগসৰ্বস্ব কোনো কামতে আমি সফল হ'ব নোৱাৰো । সি কিন্তু ধ্ৰুপ ।

**- দিপালী বৰা**

চাৰিঙীয়া, কঠালগুৰি-২২



আগন্তুক নিৰ্বাচনত মই ভোটাধিকাৰ সাব্যস্ত কৰিম। এখন গণতান্ত্ৰিক ৰাষ্ট্ৰৰ প্ৰতিজন প্ৰাপ্তবয়স্ক নাগৰিকে ভোটাধিকাৰ সাবস্ত্য কৰাটো দেশৰ কাৰণে যিমান লাভজনক, ভোটদানৰ পৰা বিৰত থকাটো দেশ তথা জাতিটোৰ বাবে বেছি ক্ষতিকাৰক । বহু জাতি-উপজাতি, বহু ভাষা-ভাষিক, ভিন্ন ধৰ্ম, ভিন্ন সংস্কৃতিৰে আবৃত ভাৰতবৰ্ষ ২৮ খন ৰাজ্যৰে গঠিত এখন বৃহৎ গণতান্ত্ৰিক ৰাষ্ট্ৰ । গণতান্ত্ৰিক ৰাষ্টত লিখিত সংবিধানৰ গণ্ডীৰ ভিতৰত থাকি দেশৰ আভ্যন্তৰীণ, সামাজিক, অৰ্থনৈতিক, প্ৰযুক্তিবিদ্যা আদি উন্নয়নমূলক কাম-কাজত সকলো নাগৰিকে অৰিহণা যোগাব লাগে। জনসাধাৰণৰ হৈ প্ৰতিনিধিত্ব কৰিবৰ কাৰণে জন-প্ৰতিনিধি নিতান্তই প্ৰয়োজন । সেইজন প্ৰতিনিধি ৰাইজৰ ভোটেৰে নিৰ্বাচিত প্ৰতিনিধি অৱশ্যে তেওঁ ৰাইজৰ হকে মুক্তভাৱে, সৎ-কৰ্ম তথা নিকা ভাৱমূৰ্ত্তিৰে কাম কৰিব পৰা ব্যক্তি হ'ব লাগিব। আমাৰ মাতৃভূমি অসমখন ভাৰতৰে এখন ৰাজ্য। যিখন দেশত বহুতো জনগোষ্ঠীৰ লোকে বাস কৰে, প্ৰত্যেকেই নিজ নিজ জনগোষ্ঠীৰ লোকক সংসদত, বিধান সভাত প্ৰতিনিধিত্ব কৰিবৰ কাৰণে ভোটাধিকাৰ বাস্যস্ত কৰিব পাৰে।

একবিংশ শতিকাৰ হ'বলগীয়া আগন্তুক নিৰ্বাচনত মই মোৰ মনোনিত প্ৰাৰ্থীক মূল্যৱান ভোটেৰে অধিকাৰ সাব্যস্ত কৰিম । জ্বলন্ত সমস্যাৰে জৰ্জৰিত অশান্ত অসমত শান্তিৰ বন্যা বোৱাবলৈ, অগ্নিগৰ্ভা আমাৰ মাতৃভূমিত বিপন্ন হ'ব ধৰা অস্তিত্ব ৰক্ষাৰ্থে একবিংশ শতিকাৰ আগন্তুক নিৰ্বাচনত নিকা ভাৱমূৰ্ত্তিৰ প্ৰতিনিধিক নিৰ্বাচিত কৰি মোৰ ভোটাধিকাৰ সাব্যস্ত কৰিম ।

**- জয়ন্ত হাজৰিকা**
লক্ষীবাৰী, গোলাঘাট



আমাৰ ভাৰতবৰ্ষৰ সংবিধানৰ নীতি মৰ্মে প্ৰত্যেকজন নাগৰিকে ভোটদান কৰাটো প্ৰধান কৰ্তব্য । কিন্তু মোৰ ধাৰণা মতে আগন্তুক নিৰ্বাচনত ভোটদানৰ পৰা বিৰত থকাটো প্ৰতিজন সচেতন নাগৰিকৰ একান্ত কৰ্ত্তব্য হ'ব বুলি ভাবো। যিহেতু বিগত পঞ্চম বাৰ্ষিক চৰকাৰসমূহৰ যি কাৰ্যপন্থা, সেই কাৰ্য্যপন্থাত মই সন্তুষ্ট নহয় । অৰ্থাৎ এখন গণতান্ত্ৰিক চৰকাৰে নাগৰিকৰ জীৱন নিৰ্বাহৰ যিখিনি সা-সুবিধা প্ৰদান কৰিব লাগে তাক দিবলৈ সক্ষম হোৱা নাই । দেশৰ উন্নয়নমূলক কাৰ্য্যসমূহ সুচাৰুৰূপে পৰিচালিত হোৱা দৃষ্টিগোচৰ হোৱা নাই । অন্যহাতে আমাৰ সাম্প্ৰতিক পৰিস্থিতিয়ে এক জটিল ৰূপ ধাৰণ কৰিছে । ভাৰতৰ অন্য ৰাজ্যসমূহৰ তুলনাত অসমৰ নিত্য প্ৰয়োজনীয় দ্ৰব্য-সামগ্ৰীৰ যি মূল্য দিনক দিনে বৃদ্ধি পাইছে, এই মূল্য বৃদ্ধি দেশৰ প্ৰত্যেকজন নাগৰিকে বহন কৰিব লগা হৈছে এনেক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰে দুয়োৰে দেশৰ নিশ্চয় সাব্যস্ত হৈ আছে । বিশেষকৈ অসমৰ ক্ষেত্ৰত মই ক'বলৈ বাধ্য যে, অসমৰ ভয়াবহ সমস্যা নিবনুৱা সমস্যা । এই সমস্যা এদিন অসমৰ জটিল সমস্যাৰ সৃষ্টি কৰিব। অৰ্থাৎ আলফাৰ দৰে বিভিন্ন উগ্ৰপন্থীৰ আবিৰ্ভাৱ হোৱাটো স্বাভাৱিক। এনে ধৰণৰ সমস্যা কোন শতিকাত সমাধান হ'ব ? গতিকে অহা আগন্তুক নিৰ্বাচন তথা ২০০১ চনৰ যি অসম বিধান সভাৰ নিৰ্বাচন অনুষ্ঠিত হ'ব আৰু যি দলেই চৰকাৰ গঠন নকৰক লাগে অসমৰ উন্নতি অন্ধকাৰ। সেয়েহে মই ভাবো আসন্ন নিৰ্বাচনত ভোটদানৰ পৰা বিৰত থকাটো উচিত হ'ব।

**– নিপুল ৰাজখোৱা**
কমলাবাৰী সত্ৰ, মহিমাবাৰী, তিতাবৰ

মোৰ সীমিত অভিজ্ঞতা আৰু জ্ঞানৰ আধাৰত আগন্তুক নিৰ্বাচনত ভোট দানৰ পৰা বিৰত থাকিম বুলি ভাবিছো । গণতন্ত্ৰৰ প্ৰতি যেন আজি বিৰাগভাব জন্মিছে। গণতন্ত্ৰ আজি এক প্ৰহসনত পৰিণত হৈছে । হত্যা, ধৰ্ষণ, সন্ত্ৰাসেৰে বিধবস্ত দেশত জানো গণতন্ত্ৰৰ মূল্য আছে ? আছে ! নিশ্চয় আজিও আছে গণতন্ত্ৰৰ প্ৰকৃত অস্তিত্ব । কিন্তু গণতন্ত্ৰৰ ধ্বজ্জাবাহী সকলৰ সংকীৰ্ণ মনোবৃত্তিয়ে গণতন্ত্ৰৰ প্ৰকৃত মৰ্যদা মূল্যহীন কৰি তুলিছিল। ফলত গণতন্ত্ৰৰ অৱক্ষয় ঘটিছে । ৰাজনৈতিক জগতৰ ৰথী-মহাৰথীসকলে স্বদেশ প্ৰীতিৰ পৰা ফালৰি কাটি ব্যক্তিগত মুনাফা লাভৰ প্ৰতিযোগিতাত অৱতীৰ্ণ হৈছে। বৃহৎ স্বাৰ্থ ত্যাগ কৰি ক্ষুদ্ৰ স্বাৰ্থক আকোৱালি লোৱাত দেশৰ প্ৰগতি মন্থৰ হৈ পৰিছে। ফলশ্ৰুতিত দেশৰ জলন্ত সমস্যাসমূহ ভয়ংকৰ ৰূপত অদূৰ ভৱিষ্যতলৈ গতি কৰিছে। দেশৰ সৰ্বত্ৰ আজি দুৰ্নীতি আৰু কেলেংকাৰী বিৰাজমান। ৰাজনৈতিক কাণ্ডাৰীসকলৰ নৈতিক চৰিত্ৰৰ পতন, দুৰ্নীতিগ্ৰস্ত স্বভাৱ, আত্মকেন্দ্ৰিক শাসনে গণতন্ত্ৰক পংগু কৰি তুলিছে। ক্ষমতাৰ লালসাত পৰি তেওঁলোকে পাহৰি যায় কোটি কোটি জনতাৰ কৰুণ আৰ্তনাদ। সেইয়ে আজি পদে পদে লাঞ্চিত, বঞ্চিত জনতাৰ গণতন্ত্ৰৰ প্ৰতি থকা বিশ্বাস হেৰাই গৈছে । গতিকে নিৰ্বাচনত ভোটদান কৰি লাভ কি ? ভোটদানৰ পৰা বিৰত থকাটোৱেই শ্ৰেয় বুলি ভাবো । এটা কথা ঠিক সহস্ৰজনৰ আন্তৰিক সহযোগিতাতহে দেশৰ প্ৰগতি সম্ভৱ । ●●

## অহা সংখ্যাৰ বিষয়

**অসমৰ সামগ্ৰিক বিকাশৰ বাবে অৰ্থপূৰ্ণ ৰাজনৈতিক সংগ্ৰামৰ প্ৰয়োজন । এই সংগ্ৰামৰ ৰূপৰেখা কেনে হোৱা উচিত বুলি আপুনি ভাবে?**

**ৰাজনৈতিক সংগ্ৰামৰ সমান্তৰালভাৱে অৰ্থনৈতিক সংগ্ৰামৰো নিতান্ত প্ৰয়োজন । এই দিশত কেনে পদক্ষেপ গ্ৰহণ কৰিলে প্ৰকৃতাৰ্থত আমি (অৰ্থাৎ অসমৰ ৰাইজ) সফল হ'ব পাৰিম?**

OKDISCD

# নাৰী শক্তি আৰু মৰ্য্যদা

— চম্পা শইকীয়া

নাৰী শক্তি মহৎ শক্তি । সৃষ্টিৰ পাতনিৰে পৰা নাৰীয়ে মানৱ জীৱনৰ বিকাশত গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰি আহিছে। সমাজ সংগঠন, সংস্কাৰত পুৰুষ সমাজতকৈ নাৰী সমাজৰ ভূমিকা কোনো গুণেই কম নহয়। বৰঞ্চ বেছি বুলি ক'লেহে শুদ্ধ কোৱা হয়। এখন গণতান্ত্ৰিক ৰাষ্টত নাৰী সমাজৰ কৰ্তব্য আছে। নাৰীও সমাজৰ ধৰণীস্বৰূপ। সমাজৰ উত্তৰাধিকাৰী এটি শিশুক জন্ম দিয়াৰ পৰা সু-শিক্ষাৰে একো একোজন সুস্থ, সমাজক উপযুক্ত ব্যক্তি হিচাপে গঢ়ি তোলালৈকে নাৰীৰ কৰ্তব্য আৰু দায়িত্ব অসীম। সমাজৰ উন্নতিৰ প্ৰতিটো পদক্ষেপতে নাৰীৰ অৱদান অতুলনীয়।

বৈদিক যুগত নাৰীৰ স্থান অতি উন্নত আছিল সেই কথাত কোনো দ্বিমত নাই। সকলো ক্ষেত্ৰতে নাৰীক পুৰুষৰ সৈতে সমান অধিকাৰ দিয়া হৈছিল। অত্ৰেয়ী, ক্ষেত্ৰেয়ী, গাৰ্গী, লীলাৱতী, লোপামুদ্ৰা আদি নাৰীয়ে নিজৰ জ্ঞান গৰিমাৰ যোগেদি নাৰীৰ স্থান উন্নত কৰাৰ উপৰি সমাজত কেনেদৰে প্ৰভূত্ব বিস্তাৰ কৰিছিল সেই কথাও বিজ্ঞ লোকৰ জ্ঞাত। কিন্তু বৈদিক যুগৰ শেষৰ ফালে নাৰীক অৰ্থনৈতিক বা ৰাজনৈতিক কোনো ক্ষেত্ৰতে ভাগ ল'বলৈ দিয়া হোৱা নাছিল। পিছৰ ব্ৰাহ্মণ্য যুগত নাৰীক মাত্ৰ ভোগৰ সামগ্ৰী হিচাপেহে ব্যৱহাৰ কৰা হৈছিল। এই যুগতেই সতীদাহ প্ৰথা, বাল্য বিবাহ আদি ঘৃণনীয় প্ৰথাবোৰ সমাজত প্ৰচলিত হৈছিল।

বৰ্তমান এই সকলো ঘৃণনীয় প্ৰথাৰে আইন-কানুনৰ দ্বাৰাই অৱসান ঘটাই নাৰীৰ ৰাজনৈতিক, অৰ্থনৈতিক, শৈক্ষিক, সামাজিক আদি বিভিন্ন দিশত পুৰুষৰ সৈতে সমান স্থান দিয়া হৈছে যদিও মানৱৰ সমাজৰ প্ৰত্যেক ব্যক্তিৰ মনৰ অন্তকোষৰ পৰা ব্ৰাহ্মণ্য যুগীয়া ভাৱধাৰা অন্ত হোৱা নাই। বৰ্তমানেও ভাৰতীয় পুৰুষ প্ৰধান সমাজত নাৰীক পাতৰ তলৰ লাও বুলি অভিহিত কৰা দেখা যায়। আনহাতে বৰ্তমান সময়তো ভাৰতৰ দৰে স্বাধীন(!) দেশতো বহুতো নাৰী যৌতুক প্ৰথা আৰু অন্ধবিশ্বাস, কু-সংস্কাৰৰ বলি হোৱাৰ কথা কাকতে পত্ৰই প্ৰকাশ পাই আছে। এইবিলাক নিৰ্য্যাতনৰ পৰা উদ্ধাৰ পাবলৈ ভাৰতীয় নাৰীৰ প্ৰতিকাৰ কণ্ঠ এক হবৰ হ'ল। আমি একতাৰ বলেৰে বুজাই দিব লাগিব যে নাৰীৰো এটা নিজস্ব সত্বা আছে। অৱশ্যে নাৰী জাতিৰ বিভিন্ন আৰ্থসামাজিক দিশত সাম্যৰ সোৱাদ দিবলৈ ভাৰতীয় সংবিধানেও অকৃত্ৰিম চেষ্টা কৰিছে। গতিকে আমি জাতি-বৰ্ণ নিৰ্বিশেষে প্ৰতিগৰাকী মহিলাৰ আত্মশক্তিক সমাজৰ অন্যায়ৰ বিৰুদ্ধে লগাই সমাজৰ উন্নতিৰ লগতে নাৰী জাতিৰ মান মৰ্য্যাদা অক্ষুণ্ণ ৰাখিবলৈ দৃঢ় সংকল্পবদ্ধ হওঁ আহক।

নাৰী জাতি সহনশীলতাৰ প্ৰতীক। অসমীয়া নাৰী সকলেও সকলো নিৰ্য্যাতন সহ্য কৰিও জাতিৰ সংকটৰ সময়ত পুৰুষৰ সৈতে সমান সহযোগিতাৰে অসমীয়া জাতিক উদ্ধাৰ কৰি আহিছে। জয়মতী, মূলাগাভৰু, কণকলতা আদি ইয়াৰ জ্বলন্ত উদাহৰণ। অসমৰ ইতিহাসে আমাক সৎ, সাহসী, নিস্বাৰ্থ আৰু সহনশীলা হ'বলৈ সোঁৱৰাই আছে। সুস্থ মানসিকতা আৰু শালীনতা হ'ল নাৰী জাতিৰ সৌন্দৰ্য্য। এই সংযমৰ অধিকাৰী হৈ অসমৰ অতীত গৌৰৱ ৰক্ষা কৰাৰ লগতে সমাজত দেখা দিব পৰা প্ৰতিক্ৰিয়াশীল পাত্ৰসমূহক নাৰীসুলভ ব্যৱহাৰেৰেই বাধা দিব লাগিব।

নাৰী হ'ল অফুৰন্ত প্ৰেৰণাৰ উৎস। এই অফুৰন্ত প্ৰেৰণা শক্তিৰ দ্বাৰাই পুৰুষক উৎসাহিত কৰি উভয়ে মিলি আমাৰ চেনেহী অসমী আইক আৰু ঘূণে ধৰিব খোজা সমাজখনক ৰক্ষা কৰিব লাগিব। দুৰ্নীতিৰ অক্টোপাচে মেৰিয়াই ধৰা আমাৰ সমাজব্যৱস্থাক নিকা কৰাৰ লগতে আমাৰ স্বতস্ফুৰ্ত সমতাৰ দ্বাৰা নাৰী জাতিক শোষণ কৰিব পৰা সকলো প্ৰথাকেই বাধা দি নাৰী জাতিৰ মুক্তিৰ পথ প্ৰশস্ত কৰিবই লাগিব। শেষত নাৰীমুক্তিৰ পিতা ৰাজা ৰামমোহন ৰায়ৰ আশীৰ্বাদ শিৰত তুলি দেশৰ মুক্তিৰ বাবে নাৰীসকল আগবাঢ়ি আহক। তেওঁলোকে জগতৰ আন্ধাৰ কমাবলৈ সমৰ্থবান হওঁক। জগতখন সত্য সুন্দৰৰ অমৰ আদৰ্শ হৈ ৰওক। ●●

# ৰাইজমেল

স্থান ঃ ৰেংমা উচ্চ মাধ্যমিক বিদ্যালয়,
উৰিয়ামঘাট ।

বিভিন্ন অঞ্চলৰ সমস্যা সম্পৰ্কে বুজলৈ সমাধানৰ সূত্ৰ উদ্ভাৱন কৰি চৰকাৰক দৃষ্টিগোচৰ কৰাৰ লগতে সমস্যাৰে জৰ্জৰিত ৰাজিক ঐক্যবদ্ধ কৰি জাতীয় চেতনা জাগ্ৰত কৰাৰ মানসেৰে আমি বিভিন্ন সময়ত ৰাইজমেল আয়োজন কৰি আহিছো । ইয়াৰোপৰি প্ৰতিভাবান প্ৰচাৰ বিমুখ তৰুণ লেখক-লেখিকা আৰু শিল্পীৰ প্ৰতিভা বিকাশ ঘটাই নতুন ৰূপেৰে সাহিত্য-সংস্কৃতিৰ পথাৰখনক উজ্জ্বল কৰা আমাৰ অন্যতম উদ্দেশ্য । ইতিমধ্যে ৰাইজৰ বিপুল সঁহাৰিৰ মাজেৰে অনুষ্ঠিত হৈ যোৱা তিনিখন ৰাইজমেলৰ পিছত চতুৰ্থখন ৰাইজমেল অনুষ্ঠিত কৰা হৈছিল অসম-নগা ৰাজ্যৰ সীমান্ত অঞ্চল 'উৰিয়ামঘাট'ৰ সমস্যাৰাজিৰ সম্পৰ্কে । উক্ত অঞ্চলটিৰ জনসাধাৰণে নিসংকোচেৰে আমাৰ আগত প্ৰকাশ কৰা ক্ষোভবোৰ ৰাইজৰ জ্ঞাতাৰ্থে প্ৰকাশ কৰিলো ।

—সম্পাদক, সমন্বয় গোষ্ঠী, গোলাঘাট

উৰিয়ামঘাট, গোলাঘাট জিলাৰ অসম নগা ৰাজ্যৰ সীমান্তবৰ্তী এই অঞ্চল । সীমা সমস্যা আৰু মাটিৰ পট্টনৰ সমস্যাই হৈছে এই অঞ্চলৰ প্ৰধান সমস্যা । তাৰোপৰি মানুহ হিচাপে জীয়াই থকাৰ যি সুবিধাৰ প্ৰয়োজন, তেনেকুৱা মৌলিক সমস্যাও এই অঞ্চলত অভাৱ নহয় । সেয়ে এই অঞ্চলৰ এজন ভুক্তভোগী সাংবাদিক তথা শিক্ষক শ্ৰীযুত প্ৰতাপ গগৈয়ে কয় যে, 'মানুহ হিচাপে জীয়াই থাকিব পৰা ন্যূনতম অধিকাৰখিনিও আজি আমাৰ পৰা হেৰাই গৈছে । এই অঞ্চলৰ মূল সমস্যা সীমা আৰু মাটি পট্টনৰ সমস্যা । উৰিয়ামঘাটৰ এই সহজ-সৰল জনসাধাৰণক কেন্দ্ৰীয় চৰকাৰে ভোটবেংক হিচাপে লৈ সীমা সমস্যাটোক জীয়াই ৰাখিছে । নহ'লে অসম আৰু নগালেণ্ড দুয়োখন ৰাজ্যক লৈ আলোচনাৰ মাধ্যমেৰে কেতিয়াবাই সীমাৰ সমাধান দিব পাৰিলেহেঁতেন। প্ৰধানকৈ জীয়াই থকাৰ মূল উপাদান হিচাপে এই 'স্থায়ী মাটি'ৰ সমস্যাটোক কেন্দ্ৰ কৰি বিভিন্ন সময়ত বিভিন্ন কাৰ্য্যসূচী গ্ৰহণ কৰি অহা হৈছে। কিন্তু তাৰ কোনো সমাধান পোৱা নাই।

অন্যহাতে যাতায়ত অসুবিধা, উন্নত চিকিৎসাৰ অভাৱ, শৈক্ষিক সমস্যা, বিশুদ্ধ খোৱা পানীৰ অভাৱ বিদ্যুৎ যোগানৰ অভাৱ, কৃষি আৰু ডাক সেৱাৰ সমস্যা আদি মৌলিক সমস্যাসমূহ ব্যক্ত কৰি কয় যে, চৰকাৰ আৰু বিভাগীয় কতৃপক্ষক সঘনে স্মাৰক-পত্ৰ দিয়াৰ স্বত্তেও কোনো কামেই কাৰ্যকৰী হোৱা নাই। ইয়াৰোপৰি তেওঁ অসম ভূমিত নগাই এতিয়ালৈকে দুটাকৈ মহকুমা প্ৰতিষ্ঠা কৰা কথাটো নিশ্চয় চৰকাৰে জানিও নজনাৰ ভাও লৈ থকা বুলি কয়।

গোলাঘাট জিলা বড়ো ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক শ্ৰীযুত প্ৰদীপ মুছাহাৰীয়ে উৰিয়ামাট অঞ্চলৰ ৰাইজে ভোগ কৰি অহা সীমা আৰু মাটিৰ পট্টনৰ সমস্যা

OKDISCD

সমদানৰ বাবে সমন্বয় গোষ্ঠীৰ নেতৃত্বত ঐক্যবদ্ধ ৰাইজৰ এক আন্দোলন গঢ়ি তোলাৰ কথা প্ৰকাশ কৰে। অন্যহাতে সীমান্ত অঞ্চলৰ বাবে যি সীমান্ত দণ্ডাধীশ নিযুক্তি দিয়া হয়, তেখেত সকলে নতুনকৈ গৃহ নিৰ্মাণ কৰাত বাধা আৰোপ (কেৱল অসমীয়া লোকৰ ক্ষেত্ৰতহে এই বাধা। ভৈয়ামাত থকা নগালোকৰ ক্ষেত্ৰত নহয়) কৰি আহিছে। ১৯৯৫ চনত এই অঞ্চলৰ ঘোলাপানীত যি তৈলক্ষেত্ৰ উদ্‌ঘাটন হ'ল তাত স্থানীয় অঞ্চলৰ যুৱক-যুৱতীসকলক নিযুক্তিৰ পৰা বঞ্চিত কৰি ৰাখিছে।

মাটিৰ পট্টন নোহোৱা বাবেই নগালোকে অসমভূমিত বাৰে বাৰে দখলৰ চেষ্টা চলাই আহিছে আৰু নগালোকৰ উপদ্ৰৱ অসমীয়াৰ ওপৰত বৃদ্ধি পাই আহিছে। নিৰাপত্তাৰ নামত যি কেন্দ্ৰীয় নিৰপেক্ষ বাহিনী ৰখা হৈছে তেওঁলোকৰ মনোভাবো অসমীয়া ৰাইজৰ হিতে বিপৰীত। যদি চৰকাৰে সীমামূৰীয়া এই অঞ্চলত মাটিৰ পট্টনৰ ব্যৱস্থা কৰে তেন্তে এই সীমা সমস্যাটোও সমাধান হ'বৰ বাবে বেছি সময় নালাগিব। সেয়ে গোলাঘাট জিলাৰ সীমান্ত (অসম-নগালেণ্ড) অঞ্চলৰ ৰাইজে একত্ৰিত হৈ এক গণ আন্দোলন কৰিব লাগিব। মাটিৰ পট্টনৰ দাবীত ৰেল অৱৰোধ নাইবা তেনে ধৰণৰ অৰ্থনৈতিক অৱৰোধ কাৰ্যসূচী গ্ৰহণ কৰিলেহে কেন্দ্ৰই এই প্ৰস্তাৱ গ্ৰহণ কৰিব। আৰু মাটিৰ পট্টন হ'লেই কিছুমান মৌলিক সমস্যা সমাধান হৈ পৰিব বুলি ভাষণ প্ৰসঙ্গত স্থানীয় বিশিষ্ট ব্যক্তি ওমৰ আলি, দিল বাহাদুৰ লিম্বু আদি স্থানীয় বিশিষ্ট ব্যক্তি সকলে বক্তব্য দাঙি ধৰে।



ৰাইজমেলত উপস্থিত ৰাইজৰ একাংশ

চৰকাৰে সীমান্ত উন্নয়নৰ কাৰণে গ্ৰহণ কৰা আঁচনিসমূহ ৰাজনৈতিক দালালীৰ পৰা সাৰি যোৱা নাই বুলি কৈ স্থানীয় এজন সচেতন ব্যক্তি শ্ৰীযুত দিপংকৰ কোঁৱৰে কয় যে চৰকাৰৰ নিৰ্দিষ্ট আঁচনিৰ যি সামগ্ৰী গ্ৰামাঞ্চললৈ আহে, তলতীয়া কৰ্মচাৰী আৰু ৰাজনৈতিক দালালসকলে গ্ৰাস কৰি ৰাখে কাৰণেই গ্ৰামাঞ্চলৰ সমস্যাবোৰ দিনক দিনে বাঢ়ি গৈ আছে।

ইয়াৰোপৰি সভাত সমাজসেৱি ৰমেন স্বৰ্গয়াৰী, মণিৰাম বৰা আৰু যাদৱ শইকীয়াই সমন্বয় গোষ্ঠীয়ে লোৱা প্ৰচেষ্টাক সহাঁৰি জনায় আৰু ইয়াৰ জৰিয়তে ৰাজনৈতিকভাৱে সকাহ পোৱাৰ আশা কৰে।

অনুষ্ঠানত যোৰহাটৰ পৰা প্ৰকাশিত 'সংযোগ' আলোচনীৰ সম্পাদক শান্তনু কুমাৰ বৰুৱাই সকলো ৰাইজক অসমৰ সাম্প্ৰতিক সমস্যাসমূহৰ প্ৰতি জাগ্ৰত হ'বলৈ অনুৰোধ জনায়।

সভাত সৰ্বসম্মতিক্ৰমে এটি প্ৰস্তাৱ লোৱা হৈছিল। প্ৰস্তাৱ ঃ গোলাঘাট জিলাৰ অসম নগালেণ্ড সীমান্তৰ ভৈয়াম অঞ্চলক বিবাদমান অঞ্চল হিচাপে দিয়া চৰকাৰী স্বীকৃতি (!) বাতিল কৰিবলৈ চৰকাৰক দাবী জনোৱা হওঁক। যিহেতু অসমৰ ভৌগোলিক সীমাৰ ভিতৰত বৈধ অঞ্চল, অসমৰ বাবে ই কোনো কাৰণতে বিবাদমান হ'ব নোৱাৰে।

অনুষ্ঠানৰ শেষত পৰিচালক নোমল চন্দ্ৰ বড়াদেবে

OKDISCD

ৰাইজৰ আনুগত্য আৰু আগ্ৰহ দেখি কয় যে ''আমাৰ ঐক্যবদ্ধ প্ৰচেষ্টাই ভৱিষতে নতুন প্ৰজন্মক এক শান্তি প্ৰগতিৰ সুস্থ সমাজ গঢ়ি তোলাত সহায় কৰক।''



ভাষণৰত অৱস্থাত সভাপতি নোমল চন্দ্ৰ বৰা

OKDISCD

প্ৰতিবেদন

## উৰিয়ামঘাট অঞ্চল, ১৪ নং, ১৫ নং বনাঞ্চলৰ সমস্যা ঃ

অসম-নগালেণ্ড সীমান্তৰ তথাকথিত নামবৰ বনাঞ্চলৰ কিছু অংশ, ৰেংমা বনাঞ্চল কাটি ১৯৭০ চনৰ পৰাই এই অঞ্চলত স্থায়ীভাৱে বসবাস কৰি অহা বিভিন্ন জনগোষ্ঠীৰে পৰিপূৰ্ণ বৰ্তমান জনাঞ্চল।

ভাৰত স্বাধীন হোৱাৰ ২৩ বছৰৰ পাছতো এই অঞ্চলত বসবাস কৰা জনসাধাৰণ আজিও চৰকাৰী বিভিন্ন উন্নয়ন আঁচনি, মাটিৰ পট্টা, নিৰাপত্তা আদিৰ পৰা বঞ্চিত। একমাত্ৰ ৰাজনৈতিক কাৰণতে এই অঞ্চলৰ জনসাধাৰণ আজি হতাশাগ্ৰস্ত। এচাম নগা দুৰ্বৃত্তৰ দ্বাৰা চলাই অহা নৃশংস হত্যা, লুটপাত, অপহৰণ আৰু বলপূৰ্বক ধনদাবী ইত্যাদিৰ দ্বাৰা নিৰ্যাতিত নিষ্পেষিত আৰু অসম তথা কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা অৱহেলিত হৈ অনিশ্চিত, সংকতপূৰ্ণ জীৱন-যাপন কৰি এক বৃহত্তৰ অসমীয়া জাতিৰ অংশীদাৰ হৈয়ো হতাশ হৈ পৰিছে এই অঞ্চলৰ জনসাধাৰণ। স্বাধীনতাৰ ৫৩ টা বছৰ আৰু এই অঞ্চলত ৩০ টা বছৰ স্থায়ীভাৱে বসবাস কৰাৰ পাছতো চিকিৎসা, শিক্ষা, বিশুদ্ধ খোৱাপানী, ডাকঘৰ, টেলিফোন, বিজুলী বাটি, ৰাস্তা-দলং আৰু জলসিঞ্চন ব্যৱস্থা আদিৰ সমস্যাসমূহৰ সামাধানৰ বাবে আঁচনি বাস্তৱত ৰূপায়ণ নকৰাত ইয়াৰ জনসাধাৰণ এখন স্বাধীন দেশৰ নাগৰিকে পাবলগীয়া ন্যূনতম সা-সুবিধাৰ পৰা বঞ্চিত হৈ আছে।

যোৱা ইং ২৭-০৯-২০০০ তাৰিখৰ 'আমাৰ অসম' কাকতত 'বাস্তৱত কি হৈছে গোলাঘাট জিলা'ত - 'চৰকাৰী ফাইলতে আবদ্ধ সীমান্ত উন্নয়ন আঁচনি' আৰু 'অসম নগালেণ্ড সীমান্তত অৱহেলিত জনসাধাৰণ' - 'উন্নয়নৰ নামত প্ৰসহন' শিৰোনামাৰে শ্ৰীযুত অলিপ ভৰালী আৰু দিলেশ্বৰ তামুলীৰ প্ৰতিবেদনত স্পষ্টভাৱে

প্ৰকাশ পাইছে অসম চৰকাৰৰ আমোলা-বিষয়াৰ সীমান্তৰ জনসাধাৰণৰ প্ৰতি থকা ভালপোৱা কিমান । কিন্তু, অদ্যপৰিমিত এই অঞ্চলত এটাও উন্নয়নমূলক কাম বাস্তৱত নোহোৱাত সীমান্তৰ জনসাধাৰণ শোষিত আৰু নিস্পেষিত হৈ থাকিব লগীয়া হৈছে।

**সীমান্তবৰ্তী অঞ্চলৰ উৰিয়ামঘাট, ১৪ নং, ১৫ নং অঞ্চলৰ সমস্যাসমূহ তলত উল্লেখ কৰা ধৰণে বিচাৰ কৰিব পাৰি ঃ**

**(ক) খেতিৰ সমস্যা ঃ** উৰিয়ামঘাটৰ ১৪ নং আৰু ১৫ নং অঞ্চলত বসবাস কৰা লোকসকলৰ ভিতৰত বিশেষকৈ ১৪ নং অঞ্চলত খেতিৰ সময়ত বতৰৰ অৱস্থা আৰু জলসিঞ্চনৰ ব্যৱস্থা নথকা বাবে খেতিয়কসকল খৰাং পৰিস্থিতিৰ সন্মুখীন হ'ব লগীয়া হয়।

**(খ) চিকিৎসালয়ৰ সমস্যা ঃ** বিভিন্ন সময়ত অসম চৰকাৰৰ দ্বাৰা সীমান্ত উন্নয়নৰ বাবদ সীমান্ত অঞ্চলত উপস্বাস্থ্য কেন্দ্ৰ নিৰ্মাণ কৰা হৈছে যদিও আজি পৰ্য্যন্ত সীমান্ত অঞ্চলৰ স্বাস্থ্য কেন্দ্ৰসমূহত চিকিৎসক, পৰিচাৰিকা আদিৰ লগত ঔষধ-পাতিও স্বাস্থ্য কেন্দ্ৰসমূহত নাই । যদি চিকিৎসাৰ প্ৰয়োজন হয় তেন্তে সৰুপথাৰত থকা চিকিৎসালয়লৈ ৩০-৪০ কিঃ মিঃ অতিক্ৰম কৰি যাব লগা হয় ।

**(গ) খোৱা পানীৰ সমস্যা ঃ** সীমান্তৰ এই অঞ্চলত বিশুদ্ধ খোৱা পানীৰ ব্যৱস্থা নাই । আৰ্থিক অৱস্থা অলপ ভাল পৰিয়ালে টিউৱেল বহুৱাৰ ব্যৱস্থা কৰিলেও ৩০-৪০ ফুটৰ তলত পাথৰ থকাৰ কাৰণে আইৰণযুক্ত পানী খাই থাকিব লগীয়া হয় ।

**(ঘ) ৰাস্তা-পদূলিৰ সমস্যা ঃ** সীমান্তৰ এই অঞ্চলৰ ৰাস্তা ঘাটবোৰৰ অৱস্থা অতি শোচনীয় । খৰাং দিনত জৰাজীৰ্ণ অৱস্থাত থাকি বাৰিষাৰ বতৰত অলপ পানী পালেই পথৰ ওপৰত পথাচাৰী বৈ খন্তেক কেনি যাওঁ কি কৰো চিন্তা কৰি খোজ দিবলগীয়া হয় ।

**(ঙ) শিক্ষাৰ সমস্যা ঃ** সীমান্তৰ এই অঞ্চলৰ ৯০ শতাংশ লোক নিৰক্ষৰ ।

বৰ্তমান সময়ত সীমান্তৰ এই অঞ্চলত আঠখন অ-মঞ্জুৰী প্ৰাথমিক বিদ্যালয় আছে ।

ঠিক তেনেদৰে কেইবাখনো মধ্য ইংৰাজী আৰু উচ্চ ইংৰাজী বিদ্যালয় বেচৰকাৰী হৈ থকাৰ কাৰণে শিক্ষাৰ প্ৰকৃত পৰিৱেশ নাপাই ছাত্ৰ ৱস্থাতে শিক্ষা সাং কৰি শ্ৰমিক বৃত্তি গ্ৰহণ কৰিব লগীয়া হয় ।

**(চ) ডাকঘৰৰ সমস্যা ঃ** উৰিয়ামঘাটত এটা শাখা ডাকঘৰ আছে যদিও সীমান্তৰ ঘোলাপানী, চিলনীজান, ন-পানী, কৰৈঘাট, হালধীবাৰী, মধ্যমপুৰ, ৰজাপুখুৰী আদি অঞ্চলৰ ব্যক্তিসকলে ডাকঘৰ নথকাত সততে ডাক সেৱাৰ পৰা বঞ্চিত হৈ থাকিবলগীয়া হৈ আছে ।

**(ছ) টেলিফোন ব্যৱস্থাৰ সমস্যা ঃ** উৰিয়ামঘাটত ৩টা উপ টেলিফোন কেন্দ্ৰ আছে যদিও সঘনাই কাৰিকৰী বিজুতিৰ বাবে এই সমগ্ৰ সীমান্ত অঞ্চলৰ ব্যক্তিসকল টেলিফোন সেৱাৰ পৰা বঞ্চিত হৈ থাকিব লগীয়া হয় । গাঁও অঞ্চলত মাৰ টেলিফোন ব্যৱস্থা আছে যদিও কাৰিকৰী বিজুতি হৈ অচলাৱস্থাত পৰি থাকিবলগীয়া হৈছে । কিন্তু এই ক্ষেত্ৰত বিভাগীয় কৰ্তৃপক্ষই হেমাহী কৰা পৰিলক্ষিত হয় ।

**(জ) বিজুলী বাতি ঃ** সীমান্ত অঞ্চলত আজি পৰ্য্যন্ত বিজুলী চাকিৰ ব্যৱস্থা নথকাত ইয়াৰ জনসাধাৰণে আধুনিক জ্ঞান-বিজ্ঞান তথা উদ্যোগ স্থাপন আদিৰ পৰা বঞ্চিত হৈ আছে ।

এই প্ৰতিবেদনত মাত্ৰ কেইটামান জৰুৰী সমস্যাৰ বিষয়েহে উল্লেখ কৰা হৈছে । এই সমস্যাসমূহৰ একমাত্ৰ স্থায়ী সামাধান সূত্ৰ হ'ব - অসম-নগালেণ্ড সীমা সমস্যাৰ স্থায়ী সমাধান ।

প্ৰতিবেদক
**দিপঙ্কৰ কোঁৱৰ**
উৰিয়ামঘাট ।

# কবিতা মঞ্চ

## মোৰ মৃত্যু হ'ল

কৃষ্ণ ফুকন

মোৰ কলিজাখন দুফাল হৈ যোৱাৰ পাছত
বেদনাবোৰ (মোৰ) বতাহৰ কোঁহে কোঁহে বিৰিঙিছিল ।
দুখৰ টোপোলাবোৰ মোৰ
দেউতাৰ কোলাত উচুপিছিল নীৰৱে,
কাহিলী পুৱা বতাহজাকে তেজৰ চেকুৰাবোৰ লৈ
দৌৰিছিল,
গাঁৱে গাঁৱে
সৰ্পিল পথটোৰ ইপাৰে সিপাৰে,
ডাৱৰৰ বতৰা নি ডাৱৰক দিছিল ।

জনতাৰ কোলাহলত মোৰ অশৰীৰী জিকাৰখাই উঠিছিল,
আইৰ চকুলোৰ মাজত হেৰাই গৈছিল
মোৰ অবয়ব
নিশব্দে
বৰ করুণতাৰে
নাটকীয় ভংগীত
সি আহিছিল,
চিঞৰি চিঞৰি কিবা কৈছিল
তেতিয়া জনতাৰ চকুত প্ৰত্যাশা
মৌনতাৰে পালন কৰিছিল মাথো
গতানুগতিক সময় ।
মোৰ মৃত্যুৰে তেতিয়া
সুহুৰিয়াইছিল নে উকিয়াইছিল
নাজানো ।
অৱসাদৰ এটি দুখৰ নিনাদ ॥ ●●

## উত্তপ্ত কবিতা

অনিমা ওজা

হৃদয়ৰ নিবিড় কোণত
সংগোপনে বিচাৰি পালো তোমাক
গভীৰ প্ৰত্যাশাৰে . . .
তুলনাবিহীন এক মৰমৰ সংমিশ্ৰণ
হাঁহি অথবা কান্দোনৰ,
তথাপিতো . . .
তোমাৰ তুলনা কেৱল সাগৰ
অথবা আকাশ . . .
সেয়ে - নিঃ স্বাৰ্থভাৱে
উদ্ভাষিত হ'বলে বিচাৰো তোমাৰ ছায়াত
কিন্তু . . .
তোমাৰ প্ৰেম মোৰ বাবে এক সেউজীয়া সপোন ।
সুদূৰৰ মৰীচিকাৰ দৰেই ।
তুমিতো জানাই -
গভীৰতম অন্ধকাৰতো একমাত্ৰ সত্য
সেই তৰাবোৰ . . . ।
তপত চকুলোৰ উন্মেষ তুমি জানো নুবুজা
প্ৰেমত কোনো ন্যায়-অন্যায়ৰ
কথা নাথাকে . . . ।
সেয়ে -
ডেউকা ভগা চৰাইজনীৰ দৰেই
মই থমকি ৰও ছন্দহীন এটি
উত্তপ্ত কবিতাত । ●●

OKDISCD

## আহ্বান কৰো তোমাক

বেদান্ত বিকাশ বৰা

(উৎসৰ্গ ঃ জাতীয় বীৰ শ্বহীদ পৰাগ দাসৰ স্মৃতিত)

কমৰেড,
স্ফুৰিত নিৰ্জনতাৰ কোলাত
নিৰলে নিদ্ৰামগ্ন তুমি
সূৰ্যলোকত আজিও জগমগাই থাকে
তোমাৰ বুকুৰ সেঁউজীয়া আমঠু
দুবাহুত তেজাল ঘোঁৰাৰ উদ্যম

কমৰেড,
তোমাৰ শূণ্যতাত
বিষণ্ণ ৰাতি হেৰাই পথ
তেজ মঙহ আৰু
আলতীয়া মাটিৰ মিশ্ৰণ
আজিকালি বুকুখন ৰ-ৰ-কৈ বিষায় জানা ??
তুমি নাই নহয় সেইবাবে
ৰ'দে বৰষুণে এজাক ধুমুহা হৈ
আহিবাচোন কেতিয়াবা
দুঃখুনী আইজনী মোৰ –নৰীয়াত পৰিল
কেইবাদিন ধৰি ভীষণ জ্বৰ ॥ ●●

পুনশ্চ ঃ বাৰুদৰ ঘ্ৰাণ লৈ তুমি যাবৰ দিনা আমি আন্ধাৰৰ গুহা এটাত তেজাল আঙুলিবোৰে বনৰীয়া আলু-কচুবোৰকলৈ হেতাওপৰা কৰি আছিলো । আহ ! ইমান তৃপ্তি ! যোৱা তিনিদিন অনাহাৰে পাৰ হৈ গ'ল ।

## দুঃসংবাদ

মৃত্যুঞ্জয় বৰফুকন

আকাশে বতাহে
বতাহে বৰষুণে
তেজৰ শিৰে শিৰে
কণ কণ শিশুৰ মুখতো
ভাঁহি ফুৰিছে 'হাঁয়',
কিযে ভয়লগা অদ্ভুদ বাতৰি
হত্যা, লুণ্ঠণ . . .
দিনৰ পোহৰ কিম্বা, জোনাক নিশাত
শুনিবলৈ পোৱা যায় গুলীৰ শব্দ
আনফালে, দুৰ্ভগীয়াৰ শেষ আৰ্তনাদ
মানুহ পশু হ'ল
অতীতলৈ ঘূৰি গ'ল
গঢ় দিছে মানুহে নতুন সমাজ
স্মৃতি মধ্যযুগৰ
নকৰে কাৰোলৈকে কাণ
নিৰ্ভয় নিৰ্বিবাদ
নাই কোনো প্ৰতিবাদ
সঁচাই ই এক দুঃ সংবাদ ॥ ●●

## সময়ৰ ভূমিকা

গোলাপ বৰগোহাঞি

(সংলাপ নেপথ্যৰ সতে)

নাই !
নাপালোঁ বিচাৰি
ভাৰত শাস্ত্ৰত বনবাস চলিছ বছৰ ।
হেৰা বিধায়ক ভাই আৰু হেৰা দূৰণিৰ সাংসদ ককাই !
আজি এই ৰাইজ মেলতেই
বহিবলে পালোঁ আহি মুখামুখি হৈ ।
আঁৰি দিয়া তোমালোকৰ দলীয় ফলক
সৌ সমাধিবোৰত ।
- ! - ?
জানো ছহিদ নহয় সিহঁত জাতীয় যুঁজৰ ।
কিন্তু আমৰণ কৰ্ম্মী আছিল দলৰ ।
চাৰি খুটি বাহিৰৰ অচিন মুখৰ
উৰি আহি জুৰিবহে P.R.C পাৰি ।
হাত মেলে দিল্লী-দিচপুৰ গাদীৰ ।
বিধানৰ নাই সমিধান,
সংবিধানে হুমুনিয়াহ কাঢ়ে,
দিল্লীৰ দূৰবীণত, ৰাজনৈতিক লেন্সত
ভিন্নজনে ভিন্ ভিন্ দেখে
জোকৰ মুখত চূণ যেন বিধানৰ
মুখত হে পৰে ।
'তেজ দিম তেল নিদোঁ'
'ভাত দিম মাত নিদোঁ'
'খেদ ঐ খেদ বিদেশীক খেদ',
তেজ নিলে তেজ পিলে
বিদেশীও নিপাত নহ'ল
ক'তনো লুকাল সেই
সোণৰ অসম গঢ়া বাঢ়েসকল ?
সাংসদ ককাই ! বিধায়ক ভাই !!
আমি হেনো মানৱ সম্পদ !
আজি এই ইলেক্ট্ৰনিক যুগত
বিশ্বৰ বজাৰত আছে জানো
দাম তাৰ কিবা স্বল্পত ?
নে মাথোন গণতন্ত্ৰৰ ৰাজহাড়
মানৱ সম্পদ ?
- - - - ।
বাঃ, ৰাইজেই ৰজা (শুনিবলৈ কেনে মজা !)
সৌবোৰ ভগা পঁজাতেই
ইকৰাৰ ভগা বেৰৰ জলঙাৰে
জুমি চালে দেখিবলৈ পাবা
বহি আছে গণতন্ত্ৰৰ আধাপেটি ৰজা ।
সাংসদ ককাই !
সংবিধান আছে হেনো তোমাৰ হাতত ?
অধেৰ্ক শতাব্দী গ'ল পাত লুটিয়াই
আছে জানো অধিকাৰ তাত
নল মৰি গজালি উঠাৰ
জন্মস্বত্ব অধিকাৰ আমাৰ
খাটি খোৱা মানুহৰ
জীয়াই থকাৰ ?
মাটিৰ পট্টাৰ ? ●●

## কালৰাত্ৰি

ভাৰতী বৰা

গভীৰ আন্ধাৰে আবৰা এটা ভয়াল ৰাতি
চাৰিওফালে নীৰৱ নিস্তব্ধ ।
মেকুৰীটোৰ অমংগলীয়া মাতত,
শিয়ালৰ বিকট চিঞৰত,
ফেঁচাটোৰ কৰ্কশ স্বৰত
সোণ মইনাৰ মাক সাৰ পাই উঠিল ।
কোনোবা পিতৃহাৰা শিশুৰ
কান্দোনৰ কোলাহলত,
কোনোবা পুত্ৰহাৰা মাতৃৰ
হিয়া ভগা উচুপনিত,
কোনোবা স্বামীহাৰা . . .
উত্তপ্ত হৈ পৰিল ৰাতিটো ।
এজাই গুলিৰ বাবত
পোহনীয়া দলটোৱে
কাৰ বা জীৱন কাঢ়িলে ?
কাৰ বা আয়ুস শেষ হ'ল ?
নিশ্চয়,
তেজত ডুবিল এজাক সেউজীয়া চৰাইৰ
সুৱদি কণ্ঠ । ●●

OKDISCD

## পৰাগৰ মৃত্যু সংবাদ

**পৰাগজ্যোতি মহন্ত**

অ-প্ৰত্যাশিতভাৱে আহিব পাৰে,
কোনো দুৰ্গন্ধময় অন্ধগলিত উবুৰি খাই গোল্কাই থকা মৃতদেহৰ খবৰ
নদীৰ গৰাত উৰলি যোৱা অৰস্থাত উদ্ধাৰ হ'ব পাৰে
অজান আততায়ীৰ হাতত ৰাজপথত পৰাগ নিহত হৈছে
কোনো গাঁৱৰ জুপুৰি ঘৰটোত বুলেটৰ আঘাটত ছট্‌ফটাই থকা
সময়তো শুনিব পাৰে
কোনোবা গুপ্তঘাতকহঁতে মোক ভূৱা-সংঘৰ্ষত মাৰিছে ।

খবৰ কাগজত মোৰ মৃত্যু সংবাদ শুনি
খন্তেক থমকি ৰ'ব পাৰে
হয়তো কোনোবাই থুৱাই দিব পাৰে তীব্ৰ ঘৃণাত আৰু ঘৃণাত বহুবাৰ
নহ'লে হৈ চৈ বতাহৰ মাজতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰি
অনশন, প্ৰতিবাদ কিম্বা ৰাজপথত জনাব পাৰে মৌন সমদল

তাৰ বাহিৰে আৰু তোমালোকে কি কৰিব পাৰা মোৰ মৃত্যুৰ বিৰুদ্ধে

হয়তো পুত্ৰৰ শোকত আইয়ে ভাগৰি পৰিব পাৰে
শেষ দৃশ্য চাই-চাই দেউতাই প্ৰলাপ বকাৰ সময়ত
ভনীজনীয়ে চকুৰ পানীৰে মচিব পাৰে বুকুৰ সমস্ত শোক
আৰু ভাইটোৱে চিতাৰ জুইত মুখাগ্নি কৰি মনে-মনে শপত খাব পাৰে
এনেকৈয়ে হয়তো ৰৈ থাকিব পাৰে মোৰ আশাৰ সপোনৰ ঘৰখন

ভালেই হ'ল কাৰোবাৰ পুৰণি মূৰকামোৰণি বিষটো অলপ পাতল হ'ল

হয়, এতিয়া প্ৰশ্ন উঠিব পাৰে - কিহৰ বাবে পৰাগৰ মৃত্যু ঘটিল
মানুহবোৰ বহি থকাৰ বাবে
মানুহবোৰ শুই থকাৰ বাবে
মানুহবোৰ বোবা হোৱাৰ বাবে
মানুহবোৰ নাঙঠ হোৱাৰ বাবে
নে ভৰি তলৰ মাটি হেৰুৱাই ঘৰ এৰি অঘৰী হোৱাৰ বাবে . . .
উচপখাই নুঠিব আপোনালোকে,
ই সহজ উত্তৰ
চৰকাৰী হিচাবৰ তালিকাত আছিল মোৰ নিষিদ্ধ চিনাকি নাম এটা
কাৰণ দিনৰ পোহৰক মই সূৰ্যৰ পোহৰ বোলো
প্ৰত্যেক নাঙঠ দেৱতাই ক্ষুধাৰ্ত তুলি লওঁক হাতে-হাতে একোখন বিদ্ৰোহৰ পতাকা !
সঁচা, পৰাগৰ এনেকৈয়ে মৃত্যু ঘটিছে । ●●

OKDISCD

## মই গণতন্ত্ৰ

দ্বীপেন বৰা

গণতন্ত্ৰ মোৰ নাম
মোক লাগে পুনৰ আজি
এক জংগী নৱ গণসংগ্ৰাম ।
মোৰ নাম গণতন্ত্ৰ
ৰঞ্জিত কৰিলে আজি মোৰ দেহ বল্লৰী
ঢাকি দি জনগণৰ এসোঁতা
কেঁচা ৰঙা ৰক্ত ।
মোৰ গাত হেনো
পঞ্চদশ বৰ্ষীয়া স্বাধীনতা,
মোৰ এই সোণালী সাজটো চাই
সকলো মদমত্ত ।
মই হেনো গণতন্ত্ৰ !
সঁচাই,
স্বপ্ন আছিল দুচকুত আলফুলীয়া
এতিয়া জুৰুলা মই
পঞ্চদশ বছৰীয়া ।
বহুজনৰ বুকুৰ
তেজৰ কণিকাৰে লভিছিলো জনম
ভাবিছিলো জনতাৰ
আশাৰ বন্তি হ'ম ।
কিন্তু হ'লো আজি মই চৰকাৰৰ
এক পাশুপাত অস্ত্ৰ
যাৰ পৰিচালনাত আজি মই বিবস্ত্ৰ । ●●

## সিঁহত আহিছিল

পবন গগৈ

সিঁহত আহিছিল
ওখোৰা মোখোৰা
ধূলিয়ৰি বাটেদি ।
চকুত জ্বলিছিল অগ্নিকণা ।
বুকুত ওমলাইছিল
একোযুৰি বগা পাৰ (চৰাই)
কালে নিদিলে সিহঁতক,
মেহনতী জনতাৰ
দলিল লিখিবলৈ ।
আইৰ ঘোলা চকুত
আশাৰ ভ্ৰূণ সিঁচি
সিহঁত গ'লগৈ
ক্ষুধাৰ্ত বুলেটবোৰ
সিহঁতৰ বুকুত জিৰালেহি ।
সিহঁত গ'লগৈ
সময়ৰ বালিত খোজ দি দি । ●●

*(পৰাগ কুমাৰ দাসৰ স্মৃতিত)*

## এজন কবিৰ মৃত্যুত

অৰিন্দম শইকীয়া
(কবিৰঞ্জন শইকীয়াৰ পুণ্য স্মৃতিত)

হঠাৎ সিদিনা খবৰ কাগজত ওলাল,
এজন কবিৰ মৃত্যুৰ বতৰা ।
বৰ্ষাসিক্ত সেই নিশাটোত হত্যা কৰা হ'ল
এজন নিষিদ্ধ কবিক !
এটা নিষিদ্ধ কলমক !
অন্ধকাৰ কোঠালীত বহি
বুলেট কামুৰী
লিখি গ'ল তেওঁ
এমুঠি তেজাল কবিতা ।
যাৰ কলমত নিগৰিছিল
শোষিত হাজাৰ জনৰ
মুকুতিৰ আহ্বান ।
যাৰ লক্ষ্য আছিল
এটি নতুন প্ৰভাত
এটি নতুন সুৰুয ।
কবি আছিল তেওঁ
স্বাধীনতা প্ৰয়াসী
দীনহীন জনতাৰ এজন ।

OKDISCD

ধাৰাবাহিক উপন্যাস

# অশ্ৰুস্নাতা প্ৰভাতৰ শেৱালী সুৱাস

— দুৰ্লভ বড়ী

*(যোৱা সংখ্যাৰ পিছৰ পৰা)*

হস্পিতেলৰ ডিউটিৰ পৰা গৈ পাওঁতে বীৰেনে চাহ কাপ আনি দিলে। সি আজি পুৱাই ঘৰৰ পৰা আহি পালেহি। টোপনি টোপনি লাগি থকা বাবে চাহকাপ খাই ভাল লাগিল।

'মানিকপুৰ সাহিত্য গোষ্ঠী' নামৰ অনুষ্ঠান এটা কিছু দিন পূৰ্বে গঠন হৈছে। এই কামটোৰ চিন্তা চৰ্চাৰ গুৰি ধৰিছে ৰূপম চলিহা আৰু গোঁহায়ে নিজে। এই অনুষ্ঠানৰ সৌজন্যত এখন আলোচনী প্ৰকাশৰ সিদ্ধান্ত লোৱা হৈছে। লিখনি আদি সংগ্ৰহৰ কামো চলি আছে।

আলোচনীখনৰ বাবে চিকিৎসা সম্পৰ্কীয় প্ৰবন্ধ এটা গোঁহায়ে লিখি থৈছে। এতিয়া এই আজৰি সময়ত তাকে এবাৰ চকু ফুৰাই চাওঁ বুলি টেবুলত গৈ বহোঁতেই বাহিৰত স্কুটাৰ এখন আহি ৰোৱা গম পালে। ৰূপম চলিহা আহিছে।

ঃ আহক আহক। আপোনাক লগ পোৱাৰ কথা ভাৱিয়ে আছিলো। কলেজ উইকত ব্যস্ত আছে বাবেহে যোৱা নাছিলো।

ঃ আপুনি চাগৈ অলপ ৰেষ্ট ল'ব খুজিছিল। আমনিহে কৰিলোহি নেকি !

ঃ মুঠেই নহয়। সমস্যা এটাও পৰি আছো। আপোনাৰ শৰণাপন্ন হোৱাৰ বাহিৰে উপায় দেখা নাই। মানে আলোচনীখনৰ বাবে প্ৰবন্ধ এটা লিখিলো। সমস্যা হৈছে কিছুমান বানান মোৰ ভুল হয়। ণত্ব বিধি ষত্ব বিধিবোৰ পাহৰি গৈছো। আপুনি এবাৰ চাই-চিতি মোৰ নহ'লেও অন্ততঃ 'শব্দ' কেইটাৰ মৰ্য্যদা ৰক্ষা কৰিব লাগে।

ঃ নাই ভাই, আজি কালি ল'ৰা-ছোৱালীবোৰৰ লিখা বোৰ পঢ়ি বহু শব্দৰ আচল বানানবোৰ নিজেই পাহৰি গৈছো। ----- কালি টোপনি খতি অলপ হ'ল ছাগে !

ঃ অলপ মানে ? ঘটনাটো আপোনাক কোৱাই নাই। শুনক, সিহঁত দুয়োজনীকে মাজৰ ডাঙৰ কোঠাটোত শুবলৈ দিলো। যোৱা সপ্তাহ মা আৰু ভনীজনী আহোঁতে তাতে শুইছিল। সিহঁতক শুবলৈ দি মযো এইটো ৰুমত বিচনাত পৰিলো। চিলমিলকৈ টোপনি আহিছিলহে, এনেতে বাহিৰৰ পৰা 'চাৰ উঠকচোন' বুলি কেবাবাৰো চিঞৰা শুনিলো। প্ৰথমে ভাবিলো ৰূপালীহঁতৰ ঘৰৰ কোনোবা নেকি ! কিন্তু ওলাই আহি দেখিলো নহয়। সেই যে মিচিং গাওঁখন- কি নাম-

ঃ চেলেংগুৰি।

ঃ অঁ। তাৰ পৰা আহিছে দুটা ডেকা আৰু এজন কিছু বয়সীয়াল মানুহ। গাভৰু ছোৱালী এজনীৰ বোলে টান বেমাৰ। যাব লাগে যেনেতেনে। মই পুৱা সোনকালে যোৱাৰ কথা কৈছিলো যদিও তেওঁলোকে হাতে ভৰিয়ে ধৰা দি ধৰিলে। মই আচলতে সিহঁত দুজনীক অকলে কোৱাৰ্টাৰত এৰি যাবলৈ মন যোৱা নাছিল। সিহঁতেও উঠি আহিল। ক'লে যে, সিহঁতে অকলে থাকিবলৈ ভয় নকৰে। অন্য কেবাটাও কোৱাটাৰ লগতে লাগি থকাৰদৰে আছে। গতিকে ভয় কৰা কথাটো মই ভাৱিব নালাগে।

যাবলৈকে-ঠিৰাং কৰিলো। বেমাৰৰ বিৱৰণ শুনি লৈ প্ৰয়োজনীয় দৰৱ বেজি, সৰঞ্জামখিনি বেগত ভৰাই ল'লো। সিহঁতক শুবলৈ কৈ চাইকেলত উঠি মানুহ কেইজনৰ পাছে পাছে আৰম্ভ কৰিলো চেলেংগুৰি যাত্ৰা। সময় তেতিয়া দুই বাজো বাজো।

ঃ ক'ব লাগিব কিন্তু আপোনাক । মোক হ'লে

OKDISCD

হাজাৰ টকা দিলেও ভাই . . .

ঃ ভুল ! মইতো টকাৰ বাবে তেতিয়া চিন্তাই কৰা নাছিলো । সেৱাৰ লগত এনে চিন্তাক মই লেটিয়াই নেপোলাওঁ আৰু এনে পৰিস্থিতিত কৰিবলৈ পোৱা সেৱাৰ সোৱাদেই বেলেগ ।

ঃ এই সেৱা আপুনি ৰোগীজনক ইয়ালৈ অনায়ো কৰিব পাৰিলেহেঁতেন ।

ঃ অৱশ্যে । কিন্তু তাকে কৰিলে তেওঁলোকৰ কষ্ট হ'ব বিশেষকৈ সেই পৰিস্থিতিত । মই সুস্থ মানুহজনে তালৈ যাবলৈ যিমান কষ্ট পাম বেমাৰী মানুহগৰাকী ইয়ালৈ আহিবলৈ বেছি কষ্ট পাব । আনসকলৰ কষ্টৰ কথা নকলোৱেঁইবা। গতিকে মই নিজে যোৱাৰ পৰা দুটা সেৱা হ'ল - তেওঁলোকক কষ্ট নিদিয়াটো আৰু ৰোগী চোৱাটো।

ঃ বুজিলো - মাদাৰ টেৰেছাৰ পিছত মানৱসেৱাৰ বাবে নবেল বঁটা পোৱা দ্বিতীয়জন ভাৰতীয় আপুনিয়ে হ'ব। বাৰু তাৰ পিছত ?

ঃ গৈ দেখিলো - চাংঘৰটোৰ আগফালৰ কোঠাটোত ছোৱালীজনী শুৱাই থৈছে । ওচৰতে দুজনীমান মাইকী মানুহ। মতা মানুহো কেইজনমান জুহাল (তেওঁলোকে মেৰাম্ বুলি কয়)ৰ কাষত বহি আছে । কৰিবলৈ তেওঁলোকৰ যেন একো নাছিল । মাত্ৰ পাছফালৰ কোঠাটোত বুঢ়া-বুঢ়ী চাৰিজনে আগলি কলাপাতত চাকি শলিতা জ্বলাই কিবা গাই আছিল । ৰঙা কুকুৰা এটা কিবা ডাঙৰীয়ালৈ 'আগ' কৰিছে বোলে ।

পৰীক্ষা কৰি ছোৱালীজনীক ইনজেক্চন এটা দিলো। শকত আৰত ধুনীয়া ছোৱালী । চেলাইন এটাৰো প্ৰয়োজন দেখি তাতে ফিট্ কৰিলো । দুঘণ্টামান সময় ৰ'ব লাগিব । মেৰাঘৰৰ কাষতে পীৰা এখন পাৰি দিলে । বহিলো । কুহুমীয়াকৈ গৰম কৰা ছাই আপঙৰ লগত শুকান নাৰ মাছৰ নামচিঙ্‌দি ভজা ঢেকীয়া ভাজি খাবলৈ দিলে । তাকে খাই খাই বুঢ়া দুজনে কোৱা তেওঁলোকৰ সৰু কালৰ পৰা ডেকা কাললৈকে দিচৈ নৈৰ পাৰৰ অনেক ঘটনা কাহিনী শুনিলো। হাঁহি-ফুৰ্ত্তিতে দুঘণ্টা সময় কেতিয়া গ'ল ক'বই নোৱাৰিলো।

চেলাইনটো খুলিলো । ইতিমধ্যে ছোৱালীজনী কিছু আৰাম পাই উঠিছে । আহিবলৈ যেতিয়া বাহিৰ ওলালো তেতিয়া পৃথিৱীলৈ পোহৰৰ ৰেঙণি নামি আহিছে ।

কোৱাৰ্টাৰ পাওঁতে ৰাতিপুৱাবৰে হ'ল । সিঁহত দুজনী উঠি আহিল । ক'লে - সোনকালে যাবগৈ হেনো । মই চাহ খাই যাবলৈ ক'লো যদিও নাখালে । মই বুজিলো - আচলতে দেৰি হ'লে অন্য মানুহে দেখিলে লাজ লাগিব বুলি ভাবিছিল। ভালকৈ টোপনি হ'ল নে নহ'ল সিহঁতেহে জানে ।

ঃ ক'ৰ পৰা হ'ব ? আপুনি আলহী আনি অকলে ঘৰত থৈ আপং-নামচিঙৰ জুতি লৈ আছেগৈ !

ঃ আচ্চা ক'বচোন - ৰূপালী আৰু নবৌৱেকৰ বিষয়ে মইতো একো নাজানো, অথচ মোৰ ঘৰত এৰাতি কটাই গ'ল । কালিও একো সোধা নহ'ল - আজিও সুবিধা নহ'ল।

ঃ খুব বেছি ময়ো নাজনো । তাই যোৱা বছৰ কলেজত এড্‌মিশ্যন লৈছে । মেধাবী ছোৱালী । গীত গোৱাৰ পাৰদৰ্শিতা দেখিছেঁই । লিখা-মেলাও কৰিব পাৰে । সুন্দৰ কবিতা লিখে । দেউতাক নাই । ককায়েক বঙাইগাঁৱত ৰেলৱেত চাকৰি কৰে । মাজে মাজে ঘৰলৈ আহে । ঘৰুৱা অৱস্থা স্বচ্ছল । যথেষ্ট মাটি-বাৰী আছে ।

নবৌয়েকৰ ঘৰ গোলাঘাটৰ ঢেকীয়ালত । বাপেক এম-ই স্কুলৰ শিক্ষক আছিল । তেখেত বৰ নামকৰা বায়ন আছিল । সৰুৰে পৰা তাই বৰগীত গাই খোল বজাই শিকিছিল। সূত্ৰধাৰ, চালি নৃত্য আদি নাচিছিল । বিভিন্ন মঞ্চত এইবোৰ প্ৰদৰ্শন কৰিছিল । বৰ্তমান ৰূপালীৰ গুৰু আচলতে নবৌয়েকেই ।

ঃ তাইক ইণ্টাৰ কলেজলৈ পঠাবচোন । মোৰ বিশ্বাস ভাল নাম কৰিব । গীত পৰিবেশনৰ ষ্টাইলটোৱেই তাইৰ বেলেগ ।

ঃ এইবাৰ পঠাম । মইতো লাহে লাহে অডিঅ' কেচেট এটা কৰাৰ কথাও ভাবি আছো । আপুনি আছেই।

OKDISCD

ঃ সুন্দৰ হ'ব । মই পাৰ্য্যমানে সহায় কৰিম ।

ঃ সহায় নহয়, আপুনি কমেও দুটা গীত গাব লাগিব। বাৰু এই বিষয়ে পিছত আলোচনা কৰিম । এতিয়া মই আহিলো আপোনাক নিমন্ত্ৰণ কৰিবলৈ । ঠিক নিমন্ত্ৰণো নহয়। অনুৰোধ কৰিবলৈ । পৰহিলৈ জেনেৰেল ফাংশ্বনত আপুনি দুটিমান গীত পৰিবেশন কৰিব লাগে । আপুনি যে অতি সুন্দৰ গীত গায় তাক মাণিকপুৰৰ বৰ্তমান মইহে জানো । গতিকে এই কথাটো মানিকপুৰৰ ৰাইজক জনাই সকলোকে ধন্য কৰিব লাগে । এয়ে প্ৰাৰ্থনা ।

ঃ ধন্যবাদ আপোনাৰ প্ৰাৰ্থনা গৃহীত হৈছে । মাত্ৰ মোক এজন তাল্লিষ্ট আৰু পাৰিলে গীটাৰৰ ল'ৰা এজন বন্দোবস্ত কৰি দিব ।

ঃ বন্দোৱস্ত হৈ আছে বুলি ধৰক । প্ৰেক্টিছ কৰি চাব খোজে যদি কাইলৈ আবেলি ইয়ালৈকে পঠাই দিম ।

ঃ বৰ ভাল হ'ব । তাকে কৰিব । পিছে আৰু এটি মোৰ অনুৰোধ এইবাৰ যাতে পৰাপক্ষত কোনো অনাথিনী মহিলাৰ ৰখীয়াৰ দায়িত্ব এই ডাং-বৰলাৰ ওপৰত ন্যস্ত নহয়।

ঃ হ'ব বাৰু, 'পৰাপক্ষত' এই চেষ্টা কৰি চোৱাৰ বিষয়ে চিন্তা কৰাত গুৰুত্ব আৰোপ কৰা হ'ব ।

হাঁহি হাঁহি চলিহা ওলাই আহিল ।

❖ ❖ ❖

হস্পিতেলৰ পৰা ওলাই গৈ খন্তেক সময়ৰ বাবে সন্মুখতে থকা 'নৱজীৱন মেডিকেল' নামৰ ফাৰ্মাচীখনত বহাটো গোহাঁইৰ এটা অভ্যাসেই হৈ পৰিছে । বিমল নামৰ ডেকা ফাৰ্মাচিষ্টজনৰ লগত দু-আষাৰ কথা পাতি ভাল লাগে । বৰ ভদ্ৰ ল'ৰা। তাৰোপৰি তাতেই গোঁহায়ে দৈনিক বাতৰি কাকতখনো চাবলৈ সুবিধা পায় ।

আজিও গোঁহায়ে সেই নিৰ্দিষ্ট চকীখনত বহি বাতৰি কাকতখনত চকু ফুৰাই থাকোতেই ৰূপম চলিহাৰ স্কুটাৰখন আহি ৰ'লহি । চলিহাক দেখিহে তেখেতৰ প্ৰগ্ৰেমটোৰ কথা মনলৈ আহিল । এসপ্তাহমান আগতেই মাণিকপুৰ তৰুণজ্যোতি ক্লাৱৰ দুজন ল'ৰাই এখন নিমন্ত্ৰণী চিঠি দি গৈছিল । তেওঁলোকে ক্লাৱৰ উদ্যোগত গোপালপুৰ নামক গাঁওখনত এটি 'সজাগতা শিবিৰ', অনুষ্ঠিত কৰিছে । শিক্ষা, স্বাস্থ্য, পঞ্চায়তীৰাজ আদি নানা বিষয়ত প্ৰয়োজনীয় কিছু কথা জনাই ৰাইজক সজাগ কৰি তুলিবৰ বাবে এই ক্লাবৰ উদ্যোক্তাসকলে লোৱা এই প্ৰচেষ্টাক গোঁহায়ে বৰ ভাল পালে। যাম বুলি তেওঁলোকক কথা দিলে । ৰূপম চলিহাকো মাতিছে । দুইজনে একেলগে যোৱাৰ কথা পৰহিয়েই পাতি থৈছিল যদিও দিনটো যে আজিয়ে তাক গোঁহায়ে পাহৰিয়ে আছিল ।

বেছি দেৰি নকৰি গোহাঁই স্কুটাৰৰ পিছৰ চিটত বহিল। ডেকা ফাৰ্মাচিষ্ট বিমলে ধেমালীকৈ ক'লে –

ঃ বুইছে গোঁহাইদা, আনৰ স্কুটাৰত উঠি ফুৰি ধন ৰাহি কৰা কৃপণালীটো, আপোনাৰ বয়সটো চাই ভাল লগা নাই ।

ঃ কৃপণালী ? মোৰ দৰিদ্ৰতাক যদি কোনোবাই কৃপণালী বুলি ভাবি লয় মোৰতো আৰু উপায় নাই ।

ঃ 'হেৰা ডেকা ল'ৰা, আমাৰ দেশৰ ডাক্তৰ-ইঞ্জিনীয়াৰ সকল দৰিদ্ৰ সীমাৰেখাৰ তলত বাস কৰা বুলি তুমি নজনাটোৰে আচৰিত কথা ।' - ৰূপম চলিহাই বিমলক উদ্দেশ্যি ক'লে ।

ঃ মোৰ ফাৰ্মাচিতে চেম্বাৰ এটা কৰি দিওঁ বুলিছো । তেখেতে আক' চেম্বাৰত নবহে হেনো । অন্ততঃ কেইদিনমানতে মটৰ চাইকেলখনকে . . .

ঃ নালাগে বুইছা । প্ৰাইভেটকৈ পেচেণ্ট চোৱাৰ নিয়মত ধৰিলে হৈছে আৰু ! হস্পিতেলত প্ৰেছক্ৰিপশ্যন লিখোতে ভাল দৰৱবোৰৰ নাম মনলৈ নহা হ'ব ।'

- হাঁহি হাঁহি চলিহাই স্কুটাৰ ষ্টাৰ্ট দিলে ।

বাটত যাওঁতে দুয়োজনে যোৱা সপ্তাহত হৈ যোৱা কলেজৰ জেনেৰেল ফাংচনৰ কথাকে পাতি গ'ল । ৰূপম চলিহাৰ মতে ফাংচনৰ বেষ্ট আইটেমটো আছিল গোঁহাইৰ গীত পৰিবেশন । সেইদিনা দৰ্শক ৰাইজ সঁচাকৈ হতভম্ব হৈ গৈছিল তেখেতৰ গীত শুনি । আচলতে মানুহে ভাৱে যে ডাক্তৰ জাতীয় মানুহবিলাক সাধাৰণতে গীত-মাত আদিৰ দৰে বিষয়ৰ পৰা আঁতৰত থাকে । তেওঁলোক ৰোগ-ৰোগী, দৰব-বেজি, টকা-পইচাৰ লগত সদাব্যস্ত

এখন বেলেগ জগতৰ মানুহ । কিন্তু এইদৰে হাৰমনিয়াম লৈ ইমান সুন্দৰকৈ গীতৰ সুৰেৰে দৰ্শকক মোহাচ্ছন্ন কৰিব পৰা এজন তেনে জাতীয় মানুহ এই প্ৰথম মাণিকপুৰৰ ৰাইজে দেখিলে।

সেইদিনা প্ৰগ্ৰেমটো কৰি গোঁহায়ে অৱশ্যে নিজেও আত্মসন্তুষ্টি লাভ কৰিছে । ইটোৰ পিছত সিটো গীত গাবলৈ জাউৰিয়ে জাউৰিয়ে কিমান অনুৰোধ ! কিমান হাততালি!! নিজকে এজন ডাঙৰ ডাঙৰ শিল্পী যেনেই লাগিছিল ।

ৰূপালী হাজৰিকাৰ লগতো গোঁহায়ে দুটি গীত গাইছিল । ৰূপম চলিহাই এই দুটি গীত কেছেট কৰিমেই বুলি এতিয়া কৈ আছে । গোঁহায়েও ভাৱে - গীত দুটি খুব সুন্দৰ হৈছিল ।

গীত-মাতৰ কথা পাতি যাওঁতে দুয়োজনেৰ মনলৈ আহিছিল ন-বছৰ আগতে প্ৰথম চিনাকী হোৱা সেই বিশেষ দিনটোৰ কথা । শিৱসাগৰত অনুষ্ঠিত হোৱা ইণ্টাৰ কলেজ মিউজিক কম্পিটিশ্যনত সেইদিনা যেন কন্দৰ্প গোঁহাই আৰু ৰূপম চলিহাৰ মাজতহে প্ৰতিযোগিতা হৈছিল । চলিহা গৈছিল দেৰগাঁৱৰ পৰা আৰু গোঁহাই গৈছিল তিতাবৰৰ পৰা । গোঁহাই তেতিয়া বিজ্ঞান শাখাৰ স্নাতক প্ৰথম বৰ্ষৰ ছাত্ৰ । চলিহা বি. এ. দ্বিতীয় বৰ্ষৰ । কেবাটাও পুৰস্কাৰ ৰূপম চলিহাই লাভ কৰিছিল যদিও শ্ৰেষ্ঠ গায়কৰ সন্মানটো কন্দৰ্প গোঁহায়ে কাঢ়ি লৈছিল । তেতিয়াই চিনাকী হোৱা । তাৰ পিছত বহুদিন দেখা দেখি নাই । কিন্তু নাটকীয়ভাৱে বৰ্তমান দুয়োজন আহি কৰ্মসংস্থান সূত্ৰে একেখন ঠাইতে পুনৰ লগ হৈছেহি ।

ইতিমধ্যে তেওঁলোকৰ স্কুটাৰ গোপালপুৰ গাঁৱৰ এল. পি. স্কুলৰ সন্মুখত ৰ'লহি । দুয়োজন গৈ সভাথলীত বহিল । দেখিলে - মালিকপুৰৰ কেবাজনো গণ্যমান্য ব্যক্তি তাত উপস্থিত আছে । মাণিকপুৰৰ বি, ডি, অ' সত্যব্ৰত ভাগৱতীও আছে । ৰূপম চলিহাই গোঁহাইৰ লগত চিনাকী কৰি দিলে । ভাগৱতীৰ কথা গোঁহায়ে শুনিছে । বৰ ভাল মানুহ বুলি সকলোৱে একেমুখে কয় । যথেষ্ট বয়সস্থ যদিও মানুহজন খুব উদ্যমী ।

সভাৰ কাম আৰম্ভ হ'ল । স্থানীয় বয়োজ্যেষ্ঠ গাঁওবুঢ়াজনক সভাপতি নিৰ্বাচন কৰা হ'ল । তৰুণজ্যোতি ক্লাৱৰ সম্পাদকে উদ্দেশ্য ব্যাখ্যা কৰি এই সজাগতা শিবিৰৰ প্ৰয়োজনীয়তাৰ বিষয়ে বিস্তৃতভাৱে ৰাইজক ক'লে । পঞ্চায়তীৰাজৰ অধীনৰ বিভিন্ন উন্নয়নমূলক আঁচনিৰ বিষয়ে ৰাইজক বিশদভাৱে বুজাই এই বিলাকৰ পৰা ৰাইজ কেনেদৰে উপকৃত হ'ব পাৰে সেই সম্পৰ্কে বি. ডি. অ'. ভাগৱতীদেৱে এটি দীঘলীয়া ভাষণ দিলে ।

শিক্ষাৰ ক্ষেত্ৰত অভিভাৱক আৰু সমাজৰ দায়বদ্ধতা, ল'ৰা-ছোৱালীৰ ক্ষেত্ৰত ল'ব লগা যত্ন, সাৱধানতা আদিৰ ওপৰত আলোকপাত কৰি ৰূপম চলিহাই বক্তব্য ডাঙি ধৰিলে।

শেষত স্বাস্থ্য সম্পৰ্কে ৰাইজক সজাগ কৰি বিভিন্ন বেমাৰ-আজাৰৰ বাবে ল'ব লগা সাৱধানতা সম্পৰ্কে ডাঃ গোঁহায়ে ক'লে । বিশেষকৈ গাঁও অঞ্চলৰ ৰাইজে মহিলা আৰু কেঁচুৱাৰ প্ৰতিষেধক লোৱা কাৰ্য্যত অনীহা বা অবহেলা কৰাটো গোঁহায়ে জানে । আচলতে তেওঁলোকে নজনাৰ বাবেই এই সম্পৰ্কে সচেতন নহয় । এই দিশটোত গুৰুত্ব দি তেখেতে সৰলভাৱে বুজাই দিলে গৰ্ভৱতী মহিলাই কিয় এ. এন. চি. কৰাব লাগে, টি. টি. বেজি কিয় ল'ব লাগে, আইৰণ পিল কিয় খাব লাগে, কেঁচুৱাক দিয়া বি. চি. জি., ডি. পি. টি বেজিবোৰ কিয় ল'ব লাগে, কেতিয়া ল'ব লাগে, পলিঅ' ভেক্‌চিন কিয় খুৱাব লাগে ইত্যাদি ।

এটা সময়ত সভা শেষ হ'ল । তেওঁলোক বিদায় লৈ আহিবলৈ ওলাল । এনেতে জয়ন্তীপুৰ গাঁৱৰ পৰা সভালৈ অহা কেইজনমান মানুহে এটা বেয়া লগা খবৰ দিলে । বি. ডি. অ'. ভাগৱতী প্ৰমুখ্যে আটাইকেইজন খবৰটো শুনি দুখ অনুভৱ কৰিলে । ছিঃ ছিঃ, কোন দুস্কৃতিকাৰীয়ে এনে অপকৰ্ম অঞ্চলটোত ঘটালে ? ঘূৰি আহোঁতে ওৰেবাট তেওঁলোকে এই চিন্তাকেই কৰি আহিছিল ।

*(অহা সংখ্যাত)*

# একবিংশ শতিকাত যুৱ সমাজৰ চিন্তাধাৰা আৰু অসম

— শিৱমণি চেতীয়া

সময়ৰ অন্তমিত প্ৰৱাহ উটি-ভাঁহি আহি, পোৱা নোপোৱাৰ গ্লানিৰে এটি মেটমৰা বোজা লৈ কুৰি শতিকাৰ বুকু গচকি আজি আমি একবিংশ শতিকাত পদাৰ্পণ কৰিছোহি। আমি হয়তো জানিবলৈ অপাৰগ একবিঁশ শতিকাই আমাক কি দিব । কিন্তু এটা নতুন শতিকাৰ বুকুত যিমানেই সম্ভাব্য প্ৰতিশ্ৰুতি নাথাকক, এটি নতুন শতিকাৰ বুকুৰ উম লোৱাৰ মুহূৰ্তত আজি আমাৰ নতুন যুৱ প্ৰজন্মৰ অস্তিত্ব ৰক্ষাৰ প্ৰশ্ন নিবিড়ভাৱে জড়িত হৈ আছে। চাৰিওফালে কেৱল হত্যা, ধৰ্ষণ, লুণ্ঠণ, বিভিন্ন বিষয়ত ব্যাপক দুৰ্নীতি, বনৰীয়া কাঠফুলাৰ দৰে নিতৌ নতুন নতুন উগ্ৰপন্থী সংগঠনৰ অবিৰত জন্ম, ভাতৃ-ঘাটি গোষ্ঠীগত সংঘৰ্ষ, পথভ্ৰষ্ট শিক্ষা ব্যৱস্থা আদিবোৰ আমাৰ অসম তথা সমগ্ৰ মানৱ সমাজখনকেই সুস্থিৰ অৱস্থাৰ কৰ্কাল ভাঙি অস্থিৰ কৰি তুলিছে তথা বিষময় কৰি তুলিছে । ই যেন মানৱ জাতিৰ মাজত হ'ব লগা অন্তঃদ্ৰোহৰ এক অনিবাৰ্য্য সংকেট । গতিকে এনে পৰিস্থিতিত আমাৰ নতুন যুৱ প্ৰজন্মৰ অস্তিত্ব কিম্বা সাহিত্য-সংস্কৃতিৰ স্বাৰ্থ সুৰক্ষিত নে ? সি যি কি নহওক, এক বিংশ শতিকাৰ দুৱাৰ দলিত ঠিয় হোৱা আজিৰ সমাজখনে এটা হিংসা-হত্যা-ব্যভিচাৰ বৰ্জিত । সুস্থ আৰু নিকা পৰিবেশ আৰু এধানিমান শান্তি বিছাৰে, যিটো সম্পূৰ্ণৰূপেই নিৰ্ভৰ কৰিছে আমাৰ নতুন যুৱ প্ৰজন্মৰ ওপৰত । এইখিনিতেই এটি প্ৰশ্ন হয়- আজি আমাৰ এই যুৱ শক্তিক কাৰ নেতৃত্বই পৰিচালনা কৰিছে ? কাৰ নেতৃত্বত আজিৰ যুৱ প্ৰজন্মৰ চিন্তাধাৰা উদ্বুদ্ধ ? সমাজ-সভ্যতাক প্ৰভাৱান্বিত কৰিব পৰা যুৱশক্তিৰ এই বিপুল সম্ভাৱনাৰ প্ৰতিশ্ৰুতিৰ বিপৰীতে তেওঁলোকৰ বহুমূলীয়া সময়বোৰ কোনে পৰিচালিত কৰিছে ? এনেবোৰ প্ৰশ্ন সম্বলিত ৰাজহুৱা বিৰ্তকৰ ওপৰত আমাৰ নতুন যুৱ প্ৰজন্মৰ মাজত নিজস্ব চিন্তাধাৰাৰে এক ফলপ্ৰসূ অধ্যয়ন কৰাৰ সময় আহি পৰিছে ।

> **এই যুৱসমাজৰ এচামে তথাকথিত মুক্তি আৰু স্বাধীনতাৰ অন্বেষণত হাতত মাৰণাস্ত্ৰ তুলি ল'বলৈ দুৰ্গম অৰণ্যলৈ ঢাপলি মেলিছে, অন্য এচামে স্ব-অধিকাৰ আৰু ব্যক্তিগত স্বাধীনতাৰে বলীয়ান হৈ গুপ্তঘাতকৰ ভূমিকা গ্ৰহণ তথা পালন কৰিছে। এচামে অতি কষ্টেৰে সেউজ-বিপ্লৱৰ আদৰ্শৰে অনুপ্ৰাণিত হৈ নিজকে আগবঢ়াইছে, অন্যহাতে আন এচামে বিবেকহীন ভাৱেই নিৰ্বিচাৰে, নিঃসংকোচেৰে সুন্দৰ বনাঞ্চলৰ বিস্তীৰ্ণ সেউজভূমি ধবংস কৰিছে।**

দৃষ্টিপাত কৰিলে দেখা যায় যে, এই জাগতিক পৃথিৱীত কোনো ব্যক্তি তথা মানুহেই অনিৰ্দিষ্ট জীৱনায়ু লৈ আহি বিখ্যাত হোৱা নাছিল। যি সকল মনিষীয়ে

ঐকান্তিক চেষ্টা আৰু দৃঢ় সাধনাৰ বলেৰে পৃথিৱীৰ মানৱ ইতিহাসৰ বাবে, সমগ্ৰ মানৱ সভ্যতাৰ বাবে বিজ্ঞান অথবা সুকুমাৰ কলাৰ মহৎ সৃষ্টিৰ চাংেকী দাঙি ধৰি নিজস্ব গৰিমাৰে মহিয়ান তথা অমৰ হৈ গৈছিল, তেওঁলোকৰ জীৱনবোৰ আমাৰ দৰেই প্ৰাকৃতিক আৰু সাধাৰণ আছিল। আনকি বহু বিখ্যাত মণিষীৰ জীৱন পঞ্জী আমাতকৈ বহু ত্ৰুটিৰে আছিল। তেনে ক্ষেত্ৰত আজিৰ যুৱ সমাজে বিশ্বৰ তথা দেশৰ ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক, সাংস্কৃতিক দিশত নিৰ্ণায়কৰ ভূমিকা পালন কৰিব নোৱাৰাৰ কোনো যুক্তিয়েই থাকিব নোৱাৰে। তাৰ পিছতো যেন কোনোবা খিনিত আছে আজিৰ যুৱ প্ৰজন্মৰ দুৰ্বলতা, অসামৰ্থতা ।

বৰ্ত্তমান যুৱশক্তি, যুৱ চিন্তা, সম্মিলিত চিন্তা আৰু শক্তিৰ অমোঘ ৰূপে বিকাশ তথা সুস্থিৰতা লাভ কৰিব পৰা নাই । বৰ্ত্তমানেও এই যুৱসমাজৰ সিংহ অংশৰ চিন্তাধাৰাবোৰ অখণ্ড যুক্তিবাদেৰে প্ৰবাহিত হৈ জীৱন মুখী হ'ব পৰা নাই। যাৰ পৰিণাম স্বৰূপে এচাম সুবিধাবাদী, স্বাৰ্থান্বেষী অপশক্তিয়ে নিজৰ স্বাৰ্থ পূৰণৰ বাবে কোনো ত্ৰুটি নৰখাকৈ যুৱ চামটোক আৰু তেওঁলোকৰ চিন্তাধাৰাক সম্পূৰ্ণ ৰূপে ব্যৱহাৰ কৰি আছিছে । ফলত যুৱসমাজৰ অধিকাংশই মানসিকভাৱে পংগু হৈ দিকভ্ৰষ্ট হৈ পৰিছে । এই যুৱসমাজৰ এচামে তথাকথিত মুক্তি আৰু স্বাধীনতাৰ অন্বেষণত হাতত মাৰণাস্ত্ৰ তুলি ল'বলৈ দুৰ্গম অৰণ্যলৈ ঢাপলি মেলিছে, অন্য এচামে স্ব-অধিকাৰ আৰু ব্যক্তিগত স্বাধীনতাৰে বলীয়ান হৈ গুপ্তঘাতকৰ ভূমিকা গ্ৰহণ তথা পালন কৰিছে। এচামে অতি কষ্টেৰে সেউজ-বিপ্লৱৰ আদৰ্শৰে অনুপ্ৰাণিত হৈ নিজকে আগবঢ়াইছে, অন্যহাতে আন এচামে বিবেকহীন ভাৱেই নিৰ্বিচাৰে, নিঃসংকোচেৰে সুন্দৰ বনাঞ্চলৰ বিস্তীৰ্ণ সেউজভূমি ধ্বংস কৰিছে । এই গোটেইখিনিয়ে যদি এক উন্নতকামী জীৱন মুখী চিন্তা আৰু কাৰ্য্যসূচীৰে উদ্বুদ্ধ তথা চিন্তাপ্ৰসূত হৈ কাম কৰাহেঁতেন সমগ্ৰ সমাজ তথা অসমখনৰেই ভূগোল, বুৰঞ্জী তথা সাম্প্ৰতিক ছবিখনৰ এনে কোপোলা স্বৰূপ দেখিবলৈ নাপালোহেঁতেন।

অসমৰ এটা অঞ্চলৰ জনসাধাৰণে গুপ্ত ঘাতকৰ দ্বাৰা অপহৃত লোক উদ্ধাৰৰ বাবে যেতিয়া সদলবলে ৰাজপথলৈ ওলাই আহিছে, আন এচামে সেই মতে আগবাঢ়ি অহা নাই । এচাম কৰ্মচাৰীয়ে নিজৰ প্ৰাপ্য দৰমহাৰ টকা কেইটা পোৱাৰ সংগ্ৰামেৰে ৰাজপথলৈ ওলাই আহিছে অথচ সেই একে শ্ৰেণীৰ আন কিছুমানে বছৰ বছৰ ধৰি নোপোৱা সেই সতীৰ্থ কৰ্মচাৰীসকলৰ প্ৰতি সহানুভূতি দেখুৱাই ওলাই অহা নাই। এটা অঞ্চলৰ মানুহে যেতিয়া মূল্য বৃদ্ধিৰ বাবে আন্দোলন চলাই ৰাজপথলৈ ওলাই আহিছে, আন এচামে তেনে বলিষ্ঠ পদক্ষেপেৰে আগবাঢ়ি অহা নাই ।। এক কথাত সকলো ক্ষেত্ৰতে ঘটিছে অন্তঃসংযোগহীনতাৰ, নিৰাশাবাদৰ প্ৰাধান্য।।

মানৱীয় সামাজিক বিপ্লৱ সু-সংগঠিত কৰাৰ প্ৰাথমিক জৰুৰী আৰু গুৰুত্বপূৰ্ণ কাৰ্য্য হ'ল অন্তঃসংযোগ।। এই অভাৱ তথা শূন্যতাৰ বাবেই অসমৰ সামাজিক ক্ষেত্ৰখনত কাঁইটবুলাৰ দৰেই দুৰ্নীতিকাৰী, ভ্ৰষ্টাচাৰী, শোষণকাৰী আদিবোৰে পোখা মেলি বিস্তৃত লাভ কৰিছে। ইয়াৰ মূলতেই হ'ল আমাৰ নতুন প্ৰজন্মই উপযুক্ত চিন্তাধাৰণাৰ সু-নেতৃত্ব লাভ কৰিব পৰা নাই। এই নেতৃত্বৰ অভাৱ ঘটিলেই শক্তিৰ বিচ্যুতি ঘটে আৰু এই বিচ্যুতিয়েই আজিৰ যুৱ সমাজ খনক ফলপ্ৰসু চিন্তাধাৰাৰে গঢ় লৈ উঠাত হেঙাৰ স্বৰূপ হৈ আহিছে ।।

আজিৰ যুৱ সমাজৰ বুজন সংখ্যকৰ মাজত ভাঙোনমুখী চিন্তাধাৰাৰে উদ্বুদ্ধিত কৰি তেওঁলোকৰ সোণালী ভৱিষ্যতক এক অন্ধকাৰ জগতলৈ লৈ গৈ উদ্দেশ্য শূণ্য কৰি মেলি দিয়াৰ প্ৰচেষ্টাৰ মূলতেই দায়ী হ'ল বৰ্ত্তমানৰ যান্ত্ৰিক সমাজখন আৰু এই সমাজখন যি কোনো প্ৰকাৰে নিয়ন্ত্ৰণত ৰাখিবলৈ বিচৰা একাংশ স্বাৰ্থান্বেষী বুদ্ধিজীৱিৰ, শোষকদলৰ প্ৰকোপ।। এনে কলুষিত তথা প্ৰদূষিত সমাজখনত আজিৰ যুৱ প্ৰজন্মই বৌদ্ধিক আৰু আধ্যাত্মিক চিন্তা-চৰ্চা কৰাটো প্ৰায় অসম্ভৱ হৈ পৰিছে। তেওঁলোকৰ মানসিক চিন্তাধাৰাবোৰ এনে শোষক দলৰ আঙুলিৰ নিৰ্দ্দেশনাত

পুতলাৰ দৰে নাচিবলৈ বাধ্য হৈছে। হিংসা, স্বাৰ্থপৰতা, আত্মকেন্দ্ৰীকতা আৰু প্ৰতিশোধৰ প্ৰবল দাবাগ্নিত আত্মজাহ্ গৈ নিজৰ নৈতিকতাক স্খলন কৰি ধ্বংসৰ সোঁতত বিসৰ্জন দিবলৈ আজিৰ যুৱ সমাজে তিল মাত্ৰও কাৰ্পণ্য কৰা নাই।

সুস্থ মানসিকতা গঢ়ি তুলিবৰ বাবে এটা সুস্থ আৰু নিকা পৰিবেশৰ অত্যন্তই প্ৰয়োজন বিশেষভাৱে যুৱ সমাজৰ প্ৰগতিমুখী স্বাৰ্থত । যিসকল যুৱকে সৰল আৰু বিশুদ্ধ নৈতিক ধ্যান-ধাৰণাৰে এটা যুক্তিসন্মত তথা জীৱনমুখী পৰিৱেশ গঢ়ি তুলিবলৈ সক্ষম হৈছে, সেই সকল যুৱকে নিজ বিশ্বাস, একাগ্ৰতা, শুদ্ধ চিন্তাধাৰা আৰু অধ্যৱসায়ক জীৱনটোৰ সাফল্যৰ মাপকাঠী হিচাপে ব্যৱহাৰ কৰি আহিছে । সামাজিক সংঘাত সমূহক নিজৰ বুলি ধৰি সেইবোৰৰ সংস্কাৰ সাধন কৰি ল'ব পৰাটোতহে প্ৰকৃত বীৰত্ব প্ৰকাশ পায়।

সামাজিকভাৱে অসমত এতিয়াও এক সন্মিলিত যুৱ আন্দোলনৰ পৰিৱেশ আছে, অৱকাশো আছে। এইখিনিয়ে লাহে লাহে গেলি আহিবলৈ ধৰা চৰকাৰী আমোলাতন্ত্ৰৰ বিৰুদ্ধে পদক্ষেপ ল'ব পৰাকৈ শক্তি আহৰণ কৰিছে । এতিয়া মাথো প্ৰয়োজন এইখিনি বিৰাট শক্তিক আৰু বলিষ্ঠ পথেৰে পৰিচালিত কৰিবপৰাকৈ যুক্তিবাদী চিন্তাৰ সু-নেতৃত্বৰ। সমাজৰ বৰ্তমান এনে পংকিলতাৰে পূৰ্ণ পথত নিজৰ নৈতিকতাৰ পৰা তথা সমাজৰ প্ৰতি থকা দায়বদ্ধতাৰ পৰা পিছলি পৰি লক্ষ্যভ্ৰষ্ট হোৱা আজিৰ যুৱসমাজ তথা প্ৰজন্মক সঠিক আৰু শুদ্ধ পথৰ সন্ধান দিয়াটো আজিৰ সমাজৰ প্ৰতিজন ব্যক্তি আৰু অভিভাৱকৰ প্ৰধান দায়িত্ব আৰু কৰ্তব্য। অন্যথা যুৱ সমাজৰ এনে অপৰিৱৰ্তনীয় ধ্বংসমুখী কালাগ্নিত সমগ্ৰ মানৱ সমাজখনেই যে এদিন জাহ নাযাব তাত কোনো সন্দেহ নাই । গতিকে আজিৰ যুৱ প্ৰজন্মৰ পৰা ইয়াকে আশা কৰা যায় যে সমাজৰ বিভিন্ন পৰ্য্যায়ত কথা আৰু কামৰ মাজত যিখিনি সামঞ্জস্য পৰিস্ফুত হয়, তাক নাশিবৰ বাবে তেওঁলোকে মনে প্ৰাণে প্ৰতিশ্ৰুতিবদ্ধ হওঁক। তেজে তেজে প্ৰবাহিত হৈ থকা সহজলভ্য ধনৰ যি তীব্ৰ প্ৰৱণতা, সেই প্ৰৱণতা যেন আজিৰ যুৱ প্ৰজন্মই এই তাৰিখতেই মনে-প্ৰাণে মষিমূৰ কৰক। বৰ্ণ বৈষম্য, হিংসা-বিদ্বেষ পৰিহাৰ কৰি মানুহ নামৰ জীৱটো জীয়াই থাকিবৰ বাবেই এখন সুস্থ আৰু নিকা সমাজ গঢ়িবলৈ প্ৰকৃত ভাতৃত্ববোধেৰে হাতে হাতে ধৰি খোজ পেলাওক । কিয়নো একবিংশ শতিকা হ'ব আমাৰ বাবে কঠোৰ প্ৰত্যাহ্বানৰ শতিকা । বিজ্ঞানৰ অভিনৱ আবিস্কাৰসমূহ কুক্ষিগত কৰি "ফ্ৰাংকেনষ্টাইন"ত পৰিণত হোৱা সাম্ৰাজ্যবাদী শোষণ যন্ত্ৰটো অহা শতিকাত অধিক কঠোৰ আৰু নিৰ্মম হ'ব । গতিকে আজিৰ যুৱ প্ৰজন্মই এই আগ্ৰাসনবাদী অপশক্তিৰ ওপৰত চোকা নজৰ ৰাখিব লাগিব।

মুঠতে এখন সংগ্ৰাম হ'ব লাগিব আৰু এই সংগ্ৰামৰ প্ৰধান হোতা হ'ব লাগিব আজিৰ নতুন যুৱ প্ৰজন্ম। অৱশ্যে এই সংগ্ৰামমূলক চিন্তাধাৰাৰ সময় আৰু সভ্যতা। আমাতকৈ বহু আগবাঢ়ি গ'ল, কিন্তু আমি যেন বহু পিছ পৰি ৰলো । গতিকে সময় আৰু সভ্যতাৰ সৈতে সামঞ্জস্য ৰাখি একেলগে খোজ পেলাই নতুন শতিকাৰ এটি সুখ-সম্প্ৰীতি তথা ঐকতাৰে পুষ্ট সুস্থ সামাজিক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব লাগিব । হত্যা, হিংসা, দুৰ্নীতিয়ে বৃদ্ধাংগুষ্ঠ দেখুৱাই সমাজখনক অৰাজকতাৰে কোঙা কৰি পেলোৱাৰ প্ৰাক্‌মুহূৰ্তত । ইয়াৰ পৰা উপশম পাবলৈ হ'লে আজিৰ যুৱ সমাজে এটা বৃহৎ পৰিৱৰ্তন আনিব লাগিব। ভোগবাদী সংস্কৃতিৰ ওপৰত ওপঙি নুফুৰি আজিৰ নতুন প্ৰজন্মই মিতব্যয়ী হ'ব লাগিব । বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ সুপ্ৰয়োগেৰে নতুন প্ৰজন্মই বৌদ্ধিক, সাংস্কৃতিক আৰু সামাজিক দিশৰ উত্তৰণ ঘটাই সুস্থিৰ চিন্তাধাৰাৰে আগুৱালে সমাজখন শক্তিময় আৰু সমৃদ্ধিশালী নোহোৱাৰ প্ৰশ্নই নুঠে। সেয়েহে একবিংশ শতিকাৰ হিংসা বৰ্জিত পৰিবেশেৰে সমাজত সুখ শান্তি, সমৃদ্ধি প্ৰতিষ্ঠা কৰাত নতুন প্ৰজন্মই এক উল্লেখনীয় ভূমিকা গ্ৰহণ কৰিব লাগিব । ●●

# সমন্বয় গোষ্ঠীৰ এবছৰ

শ্ৰদ্ধেয় পাঠকবৃন্দ, কিছু পলমকৈ হ'লেও আপোনালোকৰ হাতত এই সংখ্যাৰ 'বৰ্তমান'খন তুলি দিবলৈ পাই সুখী হৈছো । 'বৰ্তমান'ৰ এবছৰ পূৰ্ণ হোৱাৰ লগতে ইয়াৰ প্ৰকাশন গোষ্ঠীয়েও এবছৰ অতিক্ৰম কৰিলে। নতুন সহস্ৰাব্দৰ আৰম্ভিতে অৰ্থাৎ যোৱা ৫ ফেব্ৰুৱাৰী ২০০০ত এই প্ৰকাশন গোষ্ঠীটোৰ আৱিৰ্ভাৱ হৈছিল । এই গোষ্ঠী কেৱল 'বৰ্তমান' প্ৰকাশৰ বাবেই জন্ম হোৱা নাছিল । সাম্প্ৰতিক অসমৰ জ্বলন্ত সমস্যাৰাজিৰ সমাধানৰ সূত্ৰ উদ্ভাৱন কৰি চৰকাৰ আৰু ৰাইজক দৃষ্টিগোচৰ কৰাৰ লগতে সমাজত জাতীয় ঐক্য গঢ় দিয়া আৰু প্ৰচাৰবিমুখ প্ৰতিভাবান তৰুণ শিল্পী, সাহিত্যিক সকলক আগবঢ়াই শিক্ষা আৰু সাহিত্য-সংস্কৃতিৰ বিকাশ ঘটোৱা মানসেৰে জন্ম লাভ কৰিছিল এই গোষ্ঠীয়ে । ইয়াৰ নাম ৰখা হ'ল 'সমন্বয় গোষ্ঠী' । ই বৰ্তমান গোলাঘাট জিলাৰ ভিতৰতে আৱদ্ধ হৈ আছে যদিও ভৱিষ্যতে ইয়াৰ পৰিসীমা অসমৰ চাৰিসীমালৈকে প্ৰসাৰ কৰা হ'ব । সমন্বয় গোষ্ঠী এটি সুকীয়া অৰাজনৈতিক গণতান্ত্ৰিক সংগঠন আৰু ইয়াৰ এখন সুকীয়া সংবিধানো আছে । এই গোষ্ঠীয়ে জন্মৰে পৰা ৰাইজৰ বিপুল সঁহাৰি লাভ কৰি আহিছে । সেয়ে আমি অতি কম সময়ৰ ভিতৰতে গোষ্ঠীৰ উদ্যোগত বহুতো কৰ্মসূচী পালন কৰিবলৈ সক্ষম হৈছোঁহক । বিগত এবছৰ যোৱা কাৰ্য্যকালত গ্ৰহণ কৰা কৰ্মসূচীৰ এটি চমু খতিয়ান আপোনাসবলৈ আগবঢ়ালো ।



শ্ৰদ্ধেয় পাঠকবৃন্দ, গৌৰৱৰ বিষয় যে সমন্বয় গোষ্ঠীৰ কৰ্মকৰ্তাসকল অতি সুদক্ষ আৰু সাহসী কৰ্মী যাৰ দ্বাৰাই বহু কাম সহজে সম্ভৱ হৈ আহিছে । সমন্বয় গোষ্ঠীয়ে জন্ম সূত্ৰেই লাভ কৰিছিল এখন আলোচনী প্ৰকাশ কৰাৰ সপোন, যাৰ নাম 'বৰ্তমান'। আলোচনীখনত সমস্যাবহুল ৰাইজৰ ক্ষোভবোৰ প্ৰকাশ কৰি চৰকাৰক দৃষ্টিগোচৰ কৰাৰ লগতে জনমত গঢ়ি তোলাৰ মানসেৰে আমি 'ৰাইজমেল'ৰ ব্যৱস্থা কৰি আহিছো । এতিয়ালৈকে গোলাঘাট জিলাৰ চাৰিটা বৃহৎ বৃহৎ অঞ্চলত 'ৰাইজমেল' অনুষ্ঠিত কৰিলো । ৬-২-২০০০ত দৈয়াং, ২-৬-২০০০ত টেঙানী, ৩-৯-২০০০ত চুঙাজান আৰু ১০-১২-২০০০ত উৰিয়ামঘাট অঞ্চলত । ৰাইজৰ সঁহাৰি পালে বিভিন্ন অঞ্চলত ৰাইজমেল আয়োজন কৰিবলৈ আমি প্ৰস্তুত

OKDISC

আছো ।

অসমৰ বৰ্তমান নিবনুৱা সমস্যাৰ প্ৰতি লক্ষ্য ৰাখি স্থানীয় যুৱকসকলক নিয়োজিত কৰাৰ মানসেৰে গোষ্ঠীৰ উদ্যোগত যোৱা ২৭-১০-২০০০ত আমগুৰিত এখন আদৰ্শ কৃষিপাম উদ্বোধন কৰা হয় । উল্লেখযোগ্য যে গোষ্ঠীৰ অৰ্থনৈতিক দিশত ইতিমধ্যে কৃষিপামে আশাৰ ৰেঙণি কঢ়িয়াই আনিছে ।



সাম্প্ৰতিক অগ্নিগৰ্ভা অসমত নিতৌ চলিছে হত্যা, অপহৰণ, হত্যা আদি জঘন্য কাৰ্যবোৰ । যোৱা ১১-১১-২০০০ তাৰিখৰ ৰাতি চুঙাজান ১৬ নং শ্ৰমিক গাঁৱৰ নিবাসী অমৰ সিং চাহুৰ পুত্ৰ ভোলা চাহুক কোনো অচিনাক্ত সশস্ত্ৰ বাহিনীৰ লোকে অপহৰণ কৰাত তেওঁৰ মুক্তিৰ দাবীত আৰু অসম-নগালেণ্ডৰ সীমা সমস্যা সমাধানৰ দাবীত যোৱা ১৫-১১-২০০০ তাৰিখে চুঙাজান শাখা সমন্বয় গোষ্ঠীৰ সহযোগত প্ৰায় সাতশ (৭০০) লোকৰ পদযাত্ৰাৰে এটি প্ৰতিবাদী সমদল উলিওৱা হয় আৰু ধনশিৰি মহকুমাৰ মহকুমাধিপতিৰ কাৰ্যালয় ঘেৰাও কৰি ধৰ্ণা দিয়া হয় আৰু মহকুমাধিপতিক এখন স্মাৰক পত্ৰ প্ৰদান কৰা হয় । সমন্বয় গোষ্ঠীৰ উদ্যোগত আমি বিভিন্ন সময়ত বিভিন্ন অঞ্চলত ৰাইজৰ সমস্যাসমূহ বুজ লোৱাৰ এক দায়িত্ব আৰু কৰ্তব্য । গোলাঘাট জিলাৰ অসম-নগালেণ্ড সীমান্ত বনগাঁও অঞ্চলত নগা দুৰ্বৃত্তই অগ্নি সংযোগ কৰা চাৰিঘৰ অসমীয়া লোকক সমন্বয় গোষ্ঠীৰ তৰফৰ পৰা ২১-১১-২০০০ তাৰিখে চাউল যোগান ধৰা হয় আৰু সমস্যাৰ বুজলৈ অন্তৰ বিনিময় কৰা হয় । চাৰিটা পৰিয়ালৰ প্ৰধান ব্যক্তিসকলৰ নাম ক্ৰমে - ৰমেন হাজৰিকা, কিনাৰাম বৰা, অৰূপ শইকীয়া আৰু বকুল হাজৰিকা । সেইদিনা অঞ্চলটোত শতাধিক লোকৰ সমাবেশত এখনি ৰাজহুৱা সভাও অনুষ্ঠিত কৰা হয় ।

সম্প্ৰতি অসমৰ কংক্ৰীট শিক্ষা ব্যৱস্থাৰ পৰিবৰ্তন আনি নতুন প্ৰজন্মৰ উজ্জ্বল ভৱিষ্যতৰ বাবে কণ-কণ শিশুসকলক এক সু-সংগঠিত শিক্ষা দিয়াৰ উদ্দেশ্যে যোৱা ৮ জানুৱাৰী ২০০১ তাৰিখে মেৰাপানীত এখন 'জাতীয় বিদ্যালয়' উদ্বোধন কৰা হয়। বিদ্যালয়খনৰ দ্বাৰ মুকলি কৰে মেৰাপানী টাউন মধ্য ইংৰাজী বিদ্যালয়ৰ বিজ্ঞান শিক্ষক শ্ৰীযুত নগেন বৰাদেৱে । উদ্বোধনী সভাত 'জাতীয় বিদ্যালয় শিক্ষা পৰিষদ'ৰ সাংগঠনিক সম্পাদক মঃ মুকিব আহমেদ জামাল, কোষাধ্যক্ষ তথা তিতাবৰ জাতীয় বিদ্যালয়ৰ পৰিচালন সঞ্চালক শ্ৰীযুত প্ৰভাত বৰা আৰু দৈয়াং উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক শ্ৰীযুত মহেন বৰুৱা ডাঙৰীয়া উপস্থিত আছিল । জাতীয় বিদ্যালয়খনিয়ে ৰাইজৰ মাজত জনপ্ৰিয়তা লাভ কৰিবলৈ সক্ষম হৈছে ।

সমন্বয় গোষ্ঠীৰ উদ্যোগত পালন কৰা কাৰ্যসূচী সমূহৰ ভিতৰত আন এটি উল্লেখযোগ্য কাৰ্যসূচী আছিল 'শিল্পী দিৱস'। যোৱা ১৭-০১-২০০১ তাৰিখে ৪ নং চুঙাজান বকুলপুৰ হৰিমন্দিৰৰ চৌহদত চুঙাজান শাখা সমন্বয় গোষ্ঠীৰ উদ্যোগত দিনযোৱা

OKDISCD

কাৰ্যসূচীৰে ‘শিল্পী দিৱস’ আয়োজন কৰা হয় ।

শ্ৰদ্ধেয় পাঠকবৃন্দ, সমন্বয় গোষ্ঠীৰ কৰ্ম আঁচনিত বিশেষ দীঘলীয়া সময়ৰ বিৰতি নাছিল । জন্মৰ পৰা এবছৰৰ ভিতৰতে ইমানবোৰ কাৰ্যসূচী পালন কৰিব লগা হৈছিল । সদৌ শেষত গোষ্ঠীৰ এবছৰ পূৰ্ণ হোৱাত যোৱা ৫ ফেব্ৰুৱাৰী ২০০১ ত মেৰাপানীৰ ডা° কে. এন. শইকীয়া বালিকা মধ্য ইংৰাজী বিদ্যালয়ত ইয়াৰ প্ৰথম প্ৰতিষ্ঠা দিৱস পালন কৰা হয় । প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি আগদিনা অৰ্থাৎ ৪ ফেব্ৰুৱাৰীৰ দিনা দিনজোৱা ‘শ্ৰমদান’ কাৰ্যসূচী পালন কৰা হয়।



প্ৰতিষ্ঠা দিৱসৰ দিনজোৱা কাৰ্যসূচীৰ পাতনি মেলে ‘সমন্বয় গোষ্ঠীৰ’ বিদায়ী সভাপতি নোমল বৰাদেৱে গোষ্ঠীৰ পতাকা উত্তোলনৰ দ্বাৰা। ছহিদ তৰ্পন কাৰ্যসূচী মুকলি কৰে ‘প্ৰতিষ্ঠা দিৱস উদ্যাপন সমিতি’ৰ সভাপতি শ্ৰীযুত নগেন বৰাদেৱে । বৃক্ষৰোপণ কাৰ্যসূচীৰ আৰম্ভণি কৰে ডা° কে. এন. শইকীয়া বালিকা মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষক শ্ৰীযুত খগেন বৰাদেৱে । ইয়াৰ পিছতেই কবিতা আবৃত্তি আৰু কুইজ প্ৰতিযোগিতা আৰম্ভ হয় । আলোচনাচক্ৰৰ মঞ্চত গোষ্ঠীৰ দ্বাৰা প্ৰকাশিত তিনিমহীয়া অসমীয়া আলোচনী ‘বৰ্তমানে’ আয়োজন কৰা গল্প প্ৰতিযোগিতাৰ প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্থান লাভ কৰা ক্ৰমে তিতাবৰ মেদেলুৱা জানৰ শ্ৰীমতী কবিতা শইকীয়া, বৰহোলা, ওৰঙীয়ালৰ শ্ৰীযুত নগেন বৰুৱা আৰু গোলাঘাট মাটিখোলাৰ শ্ৰীমতী অৰুন্ধতী কোঁৱৰ গোহাঁইক মানপত্ৰ সহ বঁটা প্ৰদান কৰা হয় । হাজাৰোধিক জনসমাবেশত অনুষ্ঠিত মুকলি আলোচনাচক্ৰখনি সঞ্চালনা কৰে দৈয়াং শাখা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা দৈয়াং হাইস্কুলৰ প্ৰধান শিক্ষক শ্ৰীযুত মহেন বৰুৱাই । আলোচনাচক্ৰত অংশ গ্ৰহণ কৰে অসমীয়া বোলছবিৰ পৰিচালক তথা প্ৰবক্তা শ্ৰীযুত দীনেশ গগৈ, অসম সাংস্কৃতিক বনুৱা পৰিষদৰ সভাপতি তথা মানৱ অধিকাৰ সংগ্ৰাম সমিতিৰ অধ্যক্ষ শ্ৰীযুত বুবুমণি গোস্বামী, প্ৰাক্তন কৃষি মন্ত্ৰী তথা ‘দৈয়াং পিতৃ’ সন্মানেৰে বিভূষিত শ্ৰীযুত সোণেশ্বৰ বৰা, গোলাঘাটৰ পৰা প্ৰকাশিত সাপ্তাহিক ‘দৃষ্টিকোণ’ কাকতৰ সম্পাদক শ্ৰীযুত দীপেন দত্ত আৰু ৰাইদাংজুৰি শাখা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি শ্ৰীযুত নবীন সোণোৱালদেৱে। আলোচনাচক্ৰৰ মঞ্চত অঞ্চলটোৰ বিশিষ্ট ভাস্কৰ্য শিল্পী শৰৎ শইকীয়া, আদৰ্শ শিক্ষক ধৰ্মেশ্বৰ বড়া আৰু দৈয়াঙৰ মুক্তি শ্বহীদ নীলিমা বৰাৰ পৰিয়ালবৰ্গক একোখন ফুলাম গামোছা আৰু সম্বৰ্দ্ধনা পত্ৰৰে সমন্বয় গোষ্ঠীৰ তৰফৰ পৰা সম্বৰ্দ্ধনা জনোৱা হয়।

**প্ৰচাৰ সম্পাদক**
সমন্বয় গোষ্ঠী,
গোলাঘাট ।

# আলফা বনাম অসমীয়া নিধন যজ্ঞ

-- অপৰাজিতা চাংমাই

" আমাক কোনে মাৰে
দৰ্পকৰি গৰ্ব কৰি এই কথাকে
মহাকালে সোধে বাৰে বাৰে
আমাক কোনে মাৰে ......."
(-চৈয়দ আব্দুল মালিক)

চৈয়দ আব্দুল মালিকদেৱে যেতিয়া এই কবিতাটি ৰচনা কৰিছিল তেতিয়া হয়তো সপোনতো ভবা নাছিল যে বাৰে বাৰে মোগলে আক্ৰমণ কৰিও পৰাজয় কৰিব নোৱাৰা অসমীয়া জাতিক কোনোবাই মাৰিব পাৰে।

আজি অসমৰ প্ৰতিজন অসমীয়াই নিজকে প্ৰশ্ন কৰে আমাক কোনে মাৰে। অসমৰ পৰিস্থিতিৰ শোচনীয় অৱনতি ঘটি আছে। দৈনিক আঠ-দহজনলোক হিংসাত্মক ঘটনাত নিহত হৈছে। গুপ্তহত্যা, গণহত্যা আদি ক্ৰমান্বয়ে বাঢ়ি আহিছে। সকলোফালে মাথো হত্যা। কিন্তু হত্যাই জানো সমস্যা সমাধান কৰিব পাৰে। এটা হত্যাই কঢ়িয়াই আনে আন এটা হত্যাক। উগ্ৰপন্থী ঘাতক আৰু চৰকাৰী ঘাতক, উগ্ৰপন্থীৰ হিংসা আৰু চৰকাৰী হিংসা, গণহত্যা, গুপ্তহত্যা এইবিলাকে আজি অসমীয়াৰ মুখৰ মাত হৰিছে।

দেশৰ জনসংখ্যা বাঢ়িল, নিবনুৱা সমস্যা বাঢ়িল, গাড়ীৰ ভাড়া বাঢ়িল, বস্তুৰ দাম বাঢ়িল। কিন্তু মূল্য মাত্ৰ এটা 'গুলি'। আজি অসমৰ জনগণ শান্তি বিচাৰি ৰাজপথলৈ ওলাই আহিছে। অসমৰ জনসাধাৰণে এটিয়া শান্তি বিচাৰে। হত্যা, হিংসা নিবিচাৰে। শেহতীয়াকৈ অসমত কেইবালানি গণহত্যা হৈ গ'ল। এই হত্যাৰ বলীহোৱা সকলৰ প্ৰায় বিলাকেই বিহাৰী সম্প্ৰ দায়ৰ বা হিন্দী ভাষী। এই হত্যাবিলাকত কাৰ হাত আছে জনা নাযায়। যিদৰে জনা নাযায় গুপ্ত-ঘাতক বাহিনীৰ কথা। চাৰিওফালে পুলিচ-মিলিটেৰীয়ে ভৰি থকা স্বত্বেও ৰাতিৰ ভিতৰতে ক'ৰ পৰা এই গুপ্ত-ঘাতক বাহিনীৰ আৰ্বিভাৱ হয়। এফালে উগ্ৰপন্থীৰ হত্যা, আনফালে চৰকাৰী হত্যা। দুই মহৰ যুজঁত বিৰিণাৰ মৰণ হোৱাৰ দৰে আমি সাধাৰণ মানুহ ইয়াৰ বলী হৈছো।

প্ৰশাসন এই বিষয়ে সম্পূৰ্ণ নীৰৱ। বৰ্তমান মহন্তৰ চৰকাৰখনৰ অৱস্থাও অতি দুখ লগা। বৰ্তমান মুখ্যমন্ত্ৰীজন নামতহে। ৰাজ্যৰ সকলো ক্ষমতা ৰাজ্যপালে ব্যৱহাৰ কৰিছে। (আচলতে অপব্যৱহাৰহে কৰিছে) এক কথাত ক'বলৈ হ'লে বৰ্তমান মুখ্যমন্ত্ৰীজনক আহোম ৰাজত্ব কালৰ ল'ৰা ৰজাৰ লগত তুলনা কৰিব পাৰি। অসমৰ ৰাইজে বহুত আশা কৰিছিল যে সোণৰ অসম গঢ়িবলৈ লোৱা সোণাৰী সকলে সোণৰ অসম গঢ়িব। কিন্তু অসমৰ ৰাইজে পাহৰি গ'ল যে সোণাৰীয়ে মাকৰ কাণৰো এচাহি খায়। ৬২৫ জন সহোদৰৰ আত্মত্যাগৰ কথা পাহৰি গ'ল। হিতেশ্বৰ **শইকীয়া** চৰকাৰে আত্মসমৰ্পণ নাটকেৰে চালফা সৃষ্টি কৰিছিল। কিন্তু মহন্ত চৰকাৰ আৰু এখোপ আগলৈ গৈ **আৱিষ্কাৰ** কৰিলে ''গুপ্তঘাতক বাহিনী''। মানৱ অত্যাচাৰকো চেৰ পেলালে গুপ্তঘাটকৰ অত্যাচাৰে। বদনক দেশদ্ৰোহী বুলি অভিহিত কৰাৰ দিন আজি উকলি গ'ল।

শেহতীয়াকৈ যোৱা ৭ ডিচেম্বৰত শদিয়াৰ কুকুৰ মৰা বনাঞ্চলৰ বাৰা মাইলত হোৱা গণহত্যাৰ হত্যাকাৰী সকলৰ পাশৱিকতা তথা চৰম বৰ্বৰতা সভ্য সমাজৰ বাবেই অপমানজনক । এই হত্যাকাণ্ড যি সংগঠনেই নকৰক কিয়, এনে কাৰ্য্যৰে তেওঁলোকৰ বৰ্বৰতা তথা হৃদয়হীনতাৰ পৰিচয় দিয়াৰ লগতে অসমীয়া সমাজত আন একাংশ লোকৰ সংমিশ্ৰণৰ প্ৰক্ৰিয়াৰ প্ৰতিয়েই যে চৰম ভাবুকিৰ সৃষ্টি কৰিছে সি সন্দেহাতীতভাৱেই সত্য। অসমত আজি অসমীয়াই জীয়াতু ভুগিছে। দুটামান উদাহৰণ দিয়া হ'ল।

যোৱা ৬ নবেম্বৰত অসম নগালেণ্ড সীমান্তৱতী গোলাঘাট জিলাৰ চুঙাজান বনগাঁৱত নগা বিদ্ৰোহীয়ে ৪টাকৈ ঘৰ জ্বলাই ভষ্মীভূত কৰিলে। দোষীক দেখুৱাই দিয়াৰ পাছতো গ্ৰেপ্তাৰ কৰা নাই। সেই অঞ্চলত শান্তি ৰক্ষাৰ বাবে দিয়া চি,আৰ,পি জোৱানে নগালোক সকলকহে সুৰক্ষা দিছে।

শদিয়াত চলিছে অসমীয়া গাঁৱত নাৰকীয়

OKDISCD

অত্যাচাৰ। ২৮ জন বিহাৰীলোকক হত্যা কৰাৰ কাৰণতেই সেনা-আৰক্ষীয়ে ১৫ ডিচেম্বৰৰ পৰা শদিয়াৰ ১৪৮ কন গাৱঁত চলাইছে নিৰ্বিচাৰ সন্ত্ৰাস। শিশু, বৃদ্ধ, মহিলা কোনো বাদ পৰা নাই। মাৰপিট কৰি জাক-জাক অসমীয়ালোক সেনাৰ চাউনীলৈ নিছে। সেনাৰ অত্যাচাৰত জৰ্জৰিত ১৬ জনক শদিয়াৰ অসামৰিক চিকিৎসালয়ত ভৰ্ত্তি কৰা হয়। অভিযানৰ কালত সেনাই বিহাৰী লোকসকলক ৰেহাই দিয়ে। অসমীয়াসকলে তেওঁলোকৰ অপৰাধ কি বুলি সোধা প্ৰশ্নৰ উত্তৰত সেনাই তেওঁলোকক প্ৰশ্ন কৰে যে ৭ ডিচেম্বৰত নিহত হোৱা ২৮ জন বিহাৰী লোকৰ অপৰাধ কি আছিল ?

যোৱা ১৬ ডিচেম্বৰ। গোলাঘাটৰ থুৰামুখত ৪ জন বিশিষ্ট কৃষকক সেনাই শাৰীৰিক নিৰ্য্যাতন দিয়ে। বিশিষ্ট কৃষক কেইজন হৈছে ৰাজ্যিক ভিত্তিত প্ৰথম পুৰস্কাৰপ্ৰাপ্ত কৃষক গোলাঘাট জিলা পথাৰ পৰিচালনা সমিতিৰ সভাপতি তথা সদৌ অসম পথাৰ পৰিচালনা সমিতিৰ উপসভাপতি তুৰাৰাম বৰা, ধনশিৰি মবকুমা পঃ পঃ সমিতিৰ সভাপতি নীল চলিহা আৰু দিলিপ শইকীয়া। সেনাই তেওঁলোকক অসমীয়ানে বিহাৰী বুলি প্ৰশ্ন কৰে। তেওঁলোকে অসমীয়া বুলি কোৱাৰ লগে লগে ''চব অচমীয়া উলফা হে, উনলোগ কো গুলী কৰ দেনা হোগা'' বুলি কৈ শাৰীৰিক নিৰ্য্যাতন দিয়ে।

যোৱা ১৯ ডিচেম্বৰ। মই দেৰগাৱঁৰ পৰা যোৰহাট অভিমুখে গৈ আছিলো। যোৰহাট পাবলৈ অলপ থাকোতেই সেনাই আমাৰ গাড়ীখন ৰখায়। অসমীয়া যাত্ৰীসকলক বাচৰ পৰা নমাই তালাচী কৰে আৰু মাৰ-ধৰ কৰে, কিন্তু একে বাছতে অহা বিহাৰী লোক সকলক ৰেহাই দিয়ে। কাৰণ তেওঁলোক হিন্দী-ভাষী, অসমীয়া ভাষীসকলহে আলফা।

এইকেইটা উদাহৰণ মাত্ৰ। এনে বহু ঘটনা দৈনিক ঘটিব লাগিছে। বৰ্তমান অসমত সেনাৰ ৰাজত্ব চলিছে। গুপ্তহত্যা, গণহত্যা ঘটনাবিলাক কঠোৰ ভাষাৰে গৰিহণা দিয়াৰ বাদে ৰাজ্য চৰকাৰে বা আন ৰাজনৈতিক দল বিলাকে আন কিবা কাম কৰিছে বুলি ক'ব পৰা নাযায়। অৱশ্যে আন একো নহ'লেও অসমত হিন্দী-ভাষী আৰু অসমীয়া ভাষীৰ মাজত সন্দেহৰ বীজ ৰোপণ কৰিলে। অসমৰ ৰাজ্যপালেই হিন্দী-ভাষীসকলক ''নিজক ৰক্ষা কৰিবলৈ হাতত অস্ত্ৰ তুলি ল'বলৈ উচতাই দিছে।'' ৰাজ্যপালে কোৱা এই কথা অসমীয়া জাতিৰ বাবে দুৰ্ভাগ্যজনক। কিন্তু তাতোকৈয়ো দুৰ্ভাগ্যজনক কথা হ'ল স্বয়ং মুখ্যমন্ত্ৰীয়ে উক্ত কথাকে সমৰ্থন কৰি বহি থকাতোহে। অসমৰ জনসাধাৰণক শান্তি প্ৰদান কৰাৰ বিপৰীতে ৰাজ্যপাল আৰু মুখ্যমন্ত্ৰীয়ে বিদ্ৰোহী নিঃশেষ কৰাৰ কথা কৈছে।

ভাৰতীয় সংবিধানে আমাক বাক স্বাধীনতা দিছে। কিন্তু আজি আমি কথা ক'ব পাৰো জানো ? সঁচা কথা কোৱা বা প্ৰতিবাদ কৰা মানেই মৃত্যু অনিবাৰ্য্য। চৰকাৰৰ বিৰুদ্ধে মাত মাতিলে হৈ পৰিব বিদ্ৰোহী। গুপ্তঘাতকে আপোনাৰ প্ৰাণ ল'ব। আৰু যদি উগ্ৰপন্থী সকলে কৰা ভুলৰ কথা ক'বলৈ যায় তেন্তে আপুনি পাব এটা বা দুটা বুলেট। এইয়াই আজিৰ অসমীয়াৰ সমস্যা। প্ৰতিজন অসমীয়াৰ মনত বিদ্ৰোহৰ ভাব আছে, কিন্তু মৃত্যুৰ ভয়ত নীৰবে বহি থকাৰ বাদে আন উপায় নাই।

এতিয়া অসমত অসমীয়াহৈ জীয়াই থকা সমস্যাহে পৰিছে। বিদ্ৰোহী দমনৰ নামত চলিছে অসমীয়া নিধন যজ্ঞ। এতিয়া সেনাৰ চকুত অসমীয়া মানেই আলফা আৰু আলফা মানেই অসমীয়া। অসমত অসমীয়া শেষ হ'লেই আলফা শেষ হ'ব বুলি চৰকাৰী মহলে ভাবে। শান্তি ৰক্ষাৰ বাবে ৰখা শান্তি-কৰ্মীসকলেই যদি অসমীয়া নিধন যজ্ঞত নামি পৰে তেন্তে এইখন অসমত অসমীয়াৰ সুৰক্ষা কিমান ? আজি অসমীয়াই সেনাৰ ভয়ত হিন্দী কথা ক'বলৈ আৰম্ভ কৰিছে, আৰু এদিন সেনাৰ ভয়তে নিজকে হয়তো বিহাৰী বুলিয়েই পৰিচয় দিব। বৰ্তমান বিহাৰীসকলৰ সুৰক্ষাৰ বাবে যি কটকতীয়া নিৰাপত্তা ব্যৱস্থা কৰিছে তাৰ তুলনাত প্ৰশাসনে অসমীয়া সকলৰ সুৰক্ষাৰ বাবে কি কৰিছে ?

যদি সময় থাকোতেই অসমীয়া ভাষী আৰু হিন্দী ভাষীসকলৰ মাজত মিলাপ্ৰীতিৰ ভাব জগাই তুলিব পৰা নেযায় তেন্তে ভৱিষ্যতে ভাষীক সংঘৰ্ষৰ বাবেই অসমত তেজৰ নৈ ব'ব। হয়তো অসমীয়াই নিজক ৰক্ষা কৰিবলৈ হাতত অস্ত্ৰ তুলি ল'বলৈ বাধ্য হব। নহ'লে অসমৰ পৰা অসমীয়া জাতি এদিন নিশ্চিহ্ন হৈ যাব। আৰু ইতিহাসেও এদিন কান্দিব অসমীয়া জাতিটোৰ কথা সুঁৱৰি। ●●

# যুৱ শক্তিৰ অপচয় আৰু ভৱিষ্যত অসমৰ ধূসৰ প্ৰতিচ্ছবি

-- মামু হাতীবৰুৱা

"Youth is a wonderful thing ; what a crime to waste it on children" - G. B. Shaw

জি. বি. শ্বৰ এই কথাষাৰ তাৎপৰ্য্য সঁচাই স্বীকাৰ কৰিব লগীয়া । মানৱ জীৱনৰ আটাইতকৈ গুৰুত্বপূৰ্ণ সময়ছোৱাই হ'ল যুৱকাল । এই যুৱকালতে প্ৰত্যেকজন ব্যক্তিৰে শাৰীৰিক আৰু মানসিকভাৱে কঠোৰ বাস্তৱৰ ঘাত-প্ৰতিঘাত, বাধা-বিঘিনি, প্ৰতিকূল পৰিৱেশৰ লগত অবিৰত সংগ্ৰাম কৰিব পৰা ক্ষমতা থাকে । প্ৰকৃতাৰ্থত মানুহৰ পৈণত সময়ছোৱাই হৈছে যুৱকাল । এই সময়ছোৱাই ভৱিষ্যত জীৱন গঢ় দিয়াৰ প্ৰাৰম্ভিক স্তৰ। জীৱনৰ এই অমূল্য সময়ছোৱা যদি অৱাবত কৰা হয় তেন্তে গোটেই জীৱন জুৰি ভুক্তভোগী হ'ব লগা হয় । সেয়েহে জি. বি. শ্বই যুৱ শক্তিৰ অপচয় কৰাটো এটা ডাঙৰ অপৰাধ বুলি কৈছে । এই অপৰাধৰ গ্লানি যুৱ সমাজৰ ওপৰতে নপৰে বৰঞ্চ সমগ্ৰ দেশৰ ভৱিষ্যতৰ এখন ধূসৰ প্ৰতিচ্ছবি সচেতন জনসাধাৰণৰ মনৰ দাপোণত প্ৰতিভাত হয় । কিয়নো এখন দেশৰ যুৱ শক্তিয়ে হ'ল দেশখনৰ ধৰণী স্বৰূপ । বৰ্তমান অসমৰ যুৱশক্তিৰ অপচয়ে ভৱিষ্যত অসমৰ ধূসৰ প্ৰতিচ্ছবিখনেই মনৰ দাপোণত অঙ্কিত হয়।

সাম্প্ৰতিক ভাৰতৰ অন্য ৰাজ্যৰ তুলনাত আমাৰ অসমতেই বেছিকৈ যুৱশক্তি অপচয় কৰাটো পৰিলক্ষিত হয় । প্ৰায় শতকৰা ৮০ ভাগ যুৱক-যুৱতীয়ে আজৰি সময়ৰ সদব্যৱহাৰ কৰা বাদেই নিজৰ শ্ৰেণীৰ পাঠ্যক্ৰমৰ কিতাপ কেইখনকে খৰচি মাৰি পঢ়িবলৈ আহৰি নাই । দিনে-ৰাতিয়ে আড্ডা, গান শুনা, টি. ভি., চিনেমা চোৱা, জুৱাখেল, নিচাযুক্ত দ্ৰব্য সেৱন, টেনিচবল ক্ৰিকেটক লৈয়ে ব্যস্ত আজিৰ অধিকাংশ যুৱ সমাজ । কায়িক শ্ৰমৰ প্ৰতি অনিহা প্ৰকাশ কৰা এই চাম যুৱক-যুৱতীৰ মুখত সততে শুনা যায় – "পঢ়ি-শুনিনো আজিকালি লাভ কি? পঢ়ি-শুনি মানুহ ডাঙৰ হয় নেকি?" খাই বইহে মানুহ ডাঙৰ হয় ।" ক্ষোভ হয় এই যুৱসকলৰ প্ৰতি যি জীৱনৰ ৰঙীন কল্পনাত উটি-ভাঁহি পদে পদে নিজৰ ভৱিষ্যত জীৱন অন্ধকাৰৰ মুখলৈ ঠেলি দিছে। তেওঁলোকে হয়তো জীৱনটো সহজভাৱে গ্ৰহণ কৰিছে আৰু উপলব্ধি কৰিছে "Life is a Game, play it and it is also a love, enjoy it." এই সকল যুৱকে যদি ৰবাৰ্ট হেৰিকৰ সময়নিষ্ঠাৰ বিষয়ে লিখা কবিতাষাৰি এবাৰ মাথো উপলব্ধি কৰিবলৈ প্ৰয়াস কৰিলেহেঁতেন তেন্তে নিশ্চয়কৈ ভৱিষ্যতৰ কড়াল গ্ৰাসৰ পৰা নিজকে ৰক্ষা কৰিবলৈ সক্ষম হ'লহেঁতেন । ৰবাৰ্ট হেৰিকে তেওঁৰ কবিতাত এনেদৰে সময়নিষ্ঠাৰ বিষয়ে লিখিছে--

Gather ye rose buds while ye may
old Time is still a flying
And this same flower that smiles today.
Tomorrow will be dying.

কিন্তু সময়ৰ মূল্য নুবুজা কৰ্মবিমুখ এই চাম যুৱক-যুৱতীৰ বাবেই সমাজত সঘনাই হিংসাত্মক ঘটনা সংঘটিত হৈছে । জীৱনৰ অমূল্য সময়ছোৱাত হিংসা, প্ৰতিহিংসা, প্ৰতিশোধৰ সংক্ৰামক বীজাণু সমাজৰ কোঁহে কোঁহে এনেদৰে শিপাই পেলাইছে-যাৰ ফলশ্ৰুতিত জীৱশ্ৰেষ্ঠ মানৱৰ দ্বাৰা গঠিত সমাজখন হৈ পৰিছে ৰোগাক্ৰান্ত । কৰ্মবিমুখ এই চাম যুৱক-যুৱতীৰ উন্মুক্ত কাৰ্য্যকলাপৰ পৰা ভৱিষ্যত অসমৰ অনিশ্চিত প্ৰতিচ্ছবি এখনহে জনসাধাৰণৰ মনত প্ৰতিভাত হৈছে।

বিশ্বৰ উন্নত দেশবোৰ পৰ্য্যবেক্ষণ কৰিলে দেখা যায় যে সেই দেশবোৰত জনসাধাৰণে কৰ্মৰ ওপৰত অধিক গুৰুত্ব দিয়ে । আমেৰিকা, জাপান আদি ধনী দেশবোৰত যুৱক-যুৱতীসকলে অলস আৰু আৰামেৰে স্বাচ্ছন্দ্য জীৱন-যাপন কৰিব পাৰে । আমেৰিকাত শতকৰা প্ৰায় ৮০ ভাগ যুৱক-যুৱতীয়ে গৰমবন্ধত বা স্কুল, কলেজ চলি থকা দিনতো আজৰি সময়ত পাৰ্ট-টাইম কাম কৰি নিজৰ খৰচ নিজে উলিয়ায় । জনসাধাৰণৰ স্বাৱলম্বীতাই এই দেশবোৰক অৰ্থনৈতিক

OKDISCD

প্ৰগতিৰ উচ্চ শিখৰত উপনীত কৰাব পাৰিছে ।

তাৰ বিপৰীতে সাম্প্ৰ তিক অসমত প্ৰায় শতকৰা ৮০ ভাগ যুৱক-যুৱতীয়ে অলস আৰু কৰ্মবিমুখ হৈ ভাগ্যকে দোহাই স্বাচ্ছন্দ্যৰে জীৱন কটাইছে । জীৱন সংগ্ৰামৰ কঠোৰ বাস্তৱৰ সন্মুখীন হ'বলৈ এইচাম যুৱক-যুৱতীৰ সাহস, অধ্যৱসায়, কৰ্মস্পৃহাৰ অভাৱ । ভৱিষ্যত জীৱনৰ সৌধ গঢ়াৰ সোণোৱালী সময়ছোৱা হেলাৰঙে কিদৰে যুৱ সমাজে অপব্যয় কৰি নিজৰ লগতে জাতিটোকো অনিশ্চিত ভৱিষ্যতলৈ ঠেলি দিছে আহকচোন বিশ্লেষণাত্মকভাৱে ইয়াক আলোচনা কৰি চাওঁ ।

**টেনিচ বল ক্ৰিকেট** ঃ বিশ্বৰ জনপ্ৰিয় খেলবিধেই হৈছে ক্ৰিকেট । যি সময়ত মেছ ফিক্সিঙৰ সংক্ৰামক বীজাণুৱে সমগ্ৰ বিশ্বতে ভদ্ৰ খেল বিধক সংক্ৰামিত কৰি পেলাইছে,বিশ্ব ক্ৰিকেটত অভিনৱ ক্ৰীড়াশৈলীৰে জনপ্ৰিয়তাৰ উচ্চ শীখৰ আৰোহণ কৰা ক্ৰিকেটাৰ আজাহাৰউদ্দিন, হানজি ক্ৰনিয়াৰ দৰে নায়কৰ ক্ৰিকেট জীৱনৰ কৰুণ পৰিসমাপ্তি ঘটিছে-সেই সময়ত গাঁৱে-ভূঞে, নগৰে-চহৰে টেনিচ বল ক্ৰিকেট খেলাৰ ঢৌ উঠিছে । যি সময়ত অসমৰ ৰাজ্যিক প্ৰতিভাৱান ক্ৰিকেট খেলুৱৈ গৌতম দত্ত, শুভ্ৰজিৎ শইকীয়াৰ দৰে খেলুৱৈয়ে ''আন্তঃৰাষ্ট্ৰীয় এদিনীয়া দলত' স্থান লাভ কৰিবলৈ সক্ষম হোৱা নাই-সেই সময়ত অসমত টেনিচ বল ক্ৰিকেট খেলি হাজাৰ হাজাৰ যুৱকে ৯০ কোটি ভাৰতীয়ৰ নয়নমণি শচীন টেণ্ডুলকাৰ হোৱাৰ দিবা স্বপ্ন দেখাটো দুৰ্ভাগ্যজনক কথা । স্কুল, কলেজৰ ক্লাচ খতি কৰি টেনিচ বল ক্ৰিকেটৰ লগত ব্যস্ত হৈ পৰা এই যুৱকসকলে জীৱনৰ মূল্যবান সময়ছোৱা অবাবত নষ্ট কৰিছে ।

**আড্ডা** ঃ যৌৱনৰ মধুৰময় সময়খিনিত যুৱক-যুৱতীসকলে জীৱনৰ ৰঙীন স্বপ্নবোৰলৈ বন্ধু মহলৰ লগত আড্ডা মাৰি ভাল পায় । যদি এই আড্ডাবোৰ গঠনমূলক হয় তেন্তে তেনে আড্ডাৰ পৰা যুৱক-যুৱতীসকলৰ যে জ্ঞান বৃদ্ধি পায় সি ধ্ৰুৱপ । কিন্তু সাম্প্ৰ তিক প্ৰায়ভাগ উন্মুক্ত যুৱকে শালিনতাবিহীন, অমাৰ্জিত, অশ্লিল ভাষাত চাৰিআলি, তিনিআলি, ফুটপাথত ৰৈ ঘণ্টা ঘণ্টা জুৰি জীৱনৰ অমূল্য সময়ছোৱা অপচয় কৰি ভৱিষ্যত অসমৰ ধূসৰ ছৱিখন আলোকিত কৰিছে ।

**মাদক দ্ৰব্যৰ সেৱন** ঃ সম্প্ৰতি অসমৰ প্ৰায়ভাগ যুৱক-যুৱতীয়ে ড্ৰাগছ, মাদক দ্ৰব্যৰ দৰে-নিচাযুক্ত দ্ৰব্যৰ প্ৰতি আসক্ত হৈ জীৱনৰ অমূল্য সময়ছোৱা হেলাৰঙে অপব্যয় কৰিবলৈ কুণ্ঠাবোধ নকৰে ।

**টেপ, দূৰদৰ্শন, চিনেমা** ঃ যৌৱনৰ মূল্যবান সময়খিনি অধিকাংশ যুৱক-যুৱতীয়ে গান-শুনি, দূৰদৰ্শন, চিনেমা চায় অপব্যয় কৰা দৃষ্টিগোচৰ হয় । মনটো সজীৱ, উৎফুল্লিত কৰি ৰাখিবলৈ আজৰি সময়ত আমি গান শুনা নতুবা সুৰভি, কুইজ প্ৰতিযোগিতা, বাতৰি ইত্যাদি যোগাত্মক কাৰ্য্যসূচীবোৰ দূৰদৰ্শনত চোৱাটো সময়ৰ অপব্যয় কৰা নুবুজায় । কিন্তু হকে বিহকে দিন-ৰাতি ছেদ-ভেদ নোহোৱাকৈ full volume ত টেপটো লগাই ঘৰৰ অন্য ব্যক্তিৰ লগতে ওচৰ-চুবুৰীয়াক ব্যতিব্যস্ত কৰা অধিকাৰ আমাক সংবিধানেও দিয়া নাই । এইদৰে আজি অধিকাংশ যুৱ সমাজে যুৱ শক্তি অপচয় কৰি জাতিটোৰ লগতে দেশখনৰো নিৰাশজনক প্ৰতিচ্ছৱিয়ে আলোকিত কৰিছে ।

উপৰোক্ত সমীক্ষাৰ পৰা আমি স্বীকাৰ কৰিবলৈ বাধ্য যে অসমত হাজাৰ হাজাৰ যুৱশক্তি উৎপাদনশীল কামত যদি নিয়োগ কৰিব পৰা গ'লহেঁতেন তেন্তে ভৱিষ্যত অসমৰ অৰ্থনৈতিক অৱস্থাটো অলপ হ'লেও টনকীয়াল হ'লহেঁতেন । আমি স্বীকাৰ কৰিছো সাম্প্ৰ তিক অসমৰ দুৰ্যোগপূৰ্ণ পৰিস্থিতিত হাজাৰ হাজাৰ নিবনুৱা যুৱক-যুৱতীৰ ভৱিষ্যত জীৱন বিহ্বল হৈ পৰা হেতুকে নতুন প্ৰজন্মই আত্মবিশ্বাস হেৰুৱাই বিপথে পৰিচালিত হৈছে । কিন্তু সেই বুলি যুৱ শক্তি অপচয় কৰি হাত-সাৰটি বহি থাকিলে আমাৰ সমস্যা সমাধান হ'ব জানো ! ভাত, কাপোৰৰ সমস্যাবোৰ সমাধানৰ বাবে হ'লেও যুৱ সমাজে কায়িক শ্ৰম কৰিবই লাগিব । তেতিয়াহে অসমৰ ভৱিষ্যতৰ উজ্বল প্ৰতিচ্ছবি এখন আশা কৰিব পাৰি ।

সময়ৰ জটিল গতিত যুৱ সমাজক শক্তি অপব্যয় কৰিবলৈ এৰি নিদি আহক আমি ঐক্যবদ্ধভাৱে জীৱনৰ জটিল সন্ধিক্ষণত তেওঁলোকক অনুপ্ৰেৰণা যোগাই তেওঁলোকৰ মনত কৰ্মস্পৃহাৰ ভাৱ জাগৃত কৰি তোলো। অন্যথা অসমৰ ভৱিষ্যত ধূসৰ হৈ পৰাৰ লগতে অনাগত ভৱিষ্যতে অসমীয়া জাতিয়ে কঠিন বাস্তৱৰ গড়া খহনীয়াৰ পৰা উঠিব নোৱৰা অৱস্থা হ'ব । ●●

গল্প

# মুক্তিবাদ

— দ্বীপেন সোনোৱাল

কেৰ্কেৰ্ শব্দ তুলি শাওঁতলী গাঁৱলৈ বুলি পুৰণি চাইকেলখন চলাই দিলো । যি হে ওখৰা মোখোৰা গাঁৱলীয়া ৰাস্তা, তাতে আকৌ সিদিনা পুলিচ বাহিনীৰ পিটন খোৱা দেহাটো । গোটেই দেহাটো এতিয়া বিষ বিষ লাগি থাকে। দেহাটো বিষ বুলি ঘৰতে বহি থাকিলে হ'ব জানো । অসমীয়া যুৱক এজনৰ মৃতদেহ এটা শাওঁতলীৰ ৰাজেন হালবাবলৈ যাওঁতে গাঁৱৰে তিনিআলিৰ বজাদিনীয়া বৰপুখুৰীৰ পাৰতে পৰি থকা দেখা মাত্ৰে গাঁওবাসীক জনালে । কথাটো ৰাষ্ট্ৰ হ'ল ।

কথাষাৰ আহি মোৰ কাণত পৰিলহি । প্ৰথমে মই বিশ্বাস কৰিব পৰা নাছিলো । যেতিয়া চুবুৰীয়া, মোৰ অতি বিশ্বাসী অমলে আহি ক'লে, তেতিয়া আৰু ৰ'ব নোৱাৰিলো । পৰিবাৰৰ কথা গুৰুত্ব নিদি চাইকেল চলাই দিলো শাওতলীৰ অভিমুখে । দূৰত্বও বেচি নহয়, আমাৰ গাঁৱৰ পৰা তিনি কিলোমিটাৰ মানহে হ'ব ।

অ' মোৰ পৰিচয় দিবলৈ পাহৰিছিলো, মোৰ নাম ফ্ৰেঞ্চীচ হেমৰম, মজদুৰ মানুহ । তথাপিও জটিল নামৰ বাবেই ৫৫ বছৰীয়া বয়সতো মোক উগ্ৰপন্থী সংগঠনৰ লগত জড়িত বুলি চাৰি দিন চাৰি ৰাতি পুলিচৰ জিম্মাত ৰাখিছিল । মোৰ ওপৰত যিহে অত্যাচাৰ চলিছিল, মনত পৰিলে বুকুখন চাং কৰি যায় ।

কেৱল নামৰ বাবে বুলিলে অলপ ত্ৰুটি ৰ'ব, ইয়াৰ লগত আৰু এটা কাহিনী জড়িত হৈ আছে । মোক যি দিনা পুলিচে নিছিল, সিদিনা পুৱাতে এজন হৃষ্ট পুষ্ট আতিল শৰীৰৰ এজন যুৱক আহিছিল । মোৰ পৰিয়ালত থাকো মাত্ৰ পৰিবাৰ আৰু মই, এক মাত্ৰ পুত্ৰক চহৰত পঢ়ুৱইছো, ভাল মানুহ হ'বলৈ, কি হয় নাজানো । যুৱকজনৰ আগমনে আমাক চিন্তাত পেলালে । দিন-কাল ভাল নহয়। পিছে ল'ৰাজনৰ ব্যৱহাৰ যথেষ্ট সহজ-সৰল। যুৱকজনৰ পিন্ধনত আছিল বগা-নীলা মিহলি এটা স্পটিং,নীলা জীঞ্চ পেণ্ট আৰু এযোৰ দামী জোতা।

ঃ "হেৰা, কথাটো বৰ ভাল দেখা নাই । কোন ফালৰ ঠিক নাই । মাত্ৰ ভাল দৰে শুশ্ৰূষা কৰি যোৱা । মুৰ্গি এটা মাৰিব লাগিব । আলহী হিচাপে মাংস ভাত কেইটা খোৱাৰ যোগাৰ কৰা ।" পৰিবাৰক কথাবোৰ ফুচ্ফুচাই ক'লো ।

পুৱাৰ আহাৰ কেইটা খোৱাৰ পিছত যুৱকজনৰ লগত আলাপ আলোচনাত বহিলো । যুৱকজনে বৰ সাহসেৰে ক'লে –

ঃ খুড়া, ভাৰত স্বাধীন হোৱা আজি ৫৩ টা বছৰ অতিক্ৰম কৰিবৰ হ'ল । যোৱা বছৰ কেইটাত আমি অসমীয়াবোৰে কি পালো, কেৱল প্ৰতাৰণা নহয়নে ? আৰু মন কৰক গণতান্ত্ৰিক ভাৰত ৰাষ্ট্ৰৰ অসমত গণতান্ত্ৰিক সংগ্ৰামবোৰৰ সৰ্বশেষত কি পায় ? কেৱল ছহীদ নামৰ শব্দটো নহয়নে ? খুড়া, আমি সংগ্ৰাম কৰিছো অসমীয়া জাতিটোৰ অস্তিত্বৰ বাবে, লাঞ্চিতা বঞ্চিতা অসমীয়া মানুহবোৰৰ বাবে । আমাৰ সতীৰ্থ সকলে ঘৰ-বাৰী এৰি পিতৃ-মাতৃ, ভাই-ভগ্নী ত্যাগ কৰি আপোনালোকৰ আশীষ শিৰত লৈ শত্ৰুৰ বিপক্ষে থিয় দিছে এটা শক্তি ৰূপে । শোষণ-লুণ্ঠনক প্ৰতিৰোধ কৰিবলৈ যাওঁতে চৰকাৰী ভেৰোণীয়া বাহিনীৰ হাতত মৃত্যু হোৱা ছহীদসকলৰ আত্মাৰ সদগতিৰ বাবে, সিহঁতৰ হাতত লাঞ্চিতা হোৱা বাই-ভনীৰ সপোনক বাস্তৱ ৰূপ দিবলৈ আমি আমাৰ শৰীৰটো অৰ্পণ কৰিছো । দেশ মাতৃৰ বাবে ভীৰুৰ দৰে আত্মসৰ্মপণ নকৰো, বীৰৰ দৰে যুঁজি যুঁজি মৃত্যুক আকোৱালী ল'বলৈ আমি সাজু আছো।

মই কিবা এটা কোৱাৰ সুবিধা পোৱা নাছিলো । কেৱল শান্তভাৱে শিষ্যৰ দৰে শলাগি আছিলো ।

কিন্তু এইয়া কি ? বাহিৰত চিঞৰ-বাখৰ কিহৰ। মই কৌতুহল বশতঃ খিৰিকীৰে চাই পঠালো বাহিৰলৈ। যুৱকজন জাপমাৰি উঠিল ।

পুলিচ, পুলিচ !

বাহিৰত পৰিবাৰৰ চিঞৰ । মই যুৱকজনলৈ আঁৰ চকুৰে চালো । বেচ চিন্তাত আছে, মনত তাৰ আতংকৰ ছাপ । ইমান পলৰে সৎ সাহসেৰে কথা কোৱা যুৱকজনৰ এতিয়া নিৰুপায় মনোভাৱ ।

ঃ খুড়া, মোৰ মৃত্যু অনিবাৰ্য্য । মোৰ শক্তি আছে শত্ৰুক বধিবলৈ । কিন্তু এতিয়া নিৰুপায়, কাৰণ আপোনালোকৰ জীৱন ধবংস কৰিব নোৱাৰো । সেই অধিকাৰ মোৰ নাই । লাগিলে এটা বিকাশ মৰি যাব, আপোনালোকৰ পৰিয়াল ধবংস হ'বলৈ দিব নোৱাৰো । চৰকাৰে কিমান যুৱক হত্যা কৰিব ! এই ধাৰাবাহিক হত্যাৰে জানো জাতীয় মুক্তি সংগ্ৰামখন নিশেষ কৰিব

(১০ পৃষ্ঠাত)

# আইদেউ সন্দিকৈৰ সৈতে এখন্তেক

**সাক্ষাৎকাৰ ঃ টুটু লাহন, গুবৰ্ধন গগৈ**

''তোমালোক ক'ৰ পৰা আহিছা ? মই চিনিকে পোৱা নাই। মই চকুৰে মনিবকে নোৱাৰা হ'লো নহয়।''

এয়া আছিল ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ প্ৰথম অসমীয়া কথাছবি 'জয়মতী'ৰ মূল চৰিত্ৰত অভিনয় কৰা শিল্পী 'আইদেউ সন্দিকৈ' । সেইদিনা আছিল শনিবাৰ । পুৱাৰ সেমেকা ৰ'দ চেৰেঙা গাত লৈ ৰাওনা হ'লো আইদেউ সন্দিকৈৰ গাঁও - 'পানীদিহিঙলৈ' । আইদেউ সন্দিকৈৰ শাৰীৰিক অসুস্থতাৰ কথা গম পাই এবাৰ চাবলৈ খুউব ইচ্ছা গৈছে। অসমীয়া ডেকাৰ ওপৰত ভাৰতীয় সেনাই অত্যাচাৰ চলোৱাত অথবা সামৰিক বাহিনীয়ে অসমীয়া ডেকাক আটক কৰি জেলত ৰখাৰ অৱস্থাতো 'কেনেবা আছে' বুলি থানা-জেলেৰে খবৰ লৈ মাতৃ-মৰম বিলোৱা আৰু সামৰিক বাহিনীৰ অত্যাচাৰক ঘৃণ কৰা আইদেউ সন্দিকৈয়ে আজি বিছনাখনকে শেষ সংগী হিচাপে আদৰি লৈছে । ঘৰটি পাইয়ে যেন আইতাৰ ওচৰলৈ দৌৰি যাম তেনে লাগিল । প্ৰথমে, তেখেতে শৰ্য্যাগত হৈ থকা ৰুমলৈ গৈ আইতা বুলি মুৰ দোৱাই ভিতৰলৈ সোমাই গ'লো । আমাক বহিবলৈ কৈ কথা আৰম্ভ কৰিলে আইতাই - 'তোমালোক ক'ৰ পৰা আহিছা ? মই চিনিকে পোৱা নাই । মোৰ চকুৰে মনিবকে নোৱাৰা হ'লো নহয় ।' আমি আমাৰ পৰিচয় দিয়াত আইতাই বৰ ভাল পোৱা বুলি ক'লে । একান্ত ব্যক্তিগত কথা কিছুমান পতাৰ পাছত আমি তেওঁক সুধিলো -

? আইতা আপোনাৰ বৰ্তমান বয়স কিমান ?

ঃ মোৰ বয়স আশী বছৰ । তেৰ বছৰ বয়সতে মই গুৱাহাটীত চিনেমা কৰিবলৈ গৈছিলো।

? আপুনি প্ৰথমে জ্যোতি প্ৰসাদক কেনেদৰে লগ পাইছিল?

ঃ তেওঁ নিজে আমাৰ ঘৰলৈ আহিছিল । মোক তেওঁ জাহাজ দেখুৱাম বুলি নি গুৱাহাটী, ভোলাগুৰি পোৱালেগৈ । মই তাত গৈ কান্দিছিলো।

? আপুনি জয়মতী কথাছবিখনৰ বিষয়ে চমুকৈ ক'ব নেকি?

ঃ জয়মতীৰ মূল চৰিত্ৰ ময়ে কৰিছিলো । গদাপানিৰ চৰিত্ৰত ফুলো বৰুৱা (শিৱসাগৰ) ৰাজমাৰ-মোহিনী ৰাজকোঁৱৰী, ডালিমী-স্বৰ্গজ্যোতি, ল'ৰা ৰজা-নবেন বৰদলৈ আছিল আৰু আন আন চৰিত্ৰত ফনি শৰ্মা, গজেন বৰুৱা আদি অনেক শিল্পীয়ে অভিনয় কৰিছিল ।

? চিনেমা শুটিং কৰি ঘূৰি অহাৰ পিচত গাঁৱৰ ৰাইজে আপোনালোকক কেনে ব্যৱহাৰ কৰিছিল ?

ঃ তিনি বছৰ দিন ৰাইজে আমাক বাদ দি থৈছিল। কোনোফালেই মই ওলাব নোৱাৰা হৈছিলো । আনকি পানী আনিবলৈ গ'লে লগৰ ছোৱালী বিলাকে পানী নি শেষ হোৱাৰ পিচতহে মোক পানী আনিবলৈ দিছিল । তাৰ আগত মোক দলঙত ভৰি দিবলৈকে নিদিছিল ।

? তিনি বছৰ দিন ৰাইজে যেতিয়া আপোনালোকক বাদ দিছিল তেতিয়া আপুনি কি কি কৰিছিল ?

ঃ নিজে বাঁহ কাটি জেওৰা বৈছিলো, খৰাহি, পাচী সাজিছিলো, তাৰ পাছত যেতিয়া এহাল যুৱক-যুৱতীয়ে গাঁৱৰ পৰা বাহিৰত গৈ চিনেমা কৰিবলৈ ল'লে। তেতিয়া আমাক গাঁৱৰ ৰাইজে লগ লৈছিল ।

? কথাছবিখনত আপোনাক যেতিয়া জয়মতী হিচাপে শাস্তি দিছিলে, তেতিয়া আপোনাক কেনে ব্যৱহাৰ কৰিছিল ?

ঃ সেই কাৰণেইতো এবছৰ দিন বিছনাত পৰি শৰ্য্যাগত হৈ থাকিব লগা হৈছে । সেই সময়ত মোক জেৰেঙা পথাৰলৈ ধৰি নিছিল অমূল্য সন্দিকৈ আৰু জীৱন বৰবৰুৱাই । তেওঁলোকে ধৰি নি তাত এজোপা কোটকোৰা গছত বান্ধি মোক সঁচা-সঁচিকৈ শাস্তি দিছিল। সেই সময়ত জ্যোতিপ্ৰসাদ মোৰ ওচৰত নাছিল । তেওঁ থকা হ'লে মোৰ এনে শাস্তি নহ'লহেঁতেন । পিছত তেখেত আহি মোক শাস্তি দিয়া কেইজনক খুউব গালি পাৰিছিল । আৰু চিকিৎসাৰ বাবে স্থানান্তৰ কৰাইছিল যদিও মই সু-স্বাস্থ্য ঘূৰাই নাপালো । অথচ সেই সময়তে মোৰ কঁকালৰ কজ্জা লৰিল।

? আপোনাৰ তেনেকুৱা শাস্তি দেখি আপোনাৰ পিতৃ-মাতৃয়ে কি কৈছিল ?

ঃ খুওব কান্দিছিল ।

? আপোনাৰ পিতৃ-মাতৃৰ নাম কি আছিল ?

ঃ মোৰ দেউতাৰ নাম নিলম্বৰ সন্দিকৈ আৰু মাৰ নাম মালক্ষী সন্দিকৈ ।

? বৰ্তমান চলচিত্ৰত অভিনয় কৰা সকলৰ প্ৰতি আপোনাৰ মনোভাৱ কেনে ?

ঃ বহুত ভাল। বহুত ভাল।

? বৰ্তমান অসমত যিবিলাক সমস্যাই দেখা দিছে, সেইসময়ত সেইবিলাক সমস্যা আছিলনে?

ঃ নাছিল তেতিয়া অসমৰ পৰিবেশ বহুত ভাল আছিল।

? আপুনি চৰকাৰৰ ঘৰৰ পৰা বৃদ্ধ পেঞ্চন পাইছেনে?


ঃ হিতেশ্বৰ শইকীয়া দিনৰ পৰাই বৰ্তমানলৈকে মাহে ১৫০০ (পোন্ধৰ শ) টকাকৈ পাওঁ।

তেখেতক আমি শিক্ষা জীৱনৰ কথা সোধাত মাথো কৈছিল- ''সেই সময়ত পঢ়াৰ কোনো সুবিধা নাছিল। স্কুল বিলাকো বহু দূৰৈত আছিল। সেইকাৰণে মই শিক্ষাৰ ক্ষেত্ৰত বিশেষ আগবাঢ়িব নোৱাৰিলো।'' বেছিকৈ কথা পতাৰ বাবেই হয়তো তেখেতে ফোপাইছিল। শেষত আমি তেখেতৰ পৰা 'বৰ্তমান'ৰ পাঠকলৈ মন্তব্য বিছৰাত হেহাই-হেহাই কৈছিল- ''শিক্ষা আৰু সাহিত্য-সংস্কৃতিৰ বিকাশ হ'লেহে মানুহৰ, সমাজৰ প্ৰগতি হ'ব । সেয়ে সকলো পাঠক পাঠিকা আৰু 'বৰ্তমান'ৰ কৰ্মকৰ্তাই তেনে প্ৰগতিৰ বাবে সংগ্ৰাম কৰক। তাৰ বাবে মোৰ শুভেচ্ছা যাঁচিছো''।

আমি তেখেতক সেৱা জনাই বিদায় ল'লো। আইতাই আমালৈ মৰমসনা হাঁহিৰে থৰ লাগি চাই থাকিল। ●●

OKDISCD





OKDISCD